Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MAY 19, 2025 ■ সোমবাৰ, ৪ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪১ Guwahati, Assam ।। মূল্যঃ এটকা

### কংগ্ৰেছী জয়ৰাম ৰমেশৰ অভিযোগ

## সৰ্বদলীয় প্ৰতিনিধি দলৰ নামতো বিজেপিৰ 'সস্তীয়া ৰাজনীতি'!



নতুন দিল্লী, ১৮ মে': পাকিস্তানৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ যাব ভাৰতৰ সৰ্বদলীয় প্ৰতিনিধি দল। কিন্তু ইয়াৰ পূৰ্বেই প্ৰতিনিধি ৬ পৃষ্ঠাত

### ভৰালী অসমৰ জাগ্ৰত প্ৰহৰীঃ ড০ গোহাঁই

## উদয়াদিত্য ভৰালীলৈ পৰাগ দাস সাংবাদিকতা বঁটা

গুৱাহাটী, ১৮ মে': বিশিষ্ট লেখক, শিক্ষাবিদ উদয়াদিত্য ভৰালীক আজি পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা-২০২৫ প্ৰদান কৰা হয়। ভৰালীৰ দক্ষিণ শৰণীয়াত ২ পৃষ্ঠাত



## ৰাষ্ট্ৰদ্ৰোহ! অধ্যাপক আলী খানক গ্ৰেপ্তাৰ

নতুন দিল্লী, ১৮ মে': অপাৰেচন সেন্দূৰক লৈ মত ব্যক্ত কৰি বিপদত হাৰিয়ানাৰ অশোকা ৩ পৃষ্ঠাত চাওক

## পত্নীক এৰি যুৱকৰ প্ৰেয়সীক লৈ চিপজৰী

ই-সংবাদ, ১৮ মে': উত্তৰ অসমৰ গহপুৰত সংঘটিত হৃদয়বিদাৰক ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি ৪ নং পৃষ্ঠাত

### গৌৰৱ আইএছআইৰ এজেণ্ট, ১০ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰীয়ে দিব তথ্য

# ননছেন্স কথা! দিল্লীত মুখ্যমন্ত্ৰীক গৌৰৱৰ প্ৰত্যুত্তৰ





■ হিমন্ত বিশ্বৰ মন্তব্যৰ পিছতে দিল্লীত সংবাদমেল সম্বোধন গৌৰৱ গগৈৰ, পুনৰ কথা সলাব হিমন্তই!


ই-সংবাদ বিশেষ, ১৮ মে': মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগেই নহয়, নিজৰ ঘৰলৈকো নোযোৱা হ'ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। গৌৰৱ গগৈক পাকিস্তানী এজেণ্ট সজাবলৈ গৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে তেওঁ মুখ্যমন্ত্ৰীৰ আসনৰ ২ পৃষ্ঠাত

## বটদ্ৰৱা থানৰ বিতৰ্ক, উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়

ই-সংবাদ, বেবেজীয়া, ১৮ মে': মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানৰ বটদ্ৰৱা থান পৰিচালনা তদৰ্থ সমিতিক ন্যায় ৭ নং পৃষ্ঠাত

## গুলীবিদ্ধ হৈ কৰুণ মৃত্যু প্ৰণৱজ্যোতিৰ

### লখিমপুৰত চাঞ্চল্য



ই-সংবাদ, ১৮ মে': মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ নেতাসকলে অসমত এতিয়া ৪ পৃষ্ঠাত

## পৰিত্ৰক লৈ বিস্ফোৰক দাবী অখিল গগৈৰ

### হিমন্ত বিশ্বক বৰ্ণবাদী আখ্যা

ই-সংবাদ, ১৮ মে': আজি দীৰ্ঘ সময়ৰ অন্তত অখিল গগৈয়ে পৰিত্ৰ মাৰ্ঘেৰিটাক তীব্ৰ আক্ৰমণ কৰিছে। পৰিত্ৰ মাৰ্ঘেৰিটাৰ দৰে মানুহক মই গুৰুত্ব নিদিওঁ বুলি কটূক্তি ৫ পৃষ্ঠাত

### অসমত বিনিয়োগ হ'ব ২৬ হাজাৰ কোটি

## সাকাৰ হোৱাৰ দিশে এডভাণ্টেজ আছাম ২.০


ই-সংবাদ, ১৮ মে': আজি গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি এডভাণ্টেজ আছাম ২.০ ৰ ৫ পৃষ্ঠাত চাওক



## ইউএছটিএমৰ উপাচাৰ্য জি ডি শৰ্মাৰ কৃতিত্ব

ই-সংবাদ, ১৮ মে': ৰাষ্ট্ৰীয় সামাজিক বিজ্ঞান একাডেমীৰ অধ্যক্ষ পদত নিৰ্বাচিত হৈছে মেঘালয়ৰ ৰি'ভই ৪ পৃষ্ঠাত

## নাই গৌৰৱ! বিদেশলৈ যাব উত্তৰ-পূৰ্বৰ পৰা ৩ সাংসদ







নতুন দিল্লী, ১৮ মে': সৰ্বদলীয় প্ৰতিনিধি দলৰ পৰা বাদ পৰিল সাংসদ গৌৰৱ গগৈ! বহুদিনৰ পৰাই গগৈৰ শেষাংশ ৬ পৃষ্ঠাত

## পেট্ৰ'ল ডিপ'ৰ লীজক লৈ চৰম সংঘাত

### আছু নেতাৰ বিৰুদ্ধে দখলৰ অভিযোগ

ই-সংবাদ, দুলীয়াজান, ১৮ মে': প্ৰাক্তন আছুৰ সাধাৰণ সম্পাদকৰ নেতৃত্বত এটা দলে দুলীয়াজনত তেল ডিপো কব্জা ৩ পৃষ্ঠাত



## টেক চিটি হায়দৰবাদাত অগ্নিকাণ্ড, ১৮ জনৰ মৃত্যু

### চাৰমিনাৰৰ সমীপৰ গুলজাৰ হাউচত আতংক

হায়দৰাবাদ, ১৮ মে': বিধ্বংসী অগ্নিকাণ্ডই বিভীষিকা নমালে মুহূৰ্ততে। দেওবাৰে পুৱা হায়দৰাবাদৰ চৰমিনাৰৰ গাতে লাগি থকা ঐতিহাসিক ৬ পৃষ্ঠাত

## ব্যৰ্থ ইছৰ'ৰ অভিযান!

### সফল নহ'ল ইঅ'এছ উপগ্ৰহৰ উৎক্ষেপণ

শ্ৰীহৰিকোটা, ১৮ মে': ব্যৰ্থ হ'ল ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ননছেন্স কথা! দিল্লীত মুখ্যমন্ত্ৰীক গৌৰৱৰ

পৰা দায়িত্বসহকাৰে এই কথা কৈছে যে পাকিস্তানৰ গৃহ মন্ত্ৰণালয়ৰ আমন্ত্ৰণ লাভ কৰি গৌৰৱ গগৈ পাকিস্তানলৈ গৈছিল আৰু ১৫ দিন আইএছআইৰ তত্বাৱধানত প্ৰশিক্ষণ লৈছিল। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ১০ ছেপ্টেম্বৰত সংবাদমেল অনুষ্ঠিত কৰি তেওঁ নথি-পত্ৰসহ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণৰ সবিশেষ ৰাজহুৱা কৰিব। মুখ্যমন্ত্ৰীয়ে এইবুলিও কয় যে তেওঁ বিষয়টো ৰাজনীতিকৰণ কৰিব বিচৰা নাই আৰু ২০২৬ চনৰ নিৰ্বাচনক কেন্দ্ৰ কৰিও প্ৰসংগটো উত্থাপন কৰা নাই। তেওঁ কয়, ২০২৫ চনৰ ছেপ্টেম্বৰত তেওঁ নথি-পত্ৰ প্ৰকাশ কৰিলে বিধানসভা নিৰ্বাচনলৈ আৰু ৬ মাহ বাকী থাকিব। তাৎপৰ্যপূৰ্ণভাৱে মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক গৌৰৱ গগৈৰ পক্ষ লৈ পাকিস্তানৰ প্ৰতি সহানুভূতি নেদেখুৱাবৰ বাবে অনুৰোধ কৰে। মুখ্যমন্ত্ৰীৰ এই গুৰুতৰ অভিযোগৰ পিছত আজি প্ৰথমবাৰৰ বাবে সাংসদ গৌৰৱ গগৈয়ে নিজৰ বিস্ফোৰক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গৌৰৱ গগৈয়ে নতুন দিল্লীত অনুষ্ঠিত এক সংবাদমেলত কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৯৯ শতাংশ অসত্য কথা কৈছে। যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা তেওঁ গৌৰৱ গগৈৰ বিৰুদ্ধে মিথ্যাচাৰত লিপ্ত হোৱা বুলি উল্লেখ কৰি যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কথাবোৰ উদ্দেশ্যপ্ৰণোদিত, ৰিডিকুলাছ আৰু ননছেন্স। মুখ্যমন্ত্ৰীয়ে হতাশাত ভুগি সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে পৰিকল্পিতভাৱে অহেতুক অভিযোগ উত্থাপন কৰি থকা বুলি সাংসদজনে উল্লেখ কৰে। তেওঁ কয়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দীৰ্ঘদিনৰ পৰা ৰাজনৈতিক উদ্দেশ্য পূৰণৰ বাবে গৌৰৱ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। তেওঁ কয়, পাকিস্তানলৈ যোৱাটো মানুহৰ অপৰাধ নেকি? অথবা কোনোবা লোক পাকিস্তানলৈ গ'লে তেওঁ পাকিস্তানৰ সমৰ্থক হৈ পৰিব নেকি? মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কেইবাবাৰো বাংলাদেশলৈ গৈছে। সেইবাবে তেওঁ বাংলাদেশৰ সমৰ্থক নেকি? তেওঁ অসমৰ মানুহক বিপথে পৰিচালিত কৰিবৰ বাবে মছলা সনা কথা বাৰে বাৰে কৈ আহিছে আৰু যিবোৰ কথাৰ কোনো সত্যতা নাই। গৌৰৱ গগৈয়ে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰি কয় যে তেওঁৰ হাতত কি তথ্য-প্ৰমাণ আছে সেয়া ৰাজহুৱা কৰক। মুখ্যমন্ত্ৰীজনে সাংবাদিকসকলকো বাৰে বাৰে অপমানিত কৰা বুলি উল্লেখ কৰি কয় যে তেওঁৰ বিৰুদ্ধে থকা অভিযোগসমূহৰ কোনো সত্যতা নাই। সেইবাবে মুখ্যমন্ত্ৰীয়ে তথ্য-প্ৰমাণ প্ৰকাশ কৰিবলৈ সাহস কৰিব পৰা নাই। ১০ ছেপ্টেম্বৰৰ পিছত তেওঁ পুনৰ ৩ মাহ সময় বিচাৰি বিষয়টো নিৰ্বাচন পৰ্যন্ত লৈ যাব বুলিও গগৈয়ে উল্লেখ কৰে। উল্লেখ্য যে সাংসদ গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে প্ৰক্ষেপ কৰাৰ বাবে দলৰ একাংশ নেতাৰ লগতে কেন্দ্ৰীয় নেতৃত্বই চিন্তা-চৰ্চা কৰি থকাৰ সময়তে হঠাৎ গৌৰৱ গগৈৰ বিৰুদ্ধে অধিক সৰৱ হৈ পৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগত সুৰ মিলাই মন্ত্ৰী পীয়ুষ হাজৰিকা আৰু বিজেপিৰ একাংশ নেতায়ো গৌৰৱ গগৈৰ পাকিস্তান লিংক সন্দৰ্ভত অভিযোগ অব্যাহত ৰাখিছে। ইয়াৰ মাজতে, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই নতুন দিল্লীত বাহৰ পাতি আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়েও গৌৰৱ গগৈক কটাক্ষ কৰি কেতবোৰ প্ৰশ্নৰ অৱতাৰণা কৰে। গগৈয়ে কয় যে গৌৰৱ গগৈক টেলিফোনত যোগাযোগ কৰিব নোৱাৰি। তেওঁ ৰাজপুত্ৰৰ দৰে অহংকাৰত মত্ত হৈ থাকে আৰু মুখ্যমন্ত্ৰী হ'বলৈ হ'লে অহংকাৰ ত্যাগ কৰিব লাগিব। উল্লেখ্য যে সাংসদ গৌৰৱ গগৈয়ে মিত্ৰতা প্ৰসংগত ৰাইজৰ দলৰ সভাপতি অখিল গগৈক ব্লেকমেইলিং নকৰিবলৈ ১৭ মে'ত সকীয়নি দিয়াৰ পিছতে আজি বিধায়ক অখিল গগৈয়ে গৌৰৱ গগৈৰ প্ৰতি এই বাক্য নিক্ষেপ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উদয়াদিত্য ভৰালীক পৰাগ কুমাৰ দাস

থকা বাসগৃহত বিশিষ্ট বুদ্ধিজীৱী ড০ হীৰেন গোহাঁয়ে এই বঁটা প্ৰদান কৰে। কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ভৰালী শাৰীৰিকভাৱে অসুস্থ হৈ থকা বাবে পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চই তেখেতৰ বাসগৃহতে এক অনুষ্ঠানৰ আয়োজন কৰি এই বঁটা প্ৰদান কৰে। পৰাগ কুমাৰ দাসৰ পৰিয়ালৰ সহযোগত সাফল্যমণ্ডিত হোৱা অনুষ্ঠানটোত ৰাজ্যখনৰ বহুকেইজন আগশাৰীৰ লেখক, চিন্তাবিদ তথা বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বঁটা প্ৰদান কৰি ড০ হীৰেন গোহাঁয়ে উদয়াদিত্য ভৰালীয়ে অসমীয়া সাংবাদিকতাত এক নতুন ধাৰা আনিবলৈ সফল হৈছিল বুলি উল্লেখ কৰি কয় যে "অসমীয়া প্ৰতিদিন' আৰু অন্যান্য কাকতত তেখেতে সমসাময়িক ঘটনাৰ বিশ্লেষণ আগবঢ়াই নতুন সাংবাদিকতাৰ চমক দিছিল। ভৰালীৰ তথ্যসমৃদ্ধ প্ৰবন্ধৰাজিয়ে গণচেতনাৰ প্ৰাবল্য বৃদ্ধি কৰিছিল। ড০ গোহাঁয়ে ভৰালীক এজন নিপুণ গল্পকাৰ বুলি ব্যাখ্যা আগবঢ়োৱাৰ লগতে এজন বিশিষ্ট ক্ৰীড়া সংগঠক আছিল বুলিও উল্লেখ কৰে। বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত থাকি লেখক-সমালোচক লক্ষ্মীনাথ তামুলীয়ে বঁটাপ্ৰাপক উদয়াদিত্য ভৰালীক প্ৰচণ্ড মেধাসম্পন্ন এজন আগৰণুৱা অসমীয়া বুলি উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে পৰাগ কুমাৰ দাসৰ সতীৰ্থ মনোৰম গগৈয়ে সকলোকে আদৰণি জনাই নতুন প্ৰজন্মৰ মাজত পৰাগ কুমাৰ দাস আজিও কিমান প্ৰাসংগিক হৈ আছে সেই কথা বিস্তৃতভাৱে প্ৰকাশ কৰে। পৰাগ কুমাৰ দাসৰ সহধৰ্মিণী পূৰৱী দাসে বঁটা প্ৰাপক উদয়াদিত্য ভৰালীক এখন গামোচা, ফুল আৰু এৰী চাদৰেৰে সম্ভাষণ জনাই পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ তৰফৰ পৰা 'অসমীয়া প্ৰতিদিন' কাকতৰ কাৰ্যবাহী সম্পাদক ধৈৰ্য হাজৰিকাই সম্বৰ্ধনা পত্ৰখন পাঠ কৰাৰ লগতে বঁটাপ্ৰাপক ভৰালীলৈ এটি নগদ ধনৰ মাননিও আগবঢ়ায়। সভাত অধ্যাপক অখিল ৰঞ্জন দত্ত, ৰাজীৱ সন্দিকৈ, অধিবক্তা শান্তনু বৰঠাকুৰ, বিশিষ্ট আবৃত্তিকাৰ বেদান্ত শৰ্মা, পৰাগ কুমাৰ দাসৰ ভাতৃ ডাঃ জ্যোতি দাস, পল্লৱ দাস, দীপেন বেজবৰুৱা, জ্যেষ্ঠ ভগ্নী জয়শ্ৰী বৰা, ৰাণী গোহাঁই, ইন্দ্ৰাণী দত্ত, ৰবীন দত্ত, কংকণ দাস, মনালিছা শইকীয়া প্ৰমুখ্যে বহু গুণী-মানী লোক উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ অন্যতম সহযোগী বেদব্ৰত বৰাই। কটন মহাবিদ্যালয়ৰ একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে প্ৰাক্তন অধ্যক্ষ উদয়াদিত্য ভৰালীক উক্ত সভাতে সম্বৰ্ধনা জনায়। সাংবাদিক অমৰেন্দ্ৰ ডেকা, ত্ৰিদিব লহকৰৰ নেতৃত্বত কটন মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে গামোচা, ফুল আৰু সম্বৰ্ধনা-পত্ৰৰে উদয়াদিত্য ভৰালীক সন্মান প্ৰদৰ্শন কৰে। শাৰীৰিক অসুস্থতা সত্বেও বঁটা প্ৰাপক উদয়াদিত্য ভৰালীয়ে অনুষ্ঠানত উপস্থিত থকা সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে তেওঁৰ প্ৰতি আগবঢ়োৱা এই সন্মানৰ বাবে পৰাগ কুমাৰ দাসৰ পৰিয়ালবৰ্গ আৰু সতীৰ্থ মঞ্চক কৃতজ্ঞতা জনায়। কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষজনে পৰাগ কুমাৰ দাসৰ সান্নিধ্য স্মৰণ কৰি কয় যে পৰাগৰ নেৰানেপেৰা প্ৰচেষ্টাতে প্ৰতিদিন কাকতৰ লগত জড়িত হৈ কাকতৰ সম্পাদনাৰ লগত বহু পৰিমাণে জড়িত হৈ পৰিছিলো। পৰাগ কুমাৰ দাসৰ মৃত্যু অসমৰ বাবে এক বিৰাট ক্ষতি বুলিও তেওঁ উল্লেখ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰদ্ৰোহ! অধ্যাপক আলী খানক গ্ৰেপ্তাৰ

বিশ্ববিদ্যালয়ৰ অধ্যাপক আলী খান মাহমুদাবাদ। দেওবাৰে পুৱা দিল্লীৰ ফ্লেটৰ পৰা অধ্যাপকজনক গ্ৰেপ্তাৰ কৰে হাৰিয়ানা আৰক্ষীয়ে। তেওঁৰ বিৰুদ্ধে দেশদ্ৰোহ আৰু ধৰ্মীয় বিদ্বেষ বিয়পোৱাৰ অভিযোগ উত্থাপন হৈছে। সূত্ৰই জনোৱা মতে, বিজেপি নেতা যোগেশ জাথেৰীৰ অভিযোগৰ ভিত্তিত গ্ৰেপ্তাৰ কৰা হয় অধ্যাপক আলী খান মাহমুদাবাদক। দেওবাৰে পুৱা প্ৰায় ৬.৩০ বজাত হাৰিয়ানা আৰক্ষীৰ এটা বৃহৎ দলে দিল্লীৰ বাসগৃহত অভিযান চলায়। পৰিয়ালৰ লোকে জনোৱা মতে, প্ৰথমে তেওঁক স্থানীয় থানালৈ লৈ যোৱা হয় আৰু তাৰ পিছত শোণিপটলৈ প্ৰেৰণ কৰা হয়। জানিব পৰা মতে, ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা কাৰ্য সংঘটিত কৰাৰ অভিযোগত ভাৰতীয় দণ্ডবিধিৰ ১৫২ ধাৰাত তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। তাৰ লগতে ধৰ্মীয় আৱেগত আঘাত হনা আৰু জাতি বা ধৰ্মৰ ভিত্তিত ঘৃণাৰ উচটনি দিয়া আদি কেইবাটাও অপৰাধমূলক শিতান সংযোজন কৰা হৈছে। অশোকা বিশ্ববিদ্যালয়ৰ ৰাজনৈতিক বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক আলী খান মাহমুদাবাদৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিছিল বিজেপি যুৱ মৰ্চাৰ হাৰিয়ানা শাখাৰ সাধাৰণ সম্পাদক তথা শোণিপটৰ পঞ্চায়ত নেতা যোগেশ জাথেৰীয়ে। লক্ষণীয়ভাৱে, শেহতীয়াকৈ অধ্যাপকজনে তেওঁৰ ফেচবুকযোগে কৰা একাধিক পোষ্টক লৈ এই অভিযোগ উত্থাপন হৈছে। এই পোষ্টত তেওঁ অপাৰেচন সেন্দুৰৰ প্ৰেক্ষাপটত নিজৰ যুদ্ধপ্ৰিয় মানসিকতাৰ বিষয়ে মাত মাতিছিল। পোষ্টত তেওঁ 'গণহত্যা', 'অমানৱীয়তা', 'দ্বিগুণতা' আদি শব্দ ব্যৱহাৰ কৰি সেনা আৰু চৰকাৰক তীব্ৰ সমালোচনা কৰে। বিশেষকৈ তেওঁ লিখে— "মঞ্চত দুগৰাকী মহিলা বিষয়াৰ উপস্থিতি মাথোঁ এক দৃশ্য। এয়া যদি বাস্তৱত প্ৰতিফলিত নহয়, তেন্তে সেয়া ভণ্ডামিৰ বাহিৰে আন একো নহয়।" তেওঁৰ এই পোষ্টৰ পিছত হাৰিয়ানা ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ ৰেণু ভাটিয়াই তেওঁলৈ চমন প্ৰেৰণ কৰে। তেওঁ অভিযোগ কৰে যে মাহমুদাবাদে ইচ্ছাকৃতভাৱে কৰ্নেল ছোফিয়া কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙৰ পেছাদাৰিত্বক তুচ্ছজ্ঞান কৰি সেনাবাহিনীত মহিলাৰ ভূমিকা সম্পৰ্কে অপমানজনক মন্তব্য কৰিছে। ভাটিয়াই কয়, "এয়া কেৱল মতামত প্ৰকাশ নহয়, এয়া এজন শিক্ষিত ব্যক্তিৰ জৰিয়তে জাতীয় ঐক্য ভংগ কৰাৰ প্ৰয়াস।" ইফালে, মাহমুদাবাদৰ গ্ৰেপ্তাৰৰ পিছত সমগ্ৰ ঘটনাৰ আঁৰত ৰাজনৈতিক উদ্দেশ্য আছে নেকি সেই লৈ বিভিন্ন মহলত প্ৰশ্ন উত্থাপন হৈছে। দেশৰ শিক্ষাবিদ আৰু বুদ্ধিজীৱীৰ এটা শ্ৰেণীৰ মতে, এয়া মত প্ৰকাশৰ স্বাধীনতা কাঢ়ি নিয়াৰ প্ৰয়াস। কিন্তু নিৰাপত্তা বিশ্লেষকসকলে কয় যে অপাৰেচন সেন্দুৰৰ পিছত ভাৰত-পাক উত্তেজনা পৰিস্থিতিত যদি বিশ্ববিদ্যালয়ৰ কোনো অধ্যাপকে সেনাবাহিনীৰ ভাবমূৰ্তি কলংকিত কৰিবলৈ চেষ্টা কৰে তেন্তে সেয়া দেশদ্ৰোহৰ শ্ৰেণীত পৰে। জানিব পৰা মতে, তদন্ত অব্যাহত আছে আৰু শোণিপট আদালতত শুনানিৰ পিছত আৰু অধিক পদক্ষেপ গ্ৰহণ কৰা হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পেট্ৰ'ল ডিপ'ৰ লীজক লৈ চৰম সংঘাত

কৰিবলৈ যোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাত উজনি অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাক্তন আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন হৈছে। দুলীয়াজানত অইলৰ মাটিত থকা পেট্ৰ'ল ডিপো কব্জা কৰিবলৈ যোৱাৰ অভিযোগক কেন্দ্ৰ কৰি হোৱা সংঘাতে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। শংকৰজ্যোতি বৰুৱা উপস্থিত হৈ দুটা পক্ষৰ সংঘাত হোৱাত শংকৰজ্যোতি বৰুৱাৰ খুব চৰ্চা হৈছে। কিন্তু শংকৰজ্যোতি বৰুৱাই তেনে কাণ্ডত জড়িত নহয় বুলি স্পষ্টীকৰণ দিছে। ঘটনাৰ বিষয়ে জানিব পৰা মতে, দুলীয়াজান আৰক্ষী থানাৰ গাতে লাগি থকা নয়ডাৰ বি এন সিং মালিকানাধীন ইণ্ডিয়ান অইলৰ পেট্ৰ'ল পাম্পটো অইলৰ মাটি লীজত লৈ ৰীতেশ সিঙে চলাই আছিল। পাম্পটোৰ স্বত্বাধিকাৰীয়ে কেইদিনমান পূৰ্বে হঠাতে জনৈক সাহি নামৰ এজন যুৱকক পেট্ৰ'ল পাম্পটো চলাবলৈ দিয়াত ৰীতেশ সিঙৰে সংঘাতৰ সূত্ৰপাত হয়। পৰিণতিত পেট্ৰ'ল পাম্পত ৰীতেশ সিঙৰ সমৰ্থনত আৰু সাহিৰ সমৰ্থনত একাংশ যুৱক উপস্থিত হৈ পৰিস্থিতি উত্তপ্ত কৰি তোলাৰ লগতে একাংশৰ মাজত হতাহতি পৰ্যন্ত হয়। অৱশ্যে দুলীয়াজান আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, স্বত্বাধিকাৰগৰাকীয়ে ৰীতেশ সিঙৰ বিৰুদ্ধে বিত্তীয় লেনদেনৰ অভিযোগ তুলি সাহি নামৰ যুৱকজনক ডিপটো চলাবলৈ দিছিল। বিত্তীয় লেনদেনত হোৱা খেলিমেলিৰ বাবে ৰীতেশ সিঙে স্বত্বাধিকাৰীক মূল্যৱান সম্পদ দি থোৱা বুলি কয়। ৰীতেশ সিঙক ডিপ'টো চলাবৰ বাবে ২০২৭ চনলৈকে থকা লীজৰ কাগজো প্ৰদৰ্শন কৰিছে। ইতিমধ্যে ৰীতেশ সিঙে এই সন্দৰ্ভত আদালতত গোচৰ তৰা বুলিও আৰক্ষীৰ সূত্ৰত প্ৰকাশ। অৱশ্যে কালিৰ ঘটনা সন্দৰ্ভত জনৈক সাহিয়ে দুলীয়াজান আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৮৯/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি ৰীতেশ সিং আৰু তেওঁৰ পিতৃক আটক কৰি ইতিমধ্যে জামিনত মুক্তি দিছে। ইফালে কালিৰ এই সংঘাতৰ সময়ত ঘটনাস্থলীত উপস্থিত হৈছিল আছুৰ প্ৰাক্তন সম্পাদক শংকৰজ্যোতি বৰুৱা। ইতিমধ্যে একাংশ মাধ্যমত ছাত্ৰ নেতাজনে পেট্ৰ'ল ডিপো কব্জাৰ চেষ্টা চলোৱা বুলি বাতৰি প্ৰকাশ পোৱাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে ছাত্ৰ নেতাজনে। তেওঁ কয়, মই ঘটনাৰ সময়ত উপস্থিত হোৱাটো সত্য। কিন্তু কোনো লোকক মাৰপিট কৰা বা উচতনি দিয়া নাছিলো। বৰঞ্চ ভিডিঅ' যদি কোনোবাই কৰিছিল প্ৰত্যক্ষ কৰিব মই দুয়োটা পক্ষকে কাজিয়াৰ পৰা আঁতৰাই অনাৰ চেষ্টাহে কৰিছিলোঁ। লগতে তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি কয়, দুলীয়াজানৰ মাজমজিয়াত থকা বি এন সিং পেট্ৰ'ল পাম্পটোৰ মালিক ৰাজ সিং উত্তৰ প্ৰদেশ নিবাসী। সকলোৱে সকলো ঠাইত মাটি কিনি ব্যৱসায় কৰাৰ অধিকাৰ আছে। যিহেতু আমাৰ আইএলপি নাই। কিন্তু উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে ব্যৱসায়ৰ বাবে পেট্ৰ'ল পাম্পটোৰ ঠাইখিনি বহু বছৰৰ পৰা লীজত দি থৈছে। আনহাতে তৈলনগৰীত স্থানীয় নিবনুৱাই বিভিন্ন ব্যৱসায় কৰিবৰ বাবে মাটিৰ অভাৱ। সেয়েহে ৰাজ সিঙক যি চুক্তিৰ আধাৰত মাটি অইলে লীজত দিছে সেই একে আধাৰতে আমাৰ নিবনুৱাসকলকো মাটি লীজত দিয়াৰ দিহা কৰিব লাগে। দুলীয়াজানৰ মাজমজিয়াত আৰু আশেপাশে বহু খালী মাটি এতিয়াও পৰি আছে। উক্ত মাটিসমূহ লীজত অইলে এতিয়া নিবনুৱাসকলক ব্যৱসায়ৰ বাবে প্ৰদান কৰিব লাগে বুলি দাবী উত্থাপন কৰে। লগতে জনৈক সাহি নামৰ বহিৰাগতৰ পক্ষত থকা এজন জনপ্ৰতিনিধিক হকে-বিহকে শংকৰজ্যোতি বৰুৱাৰ নাম সাঙুৰি নল'বলৈও সকীয়াই দিয়ে প্ৰাক্তন ছাত্ৰ নেতাগৰাকীয়ে। অৱশ্যে দুলীয়াজান আৰক্ষীয়েও ঘটনাত শংকৰজ্যোতি বৰুৱা জড়িত থকাৰ বা মাৰপিট কৰাৰ অভিযোগ লাভ কৰা নাই বুলি স্পষ্ট কৰি দিছে। মন কৰিবলগীয়া যে ডিপোটোৰ আশেপাশে থকা ভূমিক কেন্দ্ৰ কৰিও ইয়াৰ পূৰ্বে সিং পৰিয়ালত সংঘাতৰ সৃষ্টি হৈছিল। ইয়াৰ পিছতো অইল ইণ্ডিয়া লিমিটেডৰ সিং পৰিয়ালৰ প্ৰতি থকা দৰদক লৈ সৰ্বত্ৰ চৰ্চা লাভ কৰিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুলীবিদ্ধ হৈ কৰুণ মৃত্যু প্ৰণৱজ্যোতিৰ

বন্দুকৰ গুলী নুফুটাকৈ বেলি উদয় হয় বুলি কৈ পূৰ্বৰ চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লয়। বিজেপিৰ মতে, অসমত এতিয়া অস্ত্ৰৰ ঝনঝননি নাই আৰু অসম এতিয়া শান্তিৰ অসম। কিন্তু বিজেপি নেতাৰ এনে দাবীক ভেঙুচালি কৰি লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তত অস্ত্ৰৰ ঝনঝননি শুনা গৈছে। দুষ্কৃতিকাৰী ভয়মুক্ত হৈ হাতত অস্ত্ৰ লৈ মানুহক হত্যা কৰিবলৈ সাহস পাইছে। লখিমপুৰ জিলাৰ অসম-অৰুণাচলৰ সীমান্তৰ এজন যুৱকক গুলীয়াই হত্যা কৰাৰ ঘটনাই সমগ্ৰ সীমান্তৱৰ্তী এলেকাত আতংকিত হৈছে সাধাৰণ নাগৰিক। অসম-অৰুণাচলৰ সীমান্তৰ চেঁচা ৰাজগড়ত সংঘটিত এই ঘটনা সংঘটিত হৈছে। সীমান্তৱৰ্তী এলেকাৰ ধলপুৰ ডুবিয়াল চুকৰ প্ৰণৱজ্যোতি গগৈক দুষ্কৃতিকাৰীয়ে গুলীয়াই হত্যা কৰিছে। জি'ৰ পইণ্ট ফাইভ পিষ্টলেৰে গুলীয়াই হত্যা কৰে পুতুকণ কোঁৱৰ নামৰ এজন দুৰ্বৃত্তই। জানিব পৰা মতে, শিমলুগুৰি আৰক্ষী চকীৰ অন্তৰ্গত চেঁচা ৰাজগড়ৰ ৰঞ্জিত ৰাউতে ধলপুৰ ডুবিয়াল চুকৰ এগৰাকী মহিলাৰে বিবাহপাশত আবদ্ধ হৈছিল। বিয়াৰ পিছৰে পৰা ৰঞ্জিত ৰাউতে পত্নীক মাৰধৰ কৰি অহাৰ অভিযোগ উঠিছিল। যাৰ বাবে কিছুদিন পূৰ্বে পত্নীয়ে চেঁচা ৰাজগড়ৰ স্বামীগৃহ ত্যাগ কৰি ধলপুৰ ডুবিয়াল চুকৰ পিতৃগৃহলৈ আহে। ১৭ মে'ৰ নিশা তথা এদিন পূৰ্বে চেঁচা ৰাজগড়ৰ ৰঞ্জিত ৰাউতৰ ঘৰলৈ পত্নীৰ ফালৰ পৰা আপোচ মীমাংসা কৰিবলৈ আহিছিল ধলপুৰ ডুবিয়াল চুকৰ পুতুকণ কোঁৱৰ, নৃপেন কোঁৱৰ, প্ৰণৱজ্যোতি গগৈ আৰু এগৰাকী মহিলা। ৰঞ্জিত ৰাউতৰ গৃহত উপস্থিত হোৱাৰ পিছতে ধলপুৰ ডুবিয়াল চুকৰ লোকেকেইজন পইণ্ট ফাইভ পিষ্টল উলিয়াই গুলীচালনা কৰে পুতুকণ কোঁৱৰে। ধলপুৰ ডুবিয়াল চুকৰ একেলগে অহা পুতুকণ কোঁৱৰৰ পিষ্টলৰ গুলী প্ৰণৱজ্যোতি গগৈৰ বুকুত লাগে। লগে লগে ঢলি পৰে প্ৰণৱজ্যোতি। প্ৰণৱজ্যোতিৰ বুকুত গুলী লগাৰ পিছতেই শূন্যলৈ দুজাঁই গুলীচালনা কৰি পলায়ন কৰে পুতুকণ কোঁৱৰে। সন্দেহ কৰা মতে, ৰঞ্জিত ৰাউতক লক্ষ্য কৰি গুলীচালনা কৰিছিল পুতুকণে। কিন্তু ভুলবশতঃ প্ৰণৱজ্যোতি গগৈৰ গাত গুলী লাগে। ৰঞ্জিত ৰাউত, নৃপেন কোঁৱৰ আৰু মহিলগৰাকীক লখিমপুৰ আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে। পুতুকণ কোঁৱৰ বৰ্তমানেও পলাতক। এই ঘটনা অত্যধিক ৰহস্যজনক। কেনেকৈ পুতুকণ কোঁৱৰৰ দৰে লোকে পিষ্টল লগত ৰাখি ঘূৰা-ফুৰা কৰি আছে সেয়া চিন্তাৰ বিষয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউএছটিএমৰ উপাচাৰ্য জি ডি শৰ্মাৰ

জিলাৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জি ডি শৰ্মা। দেশত সামাজিক বিজ্ঞানৰ গৱেষণা আৰু নীতিৰ উন্নতিৰ বাবে সমৰ্পিত সংস্থা ৰাষ্ট্ৰীয় সামাজিক বিজ্ঞান একাডেমীৰ অধ্যক্ষ পদত বিপুল সমৰ্থন লাভ কৰি নিৰ্বাচিত হৈছে। সন্মানীয় পদত নিৰ্বাচিত জি ডি শৰ্মাৰ কৰ্মৰ প্ৰতি এয়া এক স্বীকৃতি ৰূপে বিবেচিত হৈছে। পূৰ্বে এছ'চিয়েচন অৱ ইণ্ডিয়া ইউনিৰ্ভাচিটিছ চমুকৈ এআইইউৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰা জি ডি শৰ্মাই উচ্চ শিক্ষা আৰু সামাজিক বিজ্ঞানৰ ক্ষেত্ৰত শৈক্ষিক উৎকৰ্ষতা সাধনৰ হকে কাম কৰা আহিছে। প্ৰায় চাৰিটা দশক ধৰি সাধনাৰ অন্তত অভিজ্ঞতা পুষ্ট শৰ্মাই ছাত্ৰৰ ভৱিষ্যৎ গঢ়িবলৈ শৈক্ষিক আৰু গৱেষণাক লৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। জি ডি শৰ্মা সামাজিক বিজ্ঞানৰ জ্যেষ্ঠ গৱেষক আৰু শিক্ষাবিদ। শৰ্মাৰ তত্ত্বাৱধানত ইউএছটিএমে ভাৰতীয় শিক্ষা ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই পদত নিৰ্বাচিত হৈ জি ডি শৰ্মাই কয় যে ৰাষ্ট্ৰীয় সামাজিক বিজ্ঞান একাডেমীৰ সভাপতি হিচাপে সেৱা আগবঢ়োৱাটো এক ডাঙৰ সন্মানৰ বিষয়। গৱেষণা শক্তিশালী কৰা, উদ্ভাৱন কঢ়িয়াই অনাৰ বাবে মই সমগ্ৰ দেশৰ পণ্ডিত আৰু প্ৰতিষ্ঠানসমূহৰ সৈতে কাম কৰাৰ বাবে আশাবাদী। সামাজিক বিজ্ঞানৰ ক্ষেত্ৰত ইউএছটিএমৰ অৱদানক ৰাষ্ট্ৰীয় পৰিসৰত অধিক দৃঢ়তা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। এই সন্দৰ্ভত ইউএছটিএমৰ আচাৰ্য মহবুবুল হকে শৰ্মাক অভিনন্দন জ্ঞাপন কৰিছে। হকে কয় যে এই খবৰ সমগ্ৰ বিশ্ববিদ্যালয় পৰিয়ালক গৰ্বিত কৰিছে। অধ্যাপক শৰ্মাৰ নেতৃত্বত একাডেমী অধিক গৱেষণা আৰু নীতিগত বিকাশৰ দিশত আগবাঢ়িব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পত্নীক এৰি যুৱকৰ প্ৰেয়সীক লৈ চিপজৰী

কৰিছে। গহপুৰৰ কুকুৰজান গাঁৱৰ হেমন্ত মহানন্দ নামৰ এজন যুৱক আৰু তেওঁৰ প্ৰাক্তন প্ৰেমিকাৰ মৃতদেহ একে ঠাইতে উদ্ধাৰ হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। একেলগে আত্মহত্যাৰ দৰে এক চূড়ান্ত সিদ্ধান্ত লোৱাৰ সন্দেহ কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি হেমন্ত মহানন্দই চেঙাই গাঁৱৰ এগৰাকী যুৱতীৰ সৈতে দীৰ্ঘদিন ধৰি প্ৰেমৰ সম্পৰ্ক আছিল। যদিও এই সম্পৰ্ক চলি থকা অৱস্থাতেই এসপ্তাহ পূৰ্বে তেওঁ নগাঁৱৰ মিছা বাগানৰ এগৰাকী আন যুৱতীক বিয়া কৰায়। বিয়াৰ পিছতে মহানন্দ আৰু তেওঁৰ প্ৰাক্তন প্ৰেমিকাৰ সৈতে থকা সম্পৰ্কক লৈ নতুন মোৰ লয়। কালি নিশা, হেমন্ত মহানন্দই প্ৰাক্তন প্ৰেমিকাৰ ঘৰলৈ যায়। তাৰ পিছতেই দুয়ো নিশা অন্তৰ্ধান হয়। কিন্তু সকলোকে আচৰিত কৰি আজি পুৱা গহপুৰ খণ্ড বিষয়া কাৰ্যালয়ৰ কাষত বগৰী গছত পথচাৰীয়ে দুয়োকে চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে। খবৰ পোৱাৰ লগে লগে গহপুৰ আৰক্ষী আৰু কাৰ্যবাহী দণ্ডাধীশ মনীষ ভড়ালী ঘটনাস্থলীত উপস্থিত হয়। দুয়োৰে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বিহালী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে যে সমাজৰ বাধা, অপূৰ্ণ ভালপোৱা আৰু বিয়াৰ পিছত হঠাৎ হোৱা মানসিক সংঘাতৰ বাবে দুয়োজনে এই চূড়ান্ত সিদ্ধান্ত বাছি লৈছে। যদিও ঘটনাৰ মূল কাৰণ সম্পূৰ্ণ ৰূপে আৰক্ষীৰ তদন্তৰ পিছতহে প্ৰকাশ পাব বুলি জানিব পৰা গৈছে। এই ঘটনাই অঞ্চলজুৰি এক বিষাদৰ পৰিৱেশ সৃষ্টি কৰিছে। ৰাইজে দুখ প্ৰকাশ কৰাৰ লগতে যুৱপ্ৰজন্মক সচেতন হোৱাৰ আহ্বান জনাইছে। প্ৰেম-ভালপোৱা বা জীৱনৰ সংকটৰ সময়ত জীৱন শেষ কৰাতকৈ সঠিক সিদ্ধান্ত ল'বৰ বাবে পৰিপক্ক হ'ব লাগে বুলি কয় একাংশ লোকে। আৰক্ষীয়ে ঘটনাক বিশেষ গুৰুত্ব দি তদন্ত আৰম্ভ কৰিছে। ঘটনাৰ অন্য কোনো কাৰণ থাকিব পাৰে। সেয়া উদ্ধাৰ কৰিবলৈ পূৰ্ণ প্ৰচেষ্টা চলাইছে আৰক্ষীয়ে।

# আৰাধনা গ্ৰাম্য সংগঠনৰ উদ্যোগত অভিনন্দন অনুষ্ঠান

**ই-সংবাদ, মৰিয়নি, ১৮ মে':** যোৰহাট জিলাৰ পূব যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বাইলুং ৰাজহ গাঁও এলেকাৰ আৰাধনা গ্ৰাম্য সংগঠনৰ উদ্যোগত আজিৰে দিনা পূব লাহিং গাঁও পঞ্চায়তৰ তৃপ্তিময়ী কোঁৱৰ সোঁৱৰণী ৰঙ্গত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্বৰ সৈতে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ সভাপতিত্ব কৰে সমাজসেৱক স্বৰ্ণ ফুকনে। সংগঠনটোৰ সম্পাদিকা চিত্ৰলেখা গগৈয়ে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি উদ্বোধনী ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জীৱিকা সখী ৰিমা গগৈ, পশু সখী মল্লিকা তামুলী, কৃষি সখী মৃদুস্মিতা তামুলী, জীৱিকা সখী অজন্তা দুৱৰা, বীমা সখী প্ৰতিভা কলিতা, উদ্যোগী সখী ডিম্পী ফুকন আৰু বহু গণ্যমান্য ব্যক্তি, অভিভাৱকসকল। উক্ত অনুষ্ঠানত অঞ্চলটোৰ পৰা এইবাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ২৫ জন কৃতী ছাত্ৰ-ছাত্ৰীক প্ৰশংসাপত্ৰ আৰু উপহাৰৰ জৰিয়তে অভিনন্দন জনোৱা হয়। এই প্ৰয়াসে অঞ্চলটোৰ শিক্ষামূলক উন্নয়ন আৰু নতুন প্ৰজন্মৰ উৎসাহ বঢ়োৱাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাকাৰ হোৱাৰ দিশে এডভাণ্টেজ আছাম

উদ্যোগত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী আৰু উদ্যোগ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ উপস্থিতিত এডভাণ্টেজ আছাম ২.০ ৰ উদ্যোগত অনুষ্ঠিত বিশেষ বিনিয়োগ অনুষ্ঠানত অসম চৰকাৰ আৰু উদ্যোগ প্ৰতিষ্ঠানৰ মাজত বুজাবুজি চুক্তি সম্পন্ন কৰা হয়। বিনিয়োগ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ উপস্থিতিত ২০ খনতকৈ অধিক বুজাবুজি চুক্তি সম্পন্ন কৰা হয়। ২৩ হাজাৰ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ এই চুক্তি স্বাক্ষৰ কৰাৰ লগতে চৰকাৰ আৰু উদ্যোগীক সংস্থাসমূহ সাজু হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এয়া বিনিয়োগ আৰু উন্নয়নৰ নতুন যুগৰ আৰম্ভণি বুলি অভিহিত কৰি অসমৰ উদ্যোগিক ক্ষেত্ৰখনক আগুৱাই নিবলৈ ৰাজ্য চৰকাৰে দৃঢ় সংকল্প গ্ৰহণ কৰিছে বুলি দোহাৰে। অসমৰ উদ্যোগিক ক্ষেত্ৰৰ বিকাশৰ বাবে আজিৰ চুক্তিসমূহ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে এডভাণ্টেজ আছাম ২.০ৰ উদ্যোগৰ অধীনত ২৩ হাজাৰ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ কাৰ্যকৰী হ'বলৈ আগবাঢ়িছে। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যজুৰি প্ৰায় ৬ হাজাৰ নিযুক্তি সৃষ্টি হ'ব। মুখ্যমন্ত্ৰীয়ে স্পষ্টকৈ কয় যে অসমত এতিয়া শান্তি আহিছে।

ঔদ্যোগিক বিনিয়োগৰ বাবে এক অনুকূল পৰিবেশ গঢ়ি উঠিছে। এতিয়ালৈকে আমি ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰিছো। ৰিং ৰোড আৰু নাৰেংগী-কুৰুৱা দলঙৰ কথা উল্লেখ কৰি ৭,৮০০ কোটি টকা বিনিয়োগ হ'ব বুলি কয়। ৮ ছেপ্টেম্বৰত ৰিং ৰোড আৰু নাৰেংগী-কুৰুৱা দলঙৰ আধাৰশিলা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থাপন কৰিব বুলি জানিবলৈ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰিসভাই গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ হাইৱে' প্ৰকল্পক অনুমোদন প্ৰদান কৰিছে। যাৰ আনুমানিক ব্যয় ২৩ হাজাৰ কোটি। ইয়াৰ দ্বাৰা অসমৰ যোগাযোগ ব্যৱস্থা আৰু উন্নয়ন লক্ষ্যত উল্লেখযোগ্য সহায় আগবঢ়াব বুলি দাবী কৰিছে মুখ্যমন্ত্ৰীয়ে। আজি ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, ইতিমধ্যে ২,৮০০ কোটি ব্যয়ৰে ইথানল আৰু চিমেণ্ট উৎপাদন প্ৰকল্প ৩ টাৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। আজি স্বাক্ষৰিত বহু প্ৰকল্প এই বছৰ শেষৰ ফালে কাৰ্যকৰী হ'ব। আমুলৰ দ্বিতীয় ইউনিটৰ বাবে বিশ্বনাথত স্থান নিৰ্ধাৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কামৰূপৰ বাহিৰেও বিনিয়োগ বিস্তাৰ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অসমৰ প্ৰায় ২০ লাখ যুৱক-যুৱতী বাহিৰৰ ৰাজ্যত কৰ্মৰত হৈ থকাত দুখ প্ৰকাশ কৰি কয় যে তেওঁলোকে ৬-৭ হাজাৰ টকাত কাম কৰি আছে।

যদি কোনোৱে বাহিৰত ২ লাখ উপাৰ্জন কৰে তেন্তে সেয়া বুজাত ভাল। কিন্তু সামান্য দৰমহাত কাম কৰিবলৈ বাহিৰলৈ যাবলগীয়া হোৱাটো সময় অতিবাহিত কৰি থকাৰ দৰে হয়। আমি অসমতেই অধিক সম্ভাৱনা সৃষ্টি কৰিম। অসম পূৰ্বে উদ্যোগিক লগতিয়াল পৰিবেশ আছিল। এতিয়া উন্নয়নৰ এক নতুন দিশত অগ্ৰসৰ হৈছে। এই গতি দুই-তিনি বছৰ ধৰি আগবঢ়াই নিয়া হৈছে। নতুন অসম গঢ়ি তুলিব পাৰিম। জানিব পৰা মতে, আজি হিন্দুজা এনাৰ্জীৰ সৈতে ১৪ হাজাৰ কোটি, নিপকোৰ সৈতে ২,৪০০ কোটি, মেগা শ্ৰী চিমেণ্টৰ সৈতে ৮৫৯ কোটি, মেগা টপ ইনফ্ৰাৰ সৈতে ৮৫৯.২ কোটি, অমৰিত চিমেণ্টৰ সৈতে ৬১৭ কোটি, মেক্স চিমেণ্টৰ সৈতে ৫১২.৯১ কোটি, এছজিভিএন এনাৰ্জীৰ সৈতে ৯৫০ কোটি, অ'টিপিচিৰ সৈতে ৫০০ কোটি, ডাউন-টাউন হাস্পতাল ১২৯.৭২ কোটি, জোনালী কনষ্ট্ৰাকচন ৩৩৫ কোটি, কামাখ্যা বায়ুফুৱেলছৰ সৈতে ৩৪৬ কোটি, ব্ৰহ্মপুত্ৰ ব্ৰেৱেৰিছৰ সৈতে ১৬২ কোটি, আধাৰ গ্ৰীনৰ সৈতে ১৪২ কোটি, গুলচন পলিয়লছৰ সৈতে ২০০ কোটি, চিয়েছ বায়'টেকৰ সৈতে ১৫৭ কোটি, ইণ্ডিয়ানা হোটেলৰ সৈতে ১৭৫ কোটি, আমূল ছেটেলাইট ডেইৰীৰে ৭৫ কোটিৰ চুক্তি সম্পন্ন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰিত্ৰক লৈ বিস্ফোৰক দাবী অখিল গগৈৰ

কৰিছে। আজি সংবাদ মাধ্যমৰ লোকৰ সৈতে মুখামুখি হৈ পৰিত্ৰ মাৰ্ঘেৰিটাৰ কথাবিলাকক মই ইমান গুৰুত্ব নিদিওঁ। অখিল গগৈয়ে পৰিত্ৰ মাৰ্ঘেৰিটাক ভিচিডি চিত্ৰনাট্য কৰি থকা মানুহ আছিল আৰু জুবিন গাৰ্গৰ মেনেজাৰ আছিল বুলি কয়। অখিল গগৈয়ে বিজেপি দলত কোনো আহোম নেতা নাই যে উপায় নাপায় মানুহে পুখুৰীত পৰিলে যেনেকৈ কুটাডালত ধৰে তেনেকৈ পৰিত্ৰ মাৰ্ঘেৰিটাক বিজেপিয়ে লৈছে। বিজেপিক মানুহে বৰ্ণবাদী, অকল ব্ৰাহ্মণৰ কাৰণে কথা কয় বুলি সমালোচনা হোৱাত পৰিত্ৰক অকণমান আনিবলৈ চেষ্টা কৰে। অখিল গগৈয়ে কয় যে পৰিত্ৰই হিমন্ত বিশ্ব শৰ্মাৰ অলপ মৰম পাইছে। সকলোৱে জানে পৰিত্ৰ মাৰ্ঘেৰিটাক ভাল পাই বিজেপিলৈ অনা নাই। সকলোৱে জানে হিমন্ত বিশ্ব শৰ্মা এজন সাম্প্ৰদায়িক আৰু বৰ্ণবাদী মানুহ।

পৰিত্ৰ মাৰ্ঘেৰিটাক ভাল পাই অনা নাই। যদি হিমন্ত বিশ্ব শৰ্মাক বেছিকৈ ব্ৰাহ্মণ বুলি সমালোচনা হয় তেতিয়াহ'লে পৰিত্ৰ মাৰ্ঘেৰিটাক দেখুৱাই দিব। পৰিত্ৰ মাৰ্ঘেৰিটাৰ মাল নাই। মাল নথকা মানুহকে মাল থকা বুলি দেখুৱাব খুজিছে। চৰকাৰ থাকিলে সৰু মানুহকো ডাঙৰ বুলি দেখুৱাই দিব পাৰে। এতিয়া মানুহে কৈ থাকে পৰিত্ৰ মাৰ্ঘেৰিটা কেন্দ্ৰীয় মন্ত্ৰী হৈ গ'ল। কিন্তু কেন্দ্ৰৰ ৰাজ্যিক মন্ত্ৰীয়ে কেতিয়াও ফাইল চুবলৈ নাপায়। কিছুমান ৰাজ্যিক মন্ত্ৰী আছে নিজৰ বিভাগৰ কেবিনেট মন্ত্ৰীজনৰ নামো নাজানে। পৰিত্ৰ ককাইদেৱে জানিব। তেওঁ টেঙৰ আৰু সিয়ান আছে। গৈছে ক'লৈ ফিজিলৈ। অসমীয়া মানুহে নাজানে আন্তঃৰাষ্ট্ৰীয় ষ্টেণ্ডাৰ্ড কি? য'ত কোনো এজন কেবিনেট মন্ত্ৰীৰ সময় নাথাকে তাত পৰিত্ৰ মাৰ্ঘেৰিটাক পঠিয়াই দিয়ে। তাত গৈ অসমীয়া গামোচা এখন পিন্ধাই দিয়ে তাকে দেখি

অসমীয়া মানুহে জাঁপ মাৰি থাকে বুলি কয় অখিল গগৈয়ে। আনহাতে, গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে পাক সংযোগক লৈ আক্ৰমণাত্মক হৈ থকাৰ সময়তে আজি পুনৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে সাংসদ গৌৰৱ গগৈৰ গাৰ নোম এডালো লৰাব নোৱাৰে বুলি দাবী কৰিছে। গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্ক আৰু সাংসদগৰাকীৰ দুই সন্তানৰ নাগৰিকত্বক লৈ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই কৰি অহা ধাৰাবাহিক আক্ৰমণৰ বিপৰীতে গৌৰৱ গগৈৰ পক্ষত থিয় দি অখিল গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে গাৰ নোম এডালো লৰাব নোৱাৰে সাংসদ গৌৰৱ গগৈৰ। প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে ভূপেন বৰাই সভাপতি পদত বাহাল থকাটো কামনা কৰি অখিল গগৈয়ে কয় যে গৌৰৱ গগৈ হ'ব লাগে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী।

# শতিকা গৰকা গোবৰ্ধনা শংকৰ মাধৱ শাখা সত্ৰৰ আন্তঃগাঁথনিৰ বাবে বিধায়ক ফণী, ইএম গৌতমৰ ৯ লাখ

**ই-সংবাদ, বৰপেটাৰোড, ১৮ মে':** ১৯০৬ চনতেই স্থাপন হোৱা শতিকা গৰকা গোবৰ্ধনা শংকৰ মাধৱ শাখা সত্ৰখন ২০০৪ চনৰ পৰাই বেকী নদীৰ খহনীয়াই ভাবুকি কঢ়িয়াই আনিছিল। বেকী নদীয়ে উক্ত অঞ্চলৰ গোবৰ্ধনা গাঁৱৰ কেইবাশতাধিক অসমীয় পৰিয়ালৰ ঘৰ দুৱাৰ খেতি-পথাৰ নদীৰ বুকুত জাহ গৈছিল। পৰৱৰ্তী সময়ত মন্ত্ৰী পীযুজ হাজৰিকা, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, আৰু বিটিআৰৰ ই এম গৌতম দাসৰ তৎপৰতাত জিঅ' বেগৰ আৰচিচি বান্ধ দিয়াৰ ফলত ১২০ বছৰীয়া গোবৰ্ধনা শংকৰ মাধৱ শাখা সত্ৰখন বিপদমুক্ত হৈছিল। সত্ৰখন বিপদমুক্ত হৈছিল যদিও অন্তঃগাঁথনিৰ ক্ষেত্ৰত বহু অভাৱ-অভিযোগ আছিল ৰাইজৰ আজি ভৱনীপুৰ সমষ্টিৰ বিধায়ক ফণী তালুকদাৰে বিধায়ক পুঁজিৰ পৰা ৫ লাখ আৰু বিটিআৰৰ ই এম গৌতম দাসে ৪ লাখ টকা প্ৰদান কৰে। শাখা সত্ৰ খনৰ বাউণ্ডেৰী ৱাল নিৰ্মাণৰ বাবে মুঠ ৯ লাখ টকা প্ৰদান কৰে বিধায়ক ফণী তালুকদাৰ আৰু বিটিআৰৰ ই এম গৌতম দাসে। পৰৱৰ্তী সময়ত শাখা সত্ৰ খনৰ বাবে এটা জিৰণি ঘৰ স্থাপন কৰাৰ বাবে আশ্বাস দিয়ে গোবৰ্ধনাবাসী ৰাইজক। ইয়াকে লৈ স্থানীয় ৰাইজে সন্তুষ্টি ব্যক্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাকাৰ হোৱাৰ দিশে এডভাণ্টেজ আছাম

উদ্যোগত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী আৰু উদ্যোগ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ উপস্থিতিত এডভাণ্টেজ আছাম ২.০ ৰ উদ্যোগত অনুষ্ঠিত বিশেষ বিনিয়োগ অনুষ্ঠানত অসম চৰকাৰ আৰু উদ্যোগ প্ৰতিষ্ঠানৰ মাজত বুজাবুজি চুক্তি সম্পন্ন কৰা হয়। বিনিয়োগ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ উপস্থিতিত ২০ খনতকৈ অধিক বুজাবুজি চুক্তি সম্পন্ন কৰা হয়। ২৩ হাজাৰ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ এই চুক্তি স্বাক্ষৰ কৰাৰ লগতে চৰকাৰ আৰু উদ্যোগীক সংস্থাসমূহ সাজু হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এয়া বিনিয়োগ আৰু উন্নয়নৰ নতুন যুগৰ আৰম্ভণি বুলি অভিহিত কৰি অসমৰ উদ্যোগিক ক্ষেত্ৰখনক আগুৱাই নিবলৈ ৰাজ্য চৰকাৰে দৃঢ় সংকল্প গ্ৰহণ কৰিছে বুলি দোহাৰে। অসমৰ উদ্যোগিক ক্ষেত্ৰৰ বিকাশৰ বাবে আজিৰ চুক্তিসমূহ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে এডভাণ্টেজ আছাম ২.০ৰ উদ্যোগৰ অধীনত ২৩ হাজাৰ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ কাৰ্যকৰী হ'বলৈ আগবাঢ়িছে। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যজুৰি প্ৰায় ৬ হাজাৰ নিযুক্তি সৃষ্টি হ'ব। মুখ্যমন্ত্ৰীয়ে স্পষ্টকৈ কয় যে অসমত এতিয়া শান্তি আহিছে। ঔদ্যোগিক বিনিয়োগৰ বাবে এক অনুকূল পৰিবেশ গঢ়ি উঠিছে। এতিয়ালৈকে আমি ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰিছো। ৰিং ৰোড আৰু নাৰেংগী-কুৰুৱা দলঙৰ কথা উল্লেখ কৰি ৭,৮০০ কোটি টকা বিনিয়োগ হ'ব বুলি কয়। ৮ ছেপ্টেম্বৰত ৰিং ৰোড আৰু নাৰেংগী-কুৰুৱা দলঙৰ আধাৰশিলা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থাপন কৰিব বুলি জানিবলৈ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰিসভাই গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ হাইৱে' প্ৰকল্পক অনুমোদন প্ৰদান কৰিছে। যাৰ আনুমানিক ব্যয় ২৩ হাজাৰ কোটি। ইয়াৰ দ্বাৰা অসমৰ যোগাযোগ ব্যৱস্থা আৰু উন্নয়ন লক্ষ্যত উল্লেখযোগ্য সহায় আগবঢ়াব বুলি দাবী কৰিছে মুখ্যমন্ত্ৰীয়ে। আজি ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, ইতিমধ্যে ২,৮০০ কোটি ব্যয়েৰে ইথানল আৰু চিমেণ্ট উৎপাদন প্ৰকল্প ৩ টাৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। আজি স্বাক্ষৰিত বহু প্ৰকল্প এই বছৰ শেষৰ ফালে কাৰ্যকৰী হ'ব। আমুলৰ দ্বিতীয় ইউনিটৰ বাবে বিশ্বনাথত স্থান নিৰ্ধাৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কামৰূপৰ বাহিৰেও বিনিয়োগ বিস্তাৰ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অসমৰ প্ৰায় ২০ লাখ যুৱক-যুৱতী বাহিৰৰ ৰাজ্যত কৰ্মৰত হৈ থকাত দুখ প্ৰকাশ কৰি কয় যে তেওঁলোকে ৬-৭ হাজাৰ টকাত কাম কৰি আছে। যদি কোনোৱে বাহিৰত ২ লাখ উপাৰ্জন কৰে তেন্তে সেয়া বুজাত ভাল। কিন্তু সামান্য দৰমহাত কাম কৰিবলৈ বাহিৰলৈ যাবলগীয়া হোৱাটো সময় অতিবাহিত কৰি থকাৰ দৰে হয়। আমি অসমতেই অধিক সম্ভাৱনা সৃষ্টি কৰিম। অসম পূৰ্বে উদ্যোগিক লগতিয়াল পৰিবেশ আছিল। এতিয়া উন্নয়নৰ এক নতুন দিশত অগ্ৰসৰ হৈছে। এই গতি দুই-তিনি বছৰ ধৰি আগবঢ়াই নিয়া হৈছে। নতুন অসম গঢ়ি তুলিব পাৰিম। জানিব পৰা মতে, আজি হিন্দুজা এনাৰ্জীৰ সৈতে ১৪ হাজাৰ কোটি, নিপকোৰ সৈতে ২,৪০০ কোটি, মেগা শ্ৰী চিমেণ্টৰ সৈতে ৮৫৯ কোটি, মেগা টপ ইনফ্ৰাৰ সৈতে ৮৫৯.২ কোটি, অমৰিত চিমেণ্টৰ সৈতে ৬১৭ কোটি, মেক্স চিমেণ্টৰ সৈতে ৫১২.৯১ কোটি, এছজিভিএন এনাৰ্জীৰ সৈতে ৯৫০ কোটি, অ'টিপিচিৰ সৈতে ৫০০ কোটি, ডাউন-টাউন হাস্পতাল ১২৯.৭২ কোটি, জোনালী কনষ্ট্ৰাকচন ৩৩৫ কোটি, কামাখ্যা বায়ুফুৱেলছৰ সৈতে ৩৪৬ কোটি, ব্ৰহ্মপুত্ৰ ব্ৰেৱেৰিছৰ সৈতে ১৬২ কোটি, আধাৰ গ্ৰীনৰ সৈতে ১৪২ কোটি, গুলচন পলিয়লছৰ সৈতে ২০০ কোটি, চিয়েছ বায়'টেকৰ সৈতে ১৫৭ কোটি, ইণ্ডিয়ানা হোটলৰ সৈতে ১৭৫ কোটি, আমূল ছেটেলাইট ডেইৰীৰে ৭৫ কোটিৰ চুক্তি সম্পন্ন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৱিত্ৰক লৈ বিস্ফোৰক দাবী অখিল গগৈৰ

কৰিছে। আজি সংবাদ মাধ্যমৰ লোকৰ সৈতে মুখামুখি হৈ পৱিত্ৰ মাৰ্ঘেৰিটাৰ কথাবিলাকক মই ইমান গুৰুত্ব নিদিওঁ। অখিল গগৈয়ে পৱিত্ৰ মাৰ্ঘেৰিটাক ভিচিডি চিত্ৰনাট্য কৰি থকা মানুহ আছিল আৰু জুবিন গাৰ্গৰ মেনেজাৰ আছিল বুলি কয়। অখিল গগৈয়ে বিজেপি দলত কোনো আহোম নেতা নাই যে উপায় নাপায় মানুহে পুখুৰীত পৰিলে যেনেকৈ কুটাডালত ধৰে তেনেকৈ পৱিত্ৰ মাৰ্ঘেৰিটাক বিজেপিয়ে লৈছে। বিজেপিক মানুহে বৰ্ণবাদী, অকল ব্ৰাহ্মণৰ কাৰণে কথা কয় বুলি সমালোচনা হোৱাত পৱিত্ৰক অকণমান আনিবলৈ চেষ্টা কৰে। অখিল গগৈয়ে কয় যে পৱিত্ৰই হিমন্ত বিশ্ব শৰ্মাৰ অলপ মৰম পাইছে। সকলোৱে জানে পৱিত্ৰ মাৰ্ঘেৰিটাক ভাল পাই বিজেপিলৈ অনা নাই। সকলোৱে জানে হিমন্ত বিশ্ব শৰ্মা এজন সাম্প্ৰদায়িক আৰু বৰ্ণবাদী মানুহ। পৱিত্ৰ মাৰ্ঘেৰিটাক ভাল পাই অনা নাই। যদি হিমন্ত বিশ্ব শৰ্মাক বেছিকৈ ব্ৰাহ্মণ বুলি সমালোচনা হয় তেতিয়াহ'লে পৱিত্ৰ মাৰ্ঘেৰিটাক দেখুৱাই দিব। পৱিত্ৰ মাৰ্ঘেৰিটাৰ মাল নাই। মাল নথকা মানুহকে মাল থকা বুলি দেখুৱাব খুজিছে। চৰকাৰ থাকিলে সৰু মানুহকো ডাঙৰ বুলি দেখুৱাই দিব পাৰে। এতিয়া মানুহে কৈ থাকে পৱিত্ৰ মাৰ্ঘেৰিটা কেন্দ্ৰীয় মন্ত্ৰী হৈ গ'ল। কিন্তু কেন্দ্ৰৰ ৰাজ্যিক মন্ত্ৰীয়ে কেতিয়াও ফাইল চুবলৈ নাপায়। কিছুমান ৰাজ্যিক মন্ত্ৰী আছে নিজৰ বিভাগৰ কেবিনেট মন্ত্ৰীজনৰ নামো নাজানে। পৱিত্ৰ ককাইদেৱে জানিব। তেওঁ টেঙৰ আৰু সিয়ান আছে। গৈছে ক'লৈ ফিজিলৈ। অসমীয়া মানুহে নাজানে আন্তঃৰাষ্ট্ৰীয় ষ্টেণ্ডাৰ্ড কি? য'ত কোনো এজন কেবিনেট মন্ত্ৰীৰ সময় নাথাকে তাত পৱিত্ৰ মাৰ্ঘেৰিটাক পঠিয়াই দিয়ে। তাত গৈ অসমীয়া গামোচা এখন পিন্ধাই দিয়ে তাকে দেখি অসমীয়া মানুহে জাঁপ মাৰি থাকে বুলি কয় অখিল গগৈয়ে। আনহাতে, গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে পাক সংযোগক লৈ আক্ৰমণাত্মক হৈ থকাৰ সময়তে আজি পুনৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে সাংসদ গৌৰৱ গগৈৰ গাৰ নোম এডালো লৰাব নোৱাৰে বুলি দাবী কৰিছে। গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্ক আৰু সাংসদগৰাকীৰ দুই সন্তানৰ নাগৰিকত্বক লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰি অহা ধাৰাবাহিক আক্ৰমণৰ বিপৰীতে গৌৰৱ গগৈৰ পক্ষত থিয় দি অখিল গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে গাৰ নোম এডালো লৰাব নোৱাৰে সাংসদ গৌৰৱ গগৈৰ। প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে ভূপেন বৰাই সভাপতি পদত বাহাল থকাটো কামনা কৰি অখিল গগৈয়ে কয় যে গৌৰৱ গগৈ হ'ব লাগে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী।

# অভয়াপুৰীত দুৰ্ঘটনাগ্ৰস্ত আলুভৰ্তি ট্ৰাকত কুৰিটাকৈ গৰু

**ই-সংবাদ, অভয়াপুৰী, ১৮ মে':** বঙাইগাঁও জিলাৰ মাজেৰে চোৰাং গৰুৰ সৰবৰাহেৰে ৰাজ্যত গৰুৰ বজাৰখন ৰমৰমীয়াকৈ চলি থকা বুলি চৰ্চা চলি থকাৰ সময়তে জিলাখনৰ অভয়াপুৰীত চোৰাং গৰু কঢ়িয়াই অনা ট্ৰাক এখন দুৰ্ঘটনাত পতিত তিনিটাকৈ গৰুৰ থিতাতে মৃত্যু হয়। জানিব পৰা মতে, পশ্চিমবংগৰ পৰা অহা এছ ১৭ চি-৫৮০২ নম্বৰৰ ট্ৰাক এখন বঙাইগাঁও জিলাৰ মাজেৰে গোৱালপাৰা জিলাৰ দুধনৈ অভিমুখে গৈ আছিল। ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে আহি থকা অৱস্থাত আজি পুৱা ৫.৪৫ মান বজাত দুৰ্ঘটনাত পতিত হয় হয় ট্ৰাকখন। ট্ৰাকখন বাগৰি পৰাৰ শব্দ শুনাৰ লগে-লগে স্থানীয় লোক ঘটনাস্থলীত উপস্থিত হয়। ট্ৰাকখনত আলু আৰু ২০ টা গৰু আছিল বুলি জানিব পৰা গৈছে। ইয়াৰে ৩ টা গৰু দুৰ্ঘটনাত থিতাতে মৃত্যু হয় । প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে ট্ৰাকৰ চাৰিওপিনে আবৃত কৰি মাজত ঠেং বান্ধি ২০ টাকৈ গৰু কঢ়িয়াই লৈ আহিছিল। উল্লেখ্য যে বঙাইগাঁও জিলাৰ বিভিন্ন গ্ৰাম্য পথ, জলপথ বিশেষকৈ ব্ৰহ্মপুত্ৰৰে চোৰাং গৰুৰ সৰবৰাহ দীৰ্ঘদিন ধৰি চলি আহিছে। জানিব পৰা মতে, কিছুসংখ্যক চোৰাং গৰু গ্ৰাম্য পথেৰে ব্ৰহ্মপুত্ৰৰ পাৰলৈ নিয়া হয়। তাৰ পিছত ভটভটী নাৱেৰে বৰপেটা জিলাৰ বাঘবৰ আদি বজাৰলৈ নিয়াৰ পিছত মেঘালয় আনকি বাংলাদেশলৈ নিয়া হয়। বুধবৰীয়া আৰু দেওবৰীয়া বজাৰক লক্ষ্য কৰি উক্ত দিনবোৰৰ পুৱাৰ ভাগতে সৰু সৰু বাহনত সৰবৰাহ হৈ আহিছে গো-ধনবো। তেনেদৰে বইটামাৰী অঞ্চলৰ পৰাও কিছুসংখ্যক গো-ধন ঔড়ুবী অঞ্চললৈ অনাৰ পাছত ব্ৰহ্মপুত্ৰ নৈৰে জলেশ্বৰ চুনাৰী অঞ্চললৈ চোৰাংকৈ গোধন সৰবৰাহ বুলিও জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বটদ্ৰৱা থানৰ বিতৰ্ক, উচ্চতম ন্যায়ালয়ৰ

প্ৰদান কৰি উচ্চতম ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ৰায়দান কৰিছে। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে বটদ্ৰৱা থানৰ এক গোচৰৰ ভিত্তিত বিগত ২৫ এপ্ৰিলত এক ৰায়দান কৰিছিল। উক্ত ৰায়দানত বিগত বৰ্ষৰ ৯ জুনত ৰাইজ, ভকত-বৈষ্ণৱে পাতি দিয়া তদৰ্থ থান পৰিচালনা সমিতিলৈ থান পৰিচালনাৰ দ্বায়িত্বভাৰ অৰ্পণ কৰিছিল আদালতে। কিন্তু তাৰ পিছতো ন্যায়ালয়ৰ নিৰ্দেশনাক অৱমাননা কৰি তদৰ্থ সমিতিৰ হাতত থান পৰিচালনা সমিতিৰ কাৰ্যালয়ৰ চাবি-কাঠী, নথি-পত্ৰ চমজাই নিদি (উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিপৰীতে) উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল ৰাইজে ভংগ কৰি দিয়া সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত আৰুকাৰ্যকৰী সভাপতি প্ৰভাত কলিতা। কিন্তু উচ্চতম ন্যায়ালয়েও উচ্চ ন্যায়ালয়ে ৰায়দান মৰ্মে দ্বায়িত্ব অৰ্পন কৰা তদৰ্থ থান পৰিচালনা সমিতিকে পুনৰ দ্বায়িত্বভাৰ অৰ্পন কৰে আৰু আগন্তুক তিনিমাহৰ ভিতৰত সাধাৰণ সভা পাতি নতুন সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিষয় সংক্ৰান্তত যদি কোনো আবেদন স্থগিত হৈ আছে সকলো বিলাক খাৰিজ কৰা হ'ল বুলি যোৱা ১৩ মে'ত গুৰুত্বপূৰ্ণ ৰায়দান কৰে। আচলতে, বিগত বৰ্ষৰ ৯ জুনত অনুষ্ঠিত যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত সভাপতি ৰূপে থকা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাত পূৰ্বৰ সমিতিখনৰ দিনত সংঘটিত দুৰ্নীতি-অনিয়ম, বিত্তীয় খেলিমেলিকে ধৰি বিভিন্ন অভিযোগত উক্ত সমিতিখনৰ ওপৰত অনাস্থা প্ৰস্তাৱ সৰ্বসম্মতি ক্ৰমে গৃহীত কৰি সমিতিখন ভংগ কৰা হৈছিল। স্থানীয় ৰাইজ, ভকত-বৈষ্ণৱ, আজীৱন সদস্য আৰু সত্ৰীয়া সদস্যৰ উপস্থিতিত অনুষ্ঠিত উক্ত সাধাৰণ সভাতে বিৰাজ মনি বৰদলৈক সভাপতি আৰু শৈলেন শইকীয়াক সম্পাদক হিচাপে লৈ এখন তদৰ্থ (অস্থায়ী )থান পৰিচালনা সমিতি গঠন কৰি থানৰ নিত্য-নৈমত্তিক কাম-কাজৰ লগতে প্ৰশাসনিককে ধৰি সকলো কাম-কাজ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰে। নৱগঠিত সমিতিখনে থানৰ নিয়মাৱলী, পৰম্পৰা অক্ষুন্ন ৰাখি যোৱা বৰ্ষৰ ১২ জুনত শপত বাক্য পাঠ কৰি দায়িত্বভাৰ গ্ৰহণ কৰে। পিছত নতুন সমিতিয়ে পূৰ্বৰ সমিতিখনলৈ সকলো নথি-পত্ৰ আৰু চাবি-কাঠি বিচাৰি পত্ৰ প্ৰেৰণ কৰে। কিন্তু বিতৰ্কিত পুৰণি সমিতিখনে সামগ্ৰী সমূহ নিয়ম মতে চমজি নিদি নগাঁও আদালতৰ পৰা এক একপক্ষীয় নিষেধাজ্ঞা জাৰি কৰি সমিতিৰ কাম-কাজত বাধা আৰোপ কৰে। তাতোকৈ পৰিতাপৰ বিষয় যে, পূৰ্বৰ ভংগ হোৱা সমিতিৰ সভাপতি আৰু কাৰ্যকৰী সভাপতি যথাক্ৰমে যোগেন্দ্ৰ নাৰায়ন দেৱ মহন্ত আৰু প্ৰভাত কলিতাই নগাঁও চিভিল আদালতৰ পৰা পুনৰ এক নিষেধাজ্ঞা জাৰি কৰে। পৰৱৰ্তী সময়ত নগাঁৱৰ এখন আদালতে সেই নিষেধাজ্ঞা স্থগিত ৰখাত তদৰ্থ সমিতিখনে তিনি মাহ সুকলমে থানৰ কাম-কাজ পৰিচালনা কৰাত এক নতুন ৰূপ দিয়ে। কিন্তু ছেপ্টেম্বৰ মাহৰ শেষৰ সপ্তাহত নগাঁৱৰ এখন আদালতে পুনৰ তদৰ্থ সমিতিৰ কাৰ্য পৰিচালনাত বাধা আৰোপ কৰে । পিছে শেহতীয়াভাৱে যোৱা ২৫ এপ্ৰিলত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে এক ঐতিহাসিক ৰায় দানেৰে নগাঁও আদালতৰ হুকুমত স্থগিতাদেশ জাৰি কৰি তদৰ্থ সমিতিখনক থানৰ সেৱা কৰি যোৱাত আইনী বাধা আতৰাই পুনৰ সুযোগ প্ৰদান কৰে। ইফালে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ শেহতীয়া নিৰ্দেশৰ পিছত যোৱা ১ মে'ত অস্থায়ী তদৰ্থ পৰিচালনা সমিতিয়ে দায়িত্ব লৈ পুণৰ কাম-কাজ আৰম্ভ কৰিবলৈ কাৰ্যালয়ত প্ৰৱেশ কৰে যদিও কাৰ্যালয়ৰ তিনিটাকৈ গুৰুত্বপূৰ্ণ কোঠাৰ দুৱাৰত তলা ওলমি থকা দেখি মাটিতে বহিয়েই কাৰ্যনিবাহক সভা সম্পন্ন কৰে। কিন্তু পৰিতাপৰ বিষয় যে, পূৰ্বৰ সমিতিয়ে আজি পৰ্যন্ত থানৰ কাৰ্যালয়ৰ চাবি-কাঠি আৰু অন্যান্য নথি-পত্ৰ সমূহ প্ৰদান নকৰি উলোটাই উচ্চতম ন্যায়ালয়লৈ বিষয়টো লৈ যোৱাৰ পাছত পুনৰ মুখ ঠেকেচা খাই। আনহাতে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে শনিবাৰে হঠাৎ বটদ্ৰৱা থানত উপস্থিত হয় আৰক্ষী, অৰ্ধ সামৰিক বাহিনীৰ বৃহৎ দল। যাক লৈ ভকত-বৈষ্ণৱ সকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বটদ্ৰৱা থানত আৰক্ষী, অৰ্ধ সামৰিক বাহিনীৰ মোতায়েন বিষয়ক লৈ বিয়লি বটদ্ৰৱা নাগৰিক মঞ্চই সংবাদমেল সম্বোধন কৰে। সংবাদমেলত কোনো অজ্ঞাত লোকৰ ফোন কলৰ বাবে বটদ্ৰৱা থান চৌহদত হঠাৎ আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ মোতায়েন কৰি থানৰ গৰিমাত আঘাত কৰা বিষয়ক গৰিহণা দিয়ে নাগৰিক মঞ্চই। লগতে নাগৰিক মঞ্চই উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক স্বাগতম জনাই তদৰ্থ সমিতিক শীঘ্ৰে সাধাৰণ সভা অনুষ্ঠিত কৰি এখন পূৰ্ণাংগ বটদ্ৰৱা থান পৰিচালনা সমিতি গঠন কৰি থানৰ উন্নয়ন দিশত অগ্ৰসৰ হ'বলৈ আহ্বান জনাই। বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত সংবাদমেলত নাগৰিক মঞ্চৰ সভাপতি জয়ন্ত হাজৰিকা, সম্পাদক মঞ্জুল কলিতাকে আদি কৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে। ইফালে, সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়দানক লৈ সন্তুষ্টি ব্যক্ত কৰা দেখা গৈছে ভিন্নজনক।

# কামৰূপৰ শিঙিমাৰীৰ সন্ধানহীন দুই ছাত্ৰীক বহিঃৰাজ্য হাৰিয়ানা, বিহাৰৰ পৰা উদ্ধাৰ

**ই-সংবাদ, শুৱালকুছি, ১৮ মে':** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰীৰ মাজৰ চুপাৰ পৰা যোৱা ৩ মেৰ পৰা সন্ধানহীন হৈ থকা দুই ছাত্ৰীক বহিঃৰাজ্য হাৰিয়ানা আৰু বিহাৰৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰি অনা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলত । উল্লেখ্য, ৩ মে'ত বিদ্যালয়লৈ বুলি ওলাই গৈছিল ছাত্ৰী দুগৰাকী। কিন্তু বিদ্যালয়ৰ ছুটিৰ পিছতো ছাত্ৰী দুগৰাকী ঘৰলৈ উভতি নহাত পৰিয়ালৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰি ছাত্ৰী দুগৰাকীৰ কোনো সন্ধান উলিয়াব পৰা নাছিল ।পিছত পৰিয়ালৰ লোকে ছাত্ৰী দুগৰাকী নিৰুদ্দেশ হোৱা সন্দৰ্ভত দদৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। দদৰা আৰক্ষীয়ে পৰিয়ালৰ এজাহাৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰে যদিও কোনো শুংসূত্ৰ উলিয়াব পৰা নাছিল ছাত্ৰী দুগৰাকীৰ। ছাত্ৰী দুগৰাকীৰ সন্ধানহীন সন্দৰ্ভত দদৰা আৰক্ষীয়ে জোৰ তদন্ত চলাই উদ্ধাৰ কৰে কিছু বিস্ফোৰক তথ্য। শিঙিমাৰীত ভাড়াতীয়া হিচাপে থকা বিহাৰত বিয়া হোৱা এগৰাকী যুৱতী জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে সোধা-পোছা কৰাত মহিলাগৰাকীৰ মোবাইলত ছাত্ৰী দুগৰাকীয়ে ফোন কৰাৰ কথা স্বীকাৰ কৰে। বিহাৰ যোৱাৰ পূৰ্বে মহিলাগৰাকীৰ মোৱাইলৰে বিহাৰত যোগাযোগ কৰিছিল ছাত্ৰী দুগৰাকীয়ে। ধনজিতা বৰ্মন নামৰ ছাত্ৰীগৰাকী বিহাৰৰ বেগুচৰাই ৰৌণক কুমাৰ নামৰ যুৱক এগৰাকীৰ সৈতে সামাজিক মাধ্যমত চিনাকি হৈ প্ৰেম হৈছিল। সেই সুত্ৰে দুয়োগৰাকী ছাত্ৰী বিহাৰ পাইছিল। ইয়াৰে ধনজিতা বৰ্মন নামৰ ছাত্ৰী গৰাকীয়ে ৰৌণক নামৰ যুৱকৰ সৈতে বিয়া হৈ আনগৰাকী ছাত্ৰীক বিহাৰতে এৰি হাৰিয়ানালৈ পলায়ন কৰে। মহিলাগৰাকীৰ পৰা পোৱা এই তথ্যৰ ভিত্তিত দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিজুমণি বাংথাইৰ নেতৃত্বত অহেদুল ইছলাম, বিজিত কলিতা, বেবী লস্কৰ আদিৰ চাৰি জনীয়া দদৰা আৰক্ষীৰ দলটিয়ে ১৩ মে বহিঃৰাজ্য হাৰিয়ানা অভিমুখে যাত্ৰা কৰে। হাৰিয়ানা চেক্টৰৰ ৬২ ত এটা ভাৰাঘৰৰ পৰা হাৰিয়ানা আৰক্ষীৰ সহযোগত ৰৌণক কুমাৰৰ সৈতে ধনজিতা বৰ্মন নামৰ ছাত্ৰীগৰাকীক উদ্ধাৰ কৰাৰ লগতে আন এগৰাকী ছাত্ৰীক বিহাৰৰ বেগুচৰাইৰ পৰা উদ্ধাৰ কৰি আজি দদৰালৈ আনে । দদৰা আৰক্ষীৰ পৰা জানিব পৰামতে, সামাজিক মাধ্যম ইনষ্টাগ্ৰামৰ জৰিয়তে বিহাৰৰ ৰৌণক কুমাৰ নামৰ যুৱক গৰাকীৰ সৈতে ধনজিতা বৰ্মন নামৰ ছাত্ৰীগৰাকীৰ প্ৰেম হৈছিল। যাৰবাবে সম্পৰ্কীয় দুই ছাত্ৰী ট্ৰেইনেৰে বিহাৰৰ বেগুচৰাই পাইছিল। দদৰা আৰক্ষীয়ে কম সময়ৰ ভিতৰতে তদন্ত চলাই ছাত্ৰী দুগৰাকীক উদ্ধাৰ কৰি অনা কাৰ্যক স্থানীয় ৰাইজ তথা দল-সংগঠনে ভুয়সী প্ৰশংসা কৰিছে। আনহাতে ,আৰক্ষীয়ে বিহাৰৰ ৰৌণক কুমাৰ নামৰ যুৱকজনক আটক কৰি নিজ জিম্মাত ৰখাৰ লগতে ছাত্ৰী দুগৰাকীক মহিলা আশ্ৰমত ৰখা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# অসম চৰকাৰৰ ভাষা সম্পৰ্কীয় বিশেষ অধ্যাদেশৰ তীব্ৰ বিৰোধিতা বড়ো সাহিত্য সভাৰ

## ওদালগুৰিত বড়ো সাহিত্য সভাৰ সংবাদ মেল সম্বোধন

**ই-সংবাদ, ওদালগুৰি, ১৮ মে':** মহামান্য অসমৰ ৰাজ্যপালৰ জৰিয়তে অসমৰ ভাষা নীতি আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে জাৰি কৰা অধ্যাদেশ সন্দৰ্ভত বড়ো সাহিত্য সভাই আজি এক সংবাদ মেল যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত সংবাদ মেলত বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক নীলকান্ত গয়াৰীয়ে কয়- "মহামান্য ৰাজ্যপালৰ জৰিয়তে প্ৰকাশ পোৱা অধ্যাদেশৰ পৰিপ্ৰেক্ষিতত বড়ো সাহিত্য সভাৰ যোৱা ১২ মে'ত অনুষ্ঠিত কাৰ্যকৰী সমিতিৰ গুৰুত্বপূৰ্ণ সভাত অসম উচ্চতৰ শিক্ষা সঞ্চালকালয়ৰ পৰা সকলো প্ৰাদেশিক আৰু চৰকাৰী আদৰ্শ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকললৈ বিভিন্ন পদৰ নিয়োগত অসমীয়া ভাষা বাধ্যতামূলক কৰাৰ নিৰ্দেশনাৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয় আৰু উক্ত অধ্যাদেশৰ কাৰ্যকৰীকৰণৰ তীব্ৰ বিৰোধিতা কৰা হয়। এনেধৰণৰ অধ্যাদেশ বাতিল কৰিবলৈ বড়ো সাহিত্য সভাই দাবী জনায়।" সাধাৰণ সম্পাদক গয়াৰীয়ে লগতে কয়- "বড়ো সাহিত্য সভাই স্পষ্ট কৰে যে এনে অধ্যাদেশৰ ফলত ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীভুক্ত আৰু অসমৰ ৰাজ্যিক সহযোগী ভাষা মৰ্যাদাপ্ৰাপ্ত বড়ো ভাষাক কেৱল বিটিআৰ অঞ্চলতে সীমাবদ্ধ ৰাখি অসমৰ অন্যান্য অঞ্চল বিশেষকৈ বি কে ডব্লিউ এই চি অঞ্চলত অকাৰ্যকৰী কৰাৰ পথ সুচল কৰিব। উল্লেখযোগ্য যে ১৯৬৩ চনত অসমত বড়ো মাধ্যম প্ৰৱৰ্তনৰ পিছৰে পৰা বৰ্তমানলৈকে বড়ো ভাষা সাহিত্যৰ উত্তৰণৰ প্ৰাকমুহূৰ্তত উক্ত অধ্যাদেশ আৰু বিভিন্ন সময়ত বলৱৎ কৰিব বিচৰা নীতিসমূহ যেনে চতুৰ্ভাষা প্ৰয়োগ, দ্বৈত মাধ্যম প্ৰৱৰ্তন, নিয়োগৰ ক্ষেত্ৰত অসমীয়া ভাষা বাধ্যতামূলক কৰা, বড়ো মাধ্যমৰ বিদ্যালয়ত জোৰ-জুলুমভাৱে অসমীয়া মাধ্যমৰ শিক্ষক নিযুক্তি ইত্যাদি এশ এবুৰি সমস্যা সমাধানৰ বাবে চৰকাৰৰ লগত বহুবাৰ আলোচনা হোৱাৰ পিছতো আজিলৈকে সমাধান হোৱা নাই। বড়ো সাহিত্য সভাই বড়ো ভাষাক অসম ন্যায়িক সেৱা পৰীক্ষাৰ এটা বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাই আহিছে যদিও চৰকাৰে এই দাবী সমাধান কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা নাই। ফলত বড়ো ভাষা মাধ্যম , সাহিত্য -সংস্কৃতি সুৰক্ষাত অস্তিত্বৰ প্ৰতি ভাবুকিৰ আহিছে বুলি উল্লেখ কৰি লগতে কয়- বড়ো ৰাইজ তথা বড়ো সাহিত্য সভাই আন জনগোষ্ঠীৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি সদায়েই সন্মান কৰি আহিছে। অতি সম্প্ৰতি চৰকাৰে বড়োৰ লগতে আইন জনগোষ্ঠীৰ ওপৰত অসমীয়া ভাষা জোৰ-জুলুমকৈ জাপি দিয়াৰ মনোভাব পৰিহাৰ কৰিবলৈ বড়ো সাহিত্য সভাই দাবী জনায়। বড়ো সাহিত্য সভাই অতি উদ্বেগেৰে লক্ষ্য কৰিছে যে এনেধৰণৰ অধ্যাদেশসমূহৰ জৰিয়তে বৰ্তমানৰ চৰকাৰখনে বড়ো ভাষাৰ উত্তৰণৰ বাবে এক মৰ্যাদাপূৰ্ণ ৰাজধৰ্ম পালনৰ বিপৰীতে ন্যস্ত স্বাৰ্থ জড়িত তথাকথিত জাতীয়তাবাদী শিবিৰৰ ঈংগিত স্বাৰ্থ আখৰে আখৰে পূৰ্ণ কৰিছে। বড়ো সাহিত্য সভাই এনে অশুভ চৰকাৰী পদক্ষেপৰ বিৰোধিতা সদায়েই কৰি যাব বুলি উল্লেখ কৰি সংবাদ মেলত সাধাৰণ সম্পাদক নীলকান্ত গয়াৰীয়ে পুনৰ কয় যে "বৃহত্তৰ বড়ো জাতি,ভাষা সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত চৰকাৰে যোৱা প্ৰতিটো পদক্ষেপত সহযোগিতা আগবঢ়াই যাব। সভাই ২০২০ চনৰ প্ৰশাসনীয়, শিক্ষা আৰু নিয়োগ নীতি বাহাল ৰাখিবলৈ সংবাদ মেলৰ জৰিয়তে দাবী জনাইছে।" ইপিনে আজি ওদালগুৰি প্ৰাথমিক বড়ো সাহিত্য সভাই বড়ো মাধ্যম মান্যতা দিৱস উপলক্ষে পুৱা ১১ বজাত বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ওদালগুৰি প্ৰাথমিক বড়ো সাহিত্য সভাৰ সভাপতি সমৰসিং বসুমতাৰীয়ে আৰু স্মৃতি তৰ্পণ কৰে উপ-সভাপতি তৰুণ চন্দ্ৰ বসুমতাৰীয়ে। ওদালগুৰি প্ৰাথমিক বড়ো সাহিত্য সভাৰ সম্পাদক কাৰ্তিক বসুমতাৰীয়ে আঁত ধৰা আজিৰ এই অনুষ্ঠানটোত বড়ো সাহিত্য সভা, ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ কেইবাগৰাকীও সাহিত্যকৰ লগতে বহু গুণী-মানী লোক উপস্থিত আছিল।

# গৌৰৱ গগৈ হাই লেভেল কথা-বতৰাত ব্যস্ত, ৰাইজৰ কথা ভাবিবলৈ আহৰি নাইঃ পৱিত্ৰ মাৰ্ঘেৰিটা

**ই-সংবাদ, সোণাৰি, ১৮ মে':** দেশ-বিদেশ, ইংলেণ্ড-পাকিস্তানতে ব্যস্ত থকা বাবে সোণাৰি-মাহমৰালৈ আহিবলৈ সময় নাই সাংসদ গৌৰৱ গগৈৰ। সাংসদ গৌৰৱ গগৈ ব্যস্ত মানুহ, তেওঁ হাই লেভেল কথা চিন্তা কৰে, সেই কাৰণে ৰাইজৰ কথা চিন্তা কৰিবলৈ সময় নাই। এই মন্তব্য কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ। সোণাৰিস্থিত চৰাইদেউ জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহি এই মন্তব্য কৰিলে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। বিগত লোক সভা নিৰ্বাচনত ৰাইজে সমষ্টিৰ উন্নয়ন কৰিব বুলি ভাবিয়েই গৌৰৱ গগৈক জয়ী কৰোৱাইছিল যদিও এতিয়া ৰাইজৰ কথা ভাবিবলৈ তেখেতৰ সময় নোহোৱা হৈছে।এই কথা ৰাইজে বুজি উঠা বাবেই লোকসভা নিৰ্বাচনৰ তুলনাত পঞ্চায়ত নিৰ্বাচনত অধিক ভোট দিছে বিজেপিৰ প্ৰাৰ্থী সকলক। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সকল জয়ী হোৱাৰ আঁৰত কেৱল বিজেপিৰ সদস্য নহয় কংগ্ৰেছ, জাতীয় পৰিষদ, ৰাইজৰ দলকে ধৰি বিৰোধী দলৰ কৰ্মী সকলৰো অৱদান আছে। সেয়েহে পূৰ্বৰ তুলনাত এইবাৰ পঞ্চায়ত নিৰ্বাচনত অধিক ভোট লাভ কৰিবলৈ সক্ষম হৈছে বিজেপি। সদ্যসমাপ্ত পঞ্চায়ত নিৰ্বাচনত চৰাইদেউ জিলাত কংগ্ৰেছ দল ধূৰিসাৎ হৈ পৰা সন্দৰ্ভত মন্তব্য কৰি এনেদৰে কয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে সদ্যসমাপ্ত নিৰ্বাচনত চৰাইদেউ জিলাৰ বিজয়ী আঠটা জিলা পৰিষদ, সমূহ আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচিত বিজেপি তথা এনডিএৰ প্ৰাৰ্থীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে এক অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ সৈতে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, প্ৰাক্তন সাংসদ তথা অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ তপন কুমাৰ গগৈ, প্ৰাক্তন বিধায়িকা নৱনীতা সন্দিকৈ, চৰাইদেউ জিলা বিজেপিৰ সভানেত্ৰী নিতুমণি প্ৰধান, অসম ৰাজ্যিক হাউছিং ব'ৰ্ডৰ উপাধ্যক্ষ সুভাষ দত্ত, এপিজিচিএলৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিতৰ লগতে ৰাজ্যিক তথা চৰাইদেউ জিলা বিজেপিৰ বহু কেইগৰাকী নেতা তথা দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পাকিস্তানক নতুন চৰ্ত বান্ধি দিলে আইএমএফে

**ইছলামাবাদ, ১৮ মে':** আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে পাকিস্তানৰ বেইলআউট আঁচনিৰ পৰৱৰ্তী খণ্ড মুকলি কৰাৰ বাবে ১১টা নতুন চৰ্ত প্ৰয়োগ কৰিছে। ইয়াৰ লগতে ভাৰতৰ সৈতে উত্তেজনাই আঁচনিখনৰ বিত্তীয়, বহিঃৰাজ্য আৰু সংস্কাৰৰ লক্ষ্যৰ প্ৰতি বিপদ বৃদ্ধি কৰিব পাৰে বুলি সকীয়াই দিছে। পাকিস্তানৰ ওপৰত জাৰি কৰা নতুন চৰ্তসমূহৰ ভিতৰত আছে ১৭.৬ ট্ৰিলিয়ন টকাৰ নতুন বাজেটত সংসদীয় অনুমোদন, বিদ্যুতৰ বিলৰ ঋণ পৰিশোধৰ চাৰ্জ বৃদ্ধি আৰু তিনি বছৰতকৈ অধিক পুৰণি ব্যৱহৃত গাড়ী আমদানিৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লোৱা। শনিবাৰে আইএমএফে প্ৰকাশ কৰা ষ্টাফ লেভেলৰ প্ৰতিবেদনত এইটোও কোৱা হৈছে যে "ভাৰত আৰু পাকিস্তানৰ মাজত বৃদ্ধি পোৱা উত্তেজনা যদি স্থায়ী হয় বা অধিক অৱনতি ঘটে তেন্তে কাৰ্যসূচীৰ বিত্তীয়, বহিঃ আৰু সংস্কাৰৰ লক্ষ্যৰ প্ৰতি বিপদ বৃদ্ধি পাব পাৰে"। আইএমএফৰ প্ৰতিবেদনত অহা বিত্তীয় বৰ্ষৰ প্ৰতিৰক্ষা বাজেট ২.৪১৪ ট্ৰিলিয়ন টকা দেখুওৱা হৈছে, যিটো ২৫২ বিলিয়ন টকা বা ১২% বেছি। আইএমএফৰ প্ৰক্ষেপণৰ তুলনাত চলিত মাহৰ আৰম্ভণিতে ভাৰতৰ সৈতে মুখামুখি হোৱাৰ পিছত চৰকাৰে ২.৫ ট্ৰিলিয়ন টকাতকৈ অধিক বা ১৮% অধিক বাজেট আৱণ্টন দিয়াৰ ইংগিত দিছে। এক্সপ্ৰেছ ট্ৰিবিউনৰ এক প্ৰতিবেদনত কোৱা হৈছে যে আইএমএফে পাকিস্তানৰ ওপৰত আৰু ১১টা চৰ্ত আৰোপ কৰি মুঠ চৰ্ত ৫০টালৈ লৈ বৃদ্ধি কৰে। ইয়াৰ দ্বাৰা "২০২৫ চনৰ জুন মাহৰ শেষৰ ফালে কাৰ্যসূচীৰ লক্ষ্য পূৰণৰ বাবে আইএমএফৰ কৰ্মচাৰীৰ চুক্তি অনুসৰি ২০২৬ চনৰ বিত্তীয় বৰ্ষৰ বাজেটৰ সংসদীয় অনুমোদন" লাভ কৰাৰ নতুন চৰ্ত আৰোপ কৰা হৈছে। উন্নয়নমূলক ব্যয়ৰ বাবে ১.০৭ ট্ৰিলিয়ন টকাকে ধৰি ফেডাৰেল বাজেটৰ মুঠ আকাৰ ১৭.৬ ট্ৰিলিয়ন টকা বুলি আইএমএফৰ প্ৰতিবেদনত প্ৰকাশ পাইছে।



**গাজাত ইজৰাইলৰ স্থল অভিযান আৰম্ভ হোৱাৰ পাছত শৰণাৰ্থী শিবিৰৰ দৃশ্য,** ফটো দেওবাৰৰ

# লস্কৰ-ই-তৈবাৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী আবু ছাইফুল্লাহ নিহত

**ইছলামাবাদ, ১৮ মে':** পাকিস্তানৰ সিন্ধ প্ৰদেশত দেওবাৰে অচিনাক্ত বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰে লস্কৰ-ই-তৈবাৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী ৰাজাউল্লাহ নিজামানী ওৰফে আবু ছাইফুল্লাহ খালিদক। নিজামণি এলইটিৰ কামাণ্ডাৰ আছিল আৰু ২০০৬ চনত আৰএছএছৰ মুখ্য কাৰ্যালয়ত সংঘটিত আক্ৰমণ আৰু ভাৰতত সংঘটিত আন কেইবাটাও বৃহৎ আক্ৰমণৰ মাষ্টাৰমাইণ্ড আছিল। দেওবাৰে বিয়লি সিন্ধৰ মাটলীত থকা নিজৰ বাসগৃহৰ পৰা ওলাই আহিছিল ৰাজাউল্লাহ নিজামানীয়ে। ইয়াৰ পাছতে তেওঁৰ বাসগৃহৰ সমীপৰ মাটলী ফালকৰা চ'কৰ এটা ক্ৰছিঙৰ ওচৰত গুলীয়াই হত্যা কৰা হয়। খবৰ অনুসৰি তেওঁক পাকিস্তান চৰকাৰে নিৰাপত্তা প্ৰদান কৰিছিল। ৰাজাউল্লাহ নিজামানী ওৰফে আবু ছাইফুল্লাহ আছিল সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ শীৰ্ষ অধিনায়ক। ভাৰতত কেইবাটাও আক্ৰমণৰ সৈতে জড়িত থকাৰ উপৰি জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপত সক্ৰিয় হৈ থকা এটা মডিউলৰ অংশ আছিল। ২০০৬ চনত নাগপুৰত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুখ্য কাৰ্যালয়ত সংঘটিত আক্ৰমণৰ মাষ্টাৰমাইণ্ড হিচাপে পৰিচিত আছিল খালিদ। তদুপৰি ২০০৫ চনত বেংগালুৰুত সংঘটিত হোৱা আইআইএছচি আক্ৰমণৰ সৈতেও জড়িত আছিল খালিদ। ২০০১ চনত উত্তৰ প্ৰদেশৰ ৰামপুৰত চিআৰপিএফৰ শিবিৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰতো খালিদ আছিল, য'ত ৭ জন জোৱানৰ মৃত্যু হৈছিল।

# গাজা ষ্ট্ৰিপত চলিব বিস্তৃত স্থল অভিযান, আগ্ৰাসী ৰূপ লৈছে ইজৰাইলৰ সেনাই

**গাজা, ১৮ মে':** ইজৰাইলৰ সেনাই গাজা ষ্ট্ৰিপত নতুনকৈ সম্প্ৰসাৰিত অভিযানৰ অংশ হিচাপে "বিস্তৃত স্থল অভিযান" ঘোষণা কৰিছে। এই অভিযানত উদ্ধাৰকাৰীয়ে ইজৰাইলৰ আক্ৰমণত বহু লোকৰ মৃত্যু হোৱাৰ বাতৰি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে ইজৰাইলক হামাছৰ সৈতে চুক্তিবদ্ধ হ'ব পাৰে বুলি ইংগিত দিয়াৰ মাত্ৰ কেইঘণ্টামানৰ পাছতে এই ঘোষণা কৰা হৈছে। সেনাই কয় যে কালিৰ দিনটোত সৈন্যই "গোটেই উত্তৰ আৰু দক্ষিণ গাজা ষ্ট্ৰিপত ব্যাপক স্থল অভিযান আৰম্ভ কৰিছে", লগতে কয় যে তেওঁলোকে "বহু সন্ত্ৰাসবাদীক নিৰ্মূল কৰিছে আৰু সন্ত্ৰাসবাদী আন্তঃগাঁথনি ভাঙি পেলাইছে"। ইজৰাইলে কয় যে তেওঁলোকৰ ৰেম্পড-আপ অভিযানৰ লক্ষ্য হৈছে পণবন্দীসকলক মুক্ত কৰা আৰু হামাছক পৰাস্ত কৰা, কিন্তু শনিবাৰে অভিযান আৰম্ভ হোৱাৰ লগে লগে ইজৰাইল আৰু গোটটোৱে কাটাৰত পৰোক্ষ আলোচনাত মিলিত হৈছিল যাৰ লক্ষ্য আছিল চুক্তি আৰোপ কৰা।

# মহাৰাষ্ট্ৰৰ কাৰখানাত অগ্নিকাণ্ডত শিশুসহ ৮ জনৰ কৰুণ মৃত্যু

**মুম্বাই, ১৮ মে':** মহাৰাষ্ট্ৰৰ ছোলাপুৰ জিলাৰ এটা কাৰখানাত আজি সংঘটিত হোৱা বৃহৎ অগ্নিকাণ্ডত তিনিগৰাকী মহিলা আৰু এটা শিশুসহ ৮ জন লোক নিহত হয়। প্ৰাইমা ফেচি, চাৰ্কিটত হোৱা এটা শ্বৰ্টৰ ফলত মুম্বাইৰ পৰা প্ৰায় ৪০০ কিলোমিটাৰ দূৰত্বত ছোলাপুৰ এমআইডিচিৰ আক্কলকোট ৰোডত অৱস্থিত চেণ্ট্ৰেল টেক্সটাইল মিলছত পুৱা প্ৰায় ৩:৪৫ বজাত অগ্নিকাণ্ডটো সংঘটিত হৈছল। মৃত্যু হোৱা ব্যক্তিসকলৰ ভিতৰত আছে হাজী উছমান হাছানভাই মনছুৰী নামৰ কাৰখানাৰ মালিক, ডেৰ বছৰীয়া নাতিকে ধৰি তেওঁৰ পৰিয়ালৰ তিনিজন সদস্য আৰু চাৰিজন শ্ৰমিক। এগৰাকী বিষয়াই জনোৱা মতে, মৃত্যু হোৱা লোকসকলৰ ভিতৰত তিনিগৰাকী মহিলাও আছে। অগ্নিকাণ্ডৰ তীব্ৰতাৰ বাবে অগ্নিনিৰ্বাপক বাহিনীৰ জোৱানসকলে তীব্ৰ জুইৰ শিখা নিয়ন্ত্ৰণ কৰিবলৈ সময় লাগিছিল পাঁচৰ পৰা ছয় ঘণ্টা।

# হংকঙত পুনৰ বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ

**হংকং, ১৮ মে':** এছিয়াত পুনৰ বৃদ্ধি পাইছে ক'ভিড-১৯ সংক্ৰমণৰ সংখ্যা। ছিংগাপুৰ আৰু হংকঙৰ ৰোগীৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে, যাৰ ফলত অঞ্চলটোত সম্ভাব্য নতুন ঢৌৰ আশংকা বৃদ্ধি পাইছে। ছিংগাপুৰৰ স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি ৩ মে'ত ক'ভিড-১৯ আক্ৰান্তৰ আনুমানিক সংখ্যা ১৪,২০০ পৰ্যন্ত হৈছে, যিটো এসপ্তাহৰ আগৰ ১১,১০০ ৰোগীৰ তুলনাত প্ৰায় ২৮% বৃদ্ধি পাইছে। চিকিৎসালয়খনত ভৰ্তি হোৱা ৰোগীৰ সংখ্যাও প্ৰায় ৩০% বৃদ্ধি পাইছে।

# বাংলাদেশী অভিনেত্ৰী নুছৰত ফাৰিয়াক গ্ৰেপ্তাৰ

**ঢাকা, ১৮ মে':** বাংলাদেশী অভিনেত্ৰী নুছৰত ফাৰিয়াক আজি থাইলেণ্ডলৈ যোৱাৰ পথত ঢাকাৰ হজৰত শ্বাহজালাল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত গ্ৰেপ্তাৰ কৰা হয়। যোৱা বছৰৰ বাংলাদেশৰ ছাত্ৰ আন্দোলনৰ সৈতে জড়িত এক হত্যাৰ চেষ্টাৰ গোচৰত তেওঁক আটক কৰা হৈছে। ২০২৫ চনৰ এপ্ৰিল মাহত দাখিল কৰা এই গোচৰটোত ১৭ জন অভিনেতা আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাকে ধৰি ২৮৩ জন ব্যক্তিৰ নাম উল্লেখ কৰা হৈছে। এনামুল হক নামৰ এজন ছাত্ৰই ২০২৪ চনৰ প্ৰতিবাদৰ সময়ত ঢাকাৰ বাতাৰা অঞ্চলত আক্ৰমণৰ বলি হোৱাৰ অভিযোগ উত্থাপন কৰি দোষীসকলৰ ভিতৰত ফাৰিয়াক চিনাক্ত কৰা হয়। ২০২১ চনৰ বায়'পিক মুজিব: দ্য মেকিং অৱ এ নেচনত শ্বেখ হাছিনাৰ চৰিত্ৰত অভিনয় কৰা ফাৰিয়াৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছে যে তেওঁ আন্দোলনটো দমন কৰাৰ প্ৰচেষ্টাক বিত্তীয় সাহায্য প্ৰদান কৰিছিল। আৰক্ষীয়ে জনোৱা মতে, তদন্ত অব্যাহত আছে আৰু সেয়া অতিৰিক্ত প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰিব।

# মুছলপুৰত শ্বহীদ সাংবাদিক পৰাগ কুমাৰ দাসৰ মৃত্যুবাৰ্ষিকী পালন



**ই-সংবাদ, মুছলপুৰ, ১৮ মে':** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে মুছলপুৰতো আজি নিৰ্ভীক সাংবাদিক পৰাগ কুমাৰ দাসৰ ২৯ সংখ্যক মৃত্যুবাৰ্ষিকী পালন কৰা হয়। মুছলপুৰ প্ৰেছ ক্লাবত সাংবাদিকসকলে আজি দিনজোৰা কাৰ্যসূচীৰে পৰাগ কুমাৰ দাসৰ ২৯ সংখ্যক মৃত্যুবাৰ্ষিকী পালন কৰে। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে প্ৰেছ ক্লাবৰ সভাপতি চানক্য বৈশ্যই। স্মৃতি তৰ্পণ কৰে প্ৰেছ ক্লাবৰ সম্পাদক শংকৰ ৰাজবংশীয়ে। ইয়াৰে পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে, দিনৰ ভাগত চানক্য বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাখন উদ্বোধন কৰে ৰেইনব' একাডেমী,মুছলপুৰৰ সমন্বয়ক জ্যোতিষ ডেকাই। সভাত মুখ্য অতিথিৰ ভাষণত বাক্সা জিলা সাংবাদিক সন্থাৰ সভাপতি মনোহৰ ৰাজবংশীয়ে পৰাগ কুমাৰ দাসক সোঁৱৰণ কৰি কয় যে তেওঁ স্বতন্ত্ৰমনা আৰু স্বাধীনচিতীয়া কেইজনমান ডেকা ল'ৰাক লৈ অসমৰ সংবাদ জগতত নতুন ধাৰা সূচনা কৰিছিল 'বুধবাৰ'ৰ জৰিয়তে। সমগ্ৰ ৰাষ্ট্ৰযন্ত্ৰক কলমৰ শক্তিৰে কঁপনি তুলিছিল তেওঁ। যাৰ বাবে তেওঁক ৰাষ্ট্ৰযন্ত্ৰই ষড়যন্ত্ৰমূলকভাৱে হত্যা কৰিছিল। নতুন প্ৰজন্মই পৰাগ দাসৰ নীতি-আদৰ্শক পুনৰ প্ৰতিষ্ঠা কৰি এখন স্বাৱলম্বী স্বাধীন অসম গঢ়ি তুলিব লাগিব বুলিও উল্লেখ কৰে ৰাজবংশীয়ে। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি বিশিষ্ট লেখক অৰুণ দাসে সাংবাদিক পৰাগ কুমাৰ দাসৰ নিৰ্ভীকতা তথা আপোচহীন আৰু সবল যুক্তিৰে আৰম্ভ কৰা সংগ্ৰামৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰযন্ত্ৰই অসমীয়া জাতিৰ আপোচবিহীনতাৰ ধাৰাটোক হত্যা কৰি পেলোৱা বুলি মন্তব্য কৰে। তেওঁ কয় যে যেতিয়ালৈকে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতিৰ অস্তিত্ব ৰক্ষা নপৰিব সেই দিনালৈকে পৰাগ কুমাৰ দাসৰ গুৰুত্ব আমাৰ সমাজত আছিল, আছে আৰু থাকিব। সাংবাদিক জিন্টুমণি দাসে আঁত ধৰা সভাখনত বাক্সা জিলা ছাত্ৰ সন্থাৰ সভাপতি জুবিন দাস, বাক্সা জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক কাৰ্তিক দাস, মুছলপুৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক নিকুঞ্জ কলিতা, বাক্সা জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক দীপাংকৰ বৰুৱা, বাস্কা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ তালুকদাৰকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বাঘমাৰা চৰ সমাজ কল্যাণ পৰিষদৰ ৰঙালী বিহুৰ কাৰ্যসূচী বাতিল

**ই-সংবাদ, শিমলীতোলা, ১৮ মে':** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত অৰাজনৈতিক সংগঠন বাঘমাৰা চৰ সমাজ কল্যাণ পৰিষদৰ উদ্যোগত ১৮ মে'ত অনুষ্ঠিত হ'ব লগা ৰঙালী বিহু উদযাপনৰ সকলো কাৰ্যসূচী বাতিল কৰা হৈছে। সাম্প্ৰতিক দেশৰ পৰিস্থিতি আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সাময়িকভাৱে বিহুৰ কাৰ্যসূচী বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। দেশৰ পৰিস্থিতি স্বাভাৱিক হোৱাৰ পিছত পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পুনৰ ৰঙালী বিহু উদযাপন কৰা হ'ব বুলি আয়োজক সমতিয়ে জনাইছে।

# কলগাছিয়াত ৬ পঞ্চায়ত সদস্য নিৰুদ্দেশ, সভাপতি নিৰ্বাচনক লৈ হৰ্চট্ৰেডিং

**ই-সংবাদ, কলগাছিয়া, ১৮ মে':** অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত গঠনৰ দিন ঘোষণা কৰাৰ পিছতেই কলগাছিয়াৰ পৰা নিৰুদ্দেশ হৈছে ৬ গৰাকীকৈ নৱ নিৰ্বাচিত গাঁও পঞ্চায়তৰ সদস্য। গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচনক লৈ সৃষ্টি হৈছে ঘোঁৰা কিনা-বেচা। একোটা ঘোঁৰাৰ দাম উঠিছে ৬ ৰ পৰা ৭ লাখ টকা পৰ্যন্ত। পঞ্চায়ত প্ৰতিনিধিৰ এনে নিকৃষ্ট কাণ্ডক লৈ ৰাইজৰ মাজত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। জানিব পৰা মতে, ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত ১ নং খণ্ডৰ নাজমা খাতুন, ৩ নং খণ্ডৰ ছালেহা খাতুন, ৪ নং খণ্ডৰ জাকিৰ হুছেইন, ৫ নং খণ্ডৰ ছাইফুল ইছলাম খান, ৬ নং খণ্ডৰ শিৰাজুল হক আৰু ১০ নং খণ্ডৰ সদস্য সাহানাজ পাৰবীনে ইতিমধ্যে ঘোঁৰা বিক্ৰী কৰি পলাতক হৈ আছে। নিৰ্বাচিত জনপ্ৰতিনিধিসকলৰ এনে নিকৃষ্ট কৰ্মকাণ্ডৰ বাবে কলগাছিয়াৰ ভোটাৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সম্প্ৰতি নৱ নিৰ্বাচিত গাঁও পঞ্চায়তৰ সদস্যসকলক বিচাৰি হাবাথুৰি খাইছে ভোটাৰ ৰাইজে। নিৰ্বাচনত জয়ী হোৱাৰ পিছত জনপ্ৰতিনিধিয়ে ৰাইজৰ কাম কৰিব বুলি আশা কৰিছিল যদিও নিৰ্বাচনত জিকাৰ পিছতেই প্ৰতিনিধিসকলে ধনৰ বিনিময়ত বিক্ৰী হৈ যোৱাত ৰাইজে দুখ প্ৰকাশ কৰিছে। লগতে এইবেলি ধনৰ বলত দুৰ্নীতিগ্ৰস্ত প্ৰতিনিধি গাঁও পঞ্চায়তৰ সভাপতি হোৱাৰ আশংকা কৰিছে ৰাইজে। সেয়ে এনে দুৰ্নীতিৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিবলৈ অসম চৰকাৰক আহ্বান জনাইছে ভোটাৰ ৰাইজে। সম্প্ৰতি ৰাইজে দুৰ্নীতি মুক্ত এখন পঞ্চায়ত আশা কৰিছিল যদিও নিৰ্বাচিত প্ৰতিনিধিয়ে টকাৰ লোভত বিক্ৰী হৈ যোৱা ঘটনাই অশনি সংকেত বহন কৰিছে। সেয়ে এনে প্ৰতিনিধিয়ে গাঁও পঞ্চায়তত অনাগত দিনত ভয়ংকৰ দুৰ্নীতি সংঘটিত কৰিবলৈ কুণ্ঠাবোধ নকৰিব বুলি ৰাইজে আশংকা প্ৰকাশ কৰিছে।

# নামৰূপৰ ঘিনাইত পৰাগ দাসৰ মৃত্যু দিৱস পালন

**ই-সংবাদ, নামৰূপ, ১৮ মে':** লেখক, নিৰ্ভিক সাংবাদিক, সাহিত্যিক পৰাগ কুমাৰ দাসৰ মৃত্যু তিথি আজি নামৰূপৰ ঘিনাইত পালন কৰা হয়। নিৰ্যাতন বিৰোধী ঐক্য মঞ্চই বৃহত্তৰ ঘিনাই অঞ্চলত আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিত আৰম্ভণিতে শ্বহীদ সাংবাদিক পৰাগ দাসৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লক্ষ্মী নাথ ফুকনে। তেওঁক সহযোগ কৰে সংগঠক প্ৰণৱ ধাদুমিয়া, অসম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন (আপকু)ৰ ডিব্ৰুগড় জিলাৰ সভাপতি স্মৃতি ৰেখা কলিতা আৰু সংবাদকৰ্মীসকলে। সভাৰ আৰম্ভণিতে মৃতকৰ আত্মাৰ সদগতিৰ বাবে এক মিনিট সময় মৌন প্ৰাথনা কৰা হয়। সমূহীয়া স্মৃতিচাৰণ অনুষ্ঠানৰ পিছতে প্ৰাথনা সভা অনুষ্ঠিত হয়। সভাত বক্তা লক্ষ্মী নাথ ফুকনে বক্তব্যত বৰ্তমানৰ সংবাদ মাধ্যমৰ দুৰ্বল স্থিতিক সমালোচনা কৰে। সভাত নিৰ্যাতন বিৰোধী ঐক্য মঞ্চ (অসম)ৰ মুখ্য উপদেষ্টা অৰুণ চেতিয়া, সাধাৰণ সম্পাদক লক্ষীনাথ ফুকন, সংগঠক প্ৰণৱ ধাদুমিয়া, লক্ষ্মী ৰাম তাঁতী, সাংস্কৃতিক সম্পাদক দীপংকৰ দিহিঙীয়া, নামৰূপ প্ৰেছ এণ্ড ছ'চাইটিৰ সম্পাদক সমীৰণ বৰুৱা আদি উপস্থিত থাকে। সভাৰ অন্তত সমূহীয়াভাৱে 'পৰাগ দাসৰ আধৰুৱা কাম, নতুন প্ৰজন্মই সম্পূৰ্ণ কৰিম' শীৰ্ষক শ্ল'গানেৰে সভাৰ সামৰণি মাৰে।



• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ চুতীয়াৰ মৃত্যু

**ই-সংবাদ, মৰিয়নি, ১৮ মে':** যোৰহাট জিলাৰ চেলেংহাট পদুমণি জাপিসজীয়া গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ চুতীয়া আজি দিনৰ প্ৰায় দুই বজাত যোৰহাট মিছন হাস্পতালত মৃত্যু ঘটে। যোৱা কেইবামাহো ধৰি তেওঁ এক জটিল ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ। আমগুৰি আউনিআতি হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্কুলীয়া শিক্ষা আৰম্ভ কৰা প্ৰয়াত প্ৰদীপ চুতীয়াই আমগুৰি মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত পদুমণি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে। সেই সময়ত অপ্ৰাদেশীক ৰূপত স্থাপিত বিদ্যালয়খন পিছলৈ প্ৰাদেশীকৰণ হয়। স্নাতক শিক্ষক প্ৰদীপ চুতীয়াই ২০২২ চনত অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত চুতীয়াই পত্নী, দুগৰাকী কন্যা আৰু বহু ইষ্ট-কুটুম্বক এৰি থৈ যায়।

# গৰু চোৰৰ বিৰুদ্ধে চতিয়া আৰক্ষীৰ পুনৰ অভিযান

**ই-সংবাদ, চতিয়া, ১৮ মে':** বিশ্বনাথ জিলাৰ চতিয়াৰ বিভিন্ন গাঁৱত গৰু চোৰৰ চক্ৰই দীৰ্ঘদিন ধৰি টিঘলঘিলাই থাকি গঞা লোকৰ নিদ্ৰাহৰণ কৰি আছিল। চতিয়া আৰক্ষীয়ে সময়ে সময়ে চোৰৰ বিৰুদ্ধে অভিযান চলায়ো সফল হ'ব পৰা নাছিল। শেহতীয়াভাৱে চতিয়াৰ খনাগুৰি গাঁৱৰ পৰা একেনিশাই তিনিঘৰ গৃহস্থৰ গোহালিৰ পৰা সাতটাকৈ গৰু চুৰি কৰি নিয়াৰ পিছত আৰক্ষী তৎপৰ হয় আৰু অভিযান তীব্ৰ কৰি তোলে। বিশেষ সূত্ৰৰ পৰা আৰক্ষী নিশ্চিত হয় যে এই চুৰিকাণ্ডৰ আঁৰত দৰং জিলাৰ খাৰুপেটীয়া, বেচিমাৰী আদি ঠাইৰ আন্তঃৰাজ্যিক গৰুচোৰ চক্ৰ জড়িত হৈ আছে। চতিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ত্ৰিলোচন দাসৰ নেতৃত্বত কালি এটা আৰক্ষীৰ দল দৰংলৈ ৰাওনা হয়। খাৰুপেটীয়াৰ মোজাম্মিল হ'ক, ইছমাইল আলী আৰু বেচিমাৰীৰ ছফিকুল ইছলামক আৰক্ষীয়ে নিজ নিজ বাসভৱনৰ পৰা আটক কৰি নিশাই চতিয়ালৈ লৈ আনে। আৰক্ষীয়ে কৰা জেৰাত চোৰকেইটাই খনাগুৰি আৰু চতিয়া জামুগুৰিৰ বিভিন্ন গাঁৱৰ পৰা সময়ে সময়ে গৰু চোৰ কৰাৰ কথা স্বীকাৰ কৰে। চোৰকেইটাৰ বিৰুদ্ধে আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি সোধা-পোছা অব্যাহত ৰাখিছে।




# লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কামদেৱ মহন্তৰ তিৰোভাৱ তিথি পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৮ মে':** বৰখঙীয়া গাঁৱৰ লেটুগাম সত্ৰৰ বৈকুণ্ঠগামী সত্ৰাধিকাৰ কামদেৱ মহন্তৰ ১৯ সংখ্যক তিৰোভাৱ তিথি পালনৰ লগতে সত্ৰখনৰ বৰ্তমানৰ সত্ৰাধিকাৰ জগত চন্দ্ৰ মহন্তই ৰচনা কৰা নাট 'পৰীক্ষিতৰ মুক্তি লাভ' আজি সত্ৰখনতে উন্মোচন কৰা হয়। নাটভাগ উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডক্টৰ মানিক শইকীয়াই। এই উদ্দেশ্যে পুৱা সত্ৰখনৰ প্ৰাংগণত ধৰ্মধ্বজা উত্তোলন কৰে সত্ৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি অৰুণ বৰাই, স্মৃতি তৰ্পণ কৰে উপ-সভাপতি আনন্দ বৰাই। মানিক চন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনৰ আঁতধৰে সম্পাদক ভৰত চন্দ্ৰ বৰাই। নাটভাগি উন্মোচন কৰি ডক্টৰ মানিক শইকীয়াই সাম্প্ৰতিক সময়ত বহুলভাৱে অনুষ্ঠিত হৈ থকা প্ৰতিযোগিতাই ভাওনাৰ ঐতিহ্য আৰু মহত্ব ম্লান কৰিছে বুলি কয়। স্থানীয় বোধেশ্বৰ বৰা, নগেন বৰা, প্ৰতাপ শৰ্মাই বক্তব্য আগবঢ়োৱা সভাখনত সত্ৰৰ বৰবায়ন ৰূপে ঠগেশ্বৰ বৰাক, মুক্তিয়াৰ ৰূপে হিতেশ্বৰ বৰাক সত্ৰাধিকাৰে মালা অৰ্পণ কৰে। নাম-প্ৰসংগৰ পাছতে নিশালৈ স্থানীয় যুৱকসকলে পৰীক্ষিতৰ মুক্তি লাভ নাটভাগত অভিনয় কৰে।

# যোৰহাটত 'কথাবন্ধে শ্ৰীকৃষ্ণগীতা' উন্মোচন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৮ মে':** অসম সাহিত্য সভাৰ যোৰহাটস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰা ধৰ্মপৰায়ণ ব্যক্তি গোলাপ বৰবৰাই প্ৰবন্ধন কৰা 'কথাবন্ধে শ্ৰীকৃষ্ণগীতা'খন ১৫ মে'ত উন্মোচন কৰে ৰামায়ণী সাহিত্যৰ গৱেষিকা ডক্টৰ মালিনীয়ে। গ্ৰন্থখনৰ প্ৰবন্ধকে মংগলাচৰণ কৰা আৰু তেওঁৰ নাতি, ৭ বছৰীয়া কণমানি কুমকুম শইকীয়াই প্ৰাৰ্থনাৰে আৰম্ভ কৰা সভাখনত সভাপতিত্ব কৰে ডক্টৰ ৰাতুল চন্দ্ৰ বৰাই। লেখক-সমালোচক হেমচন্দ্ৰ শইকীয়া, ডাক্তৰ গোলাপ ডেকা, নিপেন চন্দ্ৰ দেউৰী, মহেন্দ্ৰ দত্ত, ৰমানন্দন বৰা আৰু ডক্টৰ জ্যোতিৰেখা হাজৰিকাই বক্তব্য আগবঢ়োৱা সভাখনৰ পূৰ্বে 'কৃষ্ণ-অৰ্জুনৰ কথোপকথনৰ মুহূৰ্ত'ৰ প্ৰতিকৃতি উন্মোচন কৰে নবৈৰ উৰ্ধ্বৰ শ্ৰীনাথ শইকীয়াই। কথাবন্ধে শ্ৰীকৃষ্ণ গীতা (শ্ৰীমদ্ভগৱদ)-ত লেখকে ১৮ টা অধ্যায়ৰ সংক্ষিপ্ত বিশ্লেষণেৰে ব্যাখ্যা আগবঢ়োৱাৰ লগতে পাতনি আৰু মুকুতামণিত সংক্ষিপ্ত বিৱৰণ দিছে। গ্ৰন্থখনৰ উন্মোচনৰ সভাত শতাধিক লোক উপস্থিত থাকে।

# চেলেং গাঁও পঞ্চায়তত সভাপতি নিৰ্বাচনক লৈ চেঁপা উত্তেজনা!

**ই-সংবাদ, মৰিয়নি, ১৮ মে':** মৰিয়নি সমষ্টিৰ পূব যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৩ নং চেলেং গাঁও পঞ্চায়তত নৱ নিৰ্বাচিত ৱাৰ্ড সদস্যসকলৰ মাজত সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনা সৃষ্টি হৈছে। সভাপতি পদৰ বাবে ৩ নং ৱাৰ্ডৰ সদস্যা গায়ত্ৰী বাউৰীয়ে গৰিষ্ঠ সমৰ্থন লাভ কৰা বুলি জানিব পৰা গৈছে। তেওঁৰ সৈতে ছজন সদস্যৰ দৃঢ় সমৰ্থন থাকিলেও, গায়ত্ৰীৰ প্ৰতি সমৰ্থন আদায়ৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰা তথা পূৰ্বৰ ৱাৰ্ড সদস্য বিমান বাউৰী আৰু বাউৰীৰ সমৰ্থক ১০ নং ৱাৰ্ড সদস্য অলি আহমেদৰ বিৰুদ্ধে একাংশই অপপ্ৰচাৰ চলাই আছে বুলি অভিযোগ উঠিছে। এই ঘটনাৰ প্ৰতিক্ৰিয়াত, গায়ত্ৰী বাউৰীৰ সমৰ্থকসকলে সভাপতিৰ দৌৰত থকা অন্য এগৰাকী সদস্যাৰ স্বামী তথা প্ৰাক্তন আঞ্চলিক পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যকালত সংঘটিত তিনিটা বৃহৎ অনিয়মৰ তথ্য জনসাধাৰণৰ আগত তুলি ধৰি দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি পূৰ্বৰ আঞ্চলিক পঞ্চায়তৰ সদস্যজনে টেঙাবাৰী লাইনৰ দুই লক্ষাধিক টকাৰ খোৱাপানী আঁচনি, ডেৰ লক্ষাধিক টকাৰ চেলেং দেওঘৰীয়া সাপ্তাহিক বজাৰ গৃহ নিৰ্মাণ আৰু প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহ আবণ্টনৰ ক্ষেত্ৰত বৃহৎ অনিয়ম সংঘটিত কৰে। এই আঁচনিসমূহ নিজৰ বাৰী আৰু ব্যক্তিগত মালিকানাধীন ভূমিত স্থাপন কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ, দৰিদ্ৰ পৰিয়ালৰ বাবে আবণ্টিত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ এটি গৃহ টিয়কৰ সঞ্জীৱ বৰাৰ নামত অনুমোদিত হোৱাৰ পিছতো, কৌশলেৰে সেই আঁচনি তেওঁৰ নিজৰ মাটিত স্থাপন কৰাৰ গুৰুতৰ অভিযোগ তুলিছে। বৰ্তমান সময়ত এই প্ৰাক্তন আঞ্চলিক সদস্যজনে নিজৰ পত্নীক সভাপতি পদত অধিষ্ঠিত কৰি পুনৰ নিজ ইচ্ছামতে পঞ্চায়ত ব্যৱস্থা নিয়ন্ত্ৰণ কৰাৰ পৰিকল্পনা কৰিছে। ফলস্বৰূপে পঞ্চায়তবাসী ৰাইজ উদ্বিগ্ন হৈ পৰিছে। এই প্ৰেক্ষাপটত, সভাপতি পদৰ দৌৰত থকা দুয়ো পক্ষৰ অভিযোগ প্ৰতি অভিযোগে কোনো তৃতীয় পক্ষকহে লাভৱান কৰাৰ সম্ভাৱনা সৃষ্টি হৈছে। ইপিনে, এই পঞ্চায়তৰে সদ্য নিৰ্বাচিত জিলা পৰিষদ সদস্য ৰাজেন গগৈ আৰু আঞ্চলিক পঞ্চায়ত সদস্য মণ্টু কুমাৰ চুতীয়া সম্পূৰ্ণ ঘটনাৰ পৰা আঁতৰি থকা দেখা গৈছে। চেলেং পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচনত শেষ মুহূৰ্তত দলীয় কৌশল আৰু বিধায়কৰ ভূমিকা আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি গুৰুত্বপূৰ্ণ হ'ব বুলি ৰাজনৈতিক ভুল ৰখা মহলে ধাৰণা কৰিছে।

# গোৰেশ্বৰত ১১৬গৰাকী কীৰ্তিমানক অভিনন্দন জ্ঞাপন

**ই-সংবাদ, গোৰেশ্বৰ, ১৮ মে':** অবিভক্ত তামুলপুৰ জিলাৰ বেতনা শিক্ষা আৰু কৃষি উন্নয়ন সংঘৰ উদ্যোগত আজি ১১৬ গৰাকী কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। বেতনা মৌজাৰ শিক্ষানুষ্ঠানসমূহৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা ১১৬ গৰাকী কীৰ্তিমানক অভিনন্দন জ্ঞাপনৰ উদ্দেশ্যে দিনৰ ১১ বজাত উক্ত সংঘৰ কলাগুৰু বিষ্ণু ৰাভা ভৱনত সংঘৰ সভাপতি কৰুণাকান্ত ডেকাৰ সঞ্চালনাত অনুষ্ঠিত আৰু সম্পাদক ধীৰেন্দ্ৰ বৰুৱাই উদ্দেশ্যে ব্যাখ্যা কৰা অভিনন্দন অনুষ্ঠানত মুখ্য বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি বিশিষ্ট লেখক-সমালোচক ময়ূৰ বৰাই নিজৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰে আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীক বাতৰি কাকত পঢ়িবলৈ আহবান জনাই কয় যে দৈনিক বাতৰি কাকতৰ বিজ্ঞাপনবোৰৰ বাহিৰে সম্পাদকীয় পৃষ্ঠাকে ধৰি অন্যান্য দেশ-বিদেশৰ বাতৰি পঢ়িলে অসামৰিক পৰীক্ষাত যথেষ্ট সহায়ক হ'ব। জাতীয়তা চেতনাবোধৰ কথা উল্লেখ কৰি তেওঁ কয় যে ডাক্তৰ-ইঞ্জিনিয়াৰৰ সংখ্যা বৃদ্ধিয়ে এটা জাতি কেতিয়াও বাচি থাকিব নোৱাৰে। আমাক ডাক্তৰ ইঞ্জিনিয়াৰো লাগিব আৰু অন্যান্য অসামৰিক সেৱাৰ বিষয়াও লাগিব। নিজেই অসম লোকসেৱা আয়োগকে ধৰি অন্যান্য সৰ্বভাৰতীয় পৰীক্ষাৰ সাক্ষাৎকাৰ গ্ৰহণকাৰীৰ হিচাপে থকাৰ কথা উল্লেখ কৰি কয় -সৰ্বভাৰতীয় পৰীক্ষাবোৰত অন্যান্য ৰাজ্যৰ পৰীক্ষাৰ্থীতকৈ অসমৰ পৰীক্ষাৰ্থীৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা যায়। বেতনা শিক্ষা আৰু কৃষি উন্নয়ন সংঘৰ উপ-সভাপতি মহেন্দ্ৰ বড়োৱে আদৰণী ভাষণ দিয়া সভাত বিশিষ্ট লেখক বৰাই আৰু কয় যে অধিকসংখ্যক মানুহে বেয়াটোক বেয়া বুলি ক'বলৈ ইচ্ছা প্ৰকাশ নকৰা হৈছে। এয়া সমাজৰ কাৰণে ভাল নহয়। আজি কালি আমি দ্বীপৰ মাজলৈ গৈছো । আমি কেৱল সদায় সদায় নিজা নিজা উন্নয়নৰ কথাহে ভাবো। এইয়া কিন্তু সমাজখনৰ কাৰণে ভাল নহয়। নীৰৱ আৰু নিঃশব্দৰে থকা আৰু সমাজত অন্যায় দেখিও গান্ধাৰীৰ দৰে থকাসকল কেতিয়াও ভাল মানুহ হ'ব বুলি ক'ব নোৱাৰি। ভাষণত একাংশই ৰীল বনোৱা কাৰ্যক তীব্ৰ ভাষাৰে সমালোচনা কৰে আৰু সেইদিশত সচেতন লোকক বিষয়টো গুৰুত্ব দি সমাজখনক ৰক্ষা কৰিবলৈ আহবান জনায়। ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ডঃ ভূপেন হাজৰিকা আদি মনীষীসকলক স্মৰণ কৰি সৃষ্টিশীলতাক অধিক গুৰুত্ব দিবলৈ নতুন প্ৰজন্মক আহবান জনায় বিশিষ্ট লেখক ময়ূৰ বৰাই। উক্ত অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে অৱসৰী শিক্ষক ভুৱনেশ্বৰ নাথ, গোবিন্দ ডেকা, মুক্তা ডেকা, অধ্যক্ষ বিশ্বজিৎ ডেকা আদি। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় সংঘৰ সহঃসম্পাদক প্ৰমোদ চন্দ্ৰ দাসে। উল্লেখ্য যে অভিনন্দন অনুষ্ঠানত বেতনা মৌজাখনৰ অধীনৰ শিক্ষানুষ্ঠানসমূহৰ পৰা (উচ্চ আৰু উচ্চতৰ মাধ্যমিক) প্ৰতিটো বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা ২০ গৰাকী ছাত্ৰী-ছাত্ৰীক নগদ তিনি হাজাৰ টকাকৈ প্ৰদান কৰা হয়। মন কৰিবলগীয়া কথা এয়ে যে আজিৰ অভিনন্দন অনুষ্ঠানত উপস্থিত থকা অধিকসংখ্যক কীৰ্তিমানে সংঘৰ অভিনন্দন গ্ৰহণ কৰিয়ে অনুষ্ঠানস্থলী ত্যাগ কৰি আঁতৰি যোৱা বিষয়টোৱে বহুতকে চিন্তিত কৰি তোলে। অভিনন্দন অনুষ্ঠান উপলক্ষে পুৱা ৯ বজাত সংঘৰ পতাকা উত্তোলন কৰে সভাপতি কৰুণাকান্ত ডেকাই। ৯.৩০ বজাত স্মৃতি তৰ্পণ কৰে মহেন্দ্ৰ বড়োৱে।

# পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, পুৰণিগুদাম, ১৮ মে':** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত ১৯৪৮ চনতে প্ৰতিষ্ঠা হোৱা পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভাখনি আজি বাপুজী ভৱন আৰু পুথিভঁৰাল প্ৰাংগণত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। ৭৭ বছৰ অতিক্ৰম কৰা পুৰণিগুদামৰ সাহিত্য,সংস্কৃতি আৰু শৈক্ষিক অনুষ্ঠানসমূহৰ প্ৰাণকেন্দ্ৰ স্বৰূপ উক্ত অনুষ্ঠানটিৰ সকলো সন্মানীয় সদস্য-সদস্যাৰ উপস্থিতিত কাশ্মীৰৰ পেহেলগামত নিহত সকলৰ আত্মাৰ সদ্‌গতি কামনাৰে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে শিক্ষাবিদ, সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰনাথ গায়ন, বাপুজী ভৱনৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ শৰৎ চন্দ্ৰ খাউণ্ড আৰু নাট্যকাৰ, অভিনেতা দুলেন চন্দ্ৰ গায়নে। পৰৱৰ্তী সময়ত বাপুজী ভৱন আৰু পুথিভঁৰালৰ সাধাৰণ সম্পাদক আৰু সম্পাদক ক্ৰমে দ্বীপেন বৈৰাগী আৰু কুলপ্ৰদীপ দাসে আঁত ধৰা আৰু বাপুজী ভৱনৰ সভাপতি পুলিন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত দুগৰাকী জ্যেষ্ঠ সদস্য ক্ৰমে শৰৎচন্দ্ৰ খাউণ্ড আৰু দুলেন চন্দ্ৰ গায়নক ফুলাম গামোচা, চেলেং, গ্ৰন্থ, স্মাৰক আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পাছতে তিনিগৰাকী সন্মানীয় সদস্য ক্ৰমে বিশিষ্ট কথাছবি পৰিচালক চন্দ্ৰ মুদৈ, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা আৰু বড়মপুৰৰ বিধায়ক জিতু গোস্বামীক বাপুজী ভৱন আৰু পুথিভঁৰালৰ সন্মানীয় সদস্য পদ প্ৰদান কৰা হয় ।ইয়াৰ পাছতে সাধাৰণ সম্পাদকৰ প্ৰতিবেদন পাঠ, বিগত সময়ৰ আয়-ব্যয় হিচাপ ৰাজহুৱাকৰণ কৰা আৰু ৰাইজৰ সৰ্বসন্মতি সিদ্ধান্ত মৰ্মে গৃহীত হোৱাৰ পাছত পুৰণা সমিতিখন ভঙ্গ কৰি পুনৰ পুলিন হাজৰিকাক সভাপতি, কৃষ্ণ গোস্বামী, প্ৰফুল্ল শইকীয়া, দুৰ্লভ শৰ্মা,আৰু বিমল গোঁহাইক উপ-সভাপতি, দ্বীপেন বৈৰাগীক সাধাৰণ সম্পাদক, কুলপ্ৰদীপ দাসক সম্পাদক হিচাপে লৈ সোতৰ জনীয়া এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। উল্লেখযোগ্য যে আজিৰ অনুষ্ঠানতে পেহেলগামত নিহতসকল কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকা আৰু বাপুজী ভৱন আৰু পুথিভঁৰালৰ লগত জড়িত প্ৰয়াত ব্যক্তিসকলৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰাৰ লগতে এক শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চৰকাৰে লোৱা যিকোনো সিদ্ধান্তৰ সপক্ষে আছে জমিয়ত

**ই-হংবাদ, দলগাঁও, ১৮ মে':** সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চৰকাৰে লোৱা যিকোনো সিদ্ধান্তৰ সপক্ষে আছে জমিয়ত- দৰং জিলা জমিয়তৰ উদ্যোগত বেচিমাৰী পৰিদৰ্শন বঙলা প্ৰেক্ষাগৃহত আয়োজিত এখনি সম্বৰ্ধনা অনুষ্ঠানত এই মন্তব্য আগবঢ়ায় অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মোস্তাক আনফৰ নেতৃত্বাধীন জমিয়তৰ ৰাজ্যিক সাধাৰণ সম্পাদক মৌলানা কলিম উদ্দিন আহমেদে । আজি দৰং জিলা জমিয়তৰ উদ্যোগত সদ্য ঘোষিত ২০২৪-২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৮৫% ৰ উৰ্ধ্বৰ নম্বৰ লাভ কৰা কীৰ্তিমান বিদ্যাৰ্থীৰ লগতে মক্তবৰ ৯০% উৰ্ধ্বৰ নম্বৰ লাভ কৰা প্ৰায় দুশ গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচা, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। দলগাওঁ সমষ্টিৰ বেচিমাৰী পৰিদৰ্শন বঙলা প্ৰেক্ষাগৃহত দ্বীনি তালিম বৰ্ডৰ দৰঙৰ সভাপতি মৌলানা আব্দুল বাতেনৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি অসম ৰাজ্যিক জমিয়ত উলামাৰ সাধাৰণ সম্পাদক মৌলানা কৰিম উদ্দিন আহমেদে তেওঁৰ ভাষণ প্ৰসংগত কয়- ভাৰতত সাম্প্ৰদায়িকতাৰ বীজ বিয়পাই দিবলৈ পেহেলগামত চিৰশত্ৰু পাকিস্তানে সন্ত্ৰাসবাদীৰ দ্বাৰা আক্ৰমণ কৰা কাৰ্যক গৰিহণা দিছোঁ। পাকিস্তানৰ নাপাক মনোবাঞ্ছা কেতিয়াও বাস্তৱত পৰিণত নহ'ব। তেওঁ ভাষণ প্ৰসংগত ভাৰত স্বাধীনতা আন্দোলনৰ সময়ত জমিয়তৰ বলিদানৰ ওপৰত বক্তব্য প্ৰদান কৰে। কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলে দেশৰ একো একোজন ভৱিষ্যৎ সম্পদ বুলি আখ্যায়িত কৰি কয় যে, প্ৰত্যেকজন কীৰ্তিমান ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে ডাঙৰ মানুহ হৈ দেশৰ নাম উজ্জীৱিত কৰিব।

# বগৰীবাৰী মহামায়া মন্দিৰ সংযোগী পথে জীয়াতু ভোগাইছে সাধাৰণ পথচাৰীক

## শীঘ্ৰে পথছোৱা মেৰামতিৰ ব্যৱস্থা কৰিবলৈ দাবী স্থানীয় ৰাইজৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ১৮ মে':** যি সময়ত অসম চৰকাৰে গাঁৱে গাঁৱে মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনিৰ যোগেদি কেঁচা ৰাস্তা পকীকৰণ কৰাৰ প্ৰতিযোগিতা চলাইছে, ঠিক তেনে সময়তে বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ ঐতিহাসিক বগৰীবাৰী মা মহামায়া মন্দিৰ সংযোগী অতি গুৰুত্বপূৰ্ণ পথটো মেৰামতিৰ অভাৱত ঠায়ে ঠায়ে পুখুৰী সদৃশ দ গাতৰ সৃষ্টি হৈছে। উল্লেখ্য যে বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী মহামায়া ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ঐতিহাসিকবগৰীবাৰী মা মহামায়া মন্দিৰ সংযোগী পথছোৱা দীৰ্ঘদিনৰ পৰা মহকুমা প্ৰশাসনৰ নাকৰ তলেদি ডাম্পাৰ চলাচল কৰাৰ ফলত বিধ্বস্ত হৈ থকাত যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে সাধাৰণ পথচাৰীৰ লগতে দৰ্শনাৰ্থীসকল। কিন্তু সকলো দেখি শুনিও নেদেখা কুলিৰ ভাও জুৰিছে পৰ্বতঝোৰা মহকুমা প্ৰশাসনৰ লগতে প্ৰমোদ বড়ো বাহিনীয়ে। উক্ত পথছোৱা দীৰ্ঘদিনৰ পৰা জৰাজীৰ্ণ হৈ পথৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড দ গাঁতৰ সৃষ্টি হোৱাৰ ফলত পথছোৱা পুখুৰী সদৃশ হৈ পৰে। পথটো বছৰ বছৰ ধৰি মেৰামতিনকৰাৰ ফলত মন্দিৰলৈ অহা দৰ্শনাৰ্থী, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰায় ৩০ খনৰো অধিক গাঁৱৰ ৰাইজে চিকিৎসা সেৱাৰ লগতে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিব লগা হৈছে। সদাব্যস্ত পথছোৱা মেৰামতি কৰি দিবলৈ BTR প্ৰধান প্ৰমোদ বড়োক বহু বাৰ আবেদন নিবেদন কৰাৰ পিছতো কোনো ধৰণৰ সুফল লাভ নকৰিলে স্থানীয় ৰাইজে। সেয়ে স্থানীয় ৰাইজে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অতি শীঘ্ৰে পথছোৱা পুনৰ নিৰ্মাণ কৰাৰ দাবী জনাইছে।

# কৃত্ৰিম বানপানীৰ গ্ৰাসত উত্তৰ গুৱাহাটী, মুখ্যমন্ত্ৰীৰ তাৎক্ষণিক পদক্ষেপ গ্ৰহণ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৮ মে':** উত্তৰ গুৱাহাটীত এতিয়া আতংকৰ কাৰণ হৈ পৰিছে কৃত্ৰিম বান। এজাক বৰষুণতে উত্তৰ গুৱাহাটীৰ বিস্তীৰ্ণ অঞ্চল এতিয়া একাঁঠুৰ পৰা এককাল পানীত ডুব যায়। উত্তৰ গুৱাহাটী পৌৰ নিগমৰ পথ নিৰ্মাণৰ আঁচনিসমূহ অবিজ্ঞানসন্মতভাৱে ৰূপায়ণ কৰাৰ ফল ভোগ কৰিব লগা হৈছে সাধাৰণ নাগৰিকে। এতিয়া বৰষুণ দিলেই আতংকিত হৈ পৰে উত্তৰ গুৱাহাটীবাসী। গুৱাহাটীৰ নবীন নগৰ, অনিল নগৰ নহয়, এতিয়া সংবাদ মাধ্যমৰ শিৰোনাম হৈ পৰিছে উত্তৰ গুৱাহাটীৰ বিভিন্ন অঞ্চল। যোৱা দুদিনমান ধৰি হৈ থকা মূষলধাৰ বৰষুণৰ ফলত কলবাৰী, অভয়পুৰ, কটাহবজাৰ, কদমতল, শিলসাঁকো, মধুপুৰ, ৰহধলা, ৰুদ্ৰেশ্বৰ, বিহলঙনী আদিৰ বিস্তীৰ্ণ অঞ্চল আৰু আমিনগাঁৱৰ মুৰ্গীপট্টি, শ্ৰীনাথপট্টি আদি অঞ্চল জলমগ্ন হৈ যাতায়াত ব্যৱস্থা ব্যাহত কৰি তুলিছে। কামৰূপ জিলা প্ৰশাসনৰ লোকে অঞ্চলসমূহ পৰিদৰ্শন কৰি ৰাইজক কৃত্ৰিম বানপানীৰ পৰা মুক্ত কৰাৰ আশ্বাস দিছে যদিও ৰাইজে সেয়া আস্থাত ল'ব পৰা নাই। এইক্ষেত্ৰত ৰাইজে মুখ্যমন্ত্ৰীৰ সমষ্টি হিচাপে হিমন্ত বিশ্ব শৰ্মাৰ পোনপটীয়া হস্তক্ষেপ বিচাৰি আবেদন কৰাত মুখ্যমন্ত্ৰীয়েও সঁহাৰি দি তেওঁৰ ব্যক্তিগত সচিব তথা ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যক তাৎক্ষণিকভাৱে পৰিস্থিতিৰ বুজ ল'বলৈ নিৰ্দেশ দিয়ে। এই অনুসাৰে যোৱা ১৬ মে'ত ৰঞ্জিত ভট্টাচাৰ্যই উত্তৰ গুৱাহাটীৰ বিভিন্ন কৃত্ৰিম বানপানী অধ্যুষিত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পানী নিষ্কাশনৰ বাবে বৰ্তমান ৮টা বৃহৎ বৃহৎ মেচিন স্থাপন কৰি পানী নিষ্কাশন কৰি থকা হৈছে। ৰাইজে মুখ্যমন্ত্ৰীৰ এই তাৎক্ষণিক পদক্ষেপক আদৰণি জনাইছে যদিও এই দুৰ্যোগৰ এক স্থায়ী সমাধানৰ বাবে আশাৰে বাট চাইছে।

# বিটিআৰ নিৰ্বাচনত অকলেই যুঁজ দিব বিজেপিয়েঃ বিশ্বজিৎ দৈমাৰীৰ তাৎপৰ্যপূৰ্ণ ঘোষণা

**ই-সংবাদ, ডিমাকুছি, ১৮ মে':** সমাগত বিটিআৰ নিৰ্বাচন। আগন্তুক বিটিআৰ নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে প্ৰতিটো ৰাজনৈতিক দল। পিছ পৰি ৰোৱা নাই ৰাষ্ট্ৰীয় দল বিজেপি , এটাৰ পিছত এটাকৈ আঁচনি আৰু আধাৰশিলা স্থাপনেৰে বিটিআৰ দখলৰ লক্ষ্য বিজেপিৰ। মুঠতে যিকোনো মূল্যৰ বিনিময়ত বিটিআৰ দখলৰ ব্লুপ্ৰিন্ট শাসকীয় বিজেপি দলৰ। ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনত দলটোৱে চমকপ্ৰদ ফলাফল লাভ কৰাৰ পিছতে বিটিআৰ দখলক লৈ বিজেপি অধিক আক্ৰমণাত্মক হৈ উঠা পৰিলক্ষিত হৈছে। ইতিমধ্যে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মিচন বিটিআৰ ঘোষণা কৰি বিটিআৰত আগ্ৰাসী হৈ উঠা দেখিবলৈ পোৱা গৈছে। আনকি হঠাৎ বিটিআৰত তৎপৰ হৈ উঠিছে মন্ত্ৰী, বিধায়ক তথা দলীয় শীৰ্ষ নেতৃত্ব। ইয়াৰ মাজতে ওদালগুৰি জিলাৰ পানেৰী বিধানসভা সমষ্টিৰ ৰাইজৰ মাজত দেখা গ'ল বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক। বিটিআৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে পানেৰী সমষ্টিৰ বিধায়ক তথা বিধান সভাৰ অধ্যক্ষগৰাকীক দেখা গ'ল সমষ্টিৰ ইমূৰৰ পৰা সিমূৰলৈ উন্নয়নমূলক কামৰ তদাৰক কৰা তথা বিভিন্ন আঁচনি ৰূপায়ণত ব্যস্ত হোৱা। শনিবাৰে পানেৰী সমষ্টিৰ বিভিন্ন অঞ্চলত বিধানসভাৰ অধ্যক্ষগৰাকীয়ে প্ৰায় এক কোটি টকাৰ বহুকেইখন উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভ কৰে। কণ কণ শিশুসকলৰ শাৰীৰিক, মানসিক তথা বৌদ্ধিক বিকাশ সাধনৰ কমাৰশাঁল আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে অধ্যক্ষগৰাকীয়ে। পানেৰী সমষ্টিৰ নিজ পটলা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, গালাচুৰা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, মহলীয়াপাৰা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু পুৰণি ভেৰগাঁৱত স্থাপন হ'ৱলগীয়া আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে শুভ উদ্বোধনী কৰে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই অত্যাধুনিক অংগনৱাড়ী কেন্দ্ৰসমূহৰ জড়িয়তে সমাজৰ শিশুসকলে এক সুস্থ শৈক্ষিক তথা মানসিক বাতাবৰণ লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। আধাৰশিলা স্থাপন উপস্থিত থাকিয়েই বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক সভাপতিয়ে যিহেতু বিটিআৰত অকলেই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি মন্তব্য কৰিছে।আধাৰশিলা স্থাপন অনুস্থানৰ জৰিয়তেই বিজেপিয়ে ওদালগুৰিত আগন্তুক বিটিআৰ নিৰ্বাচনৰ ৰণশিঙা বজায়।

# চাউলখোৱাত শিক্ষাৰ্থীক গোল্ডেন ষ্টাৰ ক্লাবৰ সম্বৰ্ধনা

**ই-সংবাদ, ডিব্ৰুগড়, ১৮ মে':** ডিব্ৰুগড়ৰ চাউলখোৱা ঘৰবন্দীচুকৰ গোল্ডেন ষ্টাৰ ক্লাবৰ উদ্যোগত আজি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা চাউল খোৱা, ঘৰবন্দীচুক, গ্ৰান্ট গাঁৱকে আদি কৰি অঞ্চলটোৰ ৫৩ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ ফুলাম গামোচা, স্মাৰক আৰু একোখনকৈ প্ৰমাণ-পত্ৰ দিয়া হয়। সম্বৰ্ধনা অনুষ্ঠানত গোল্ডেন ষ্টাৰ ক্লাবৰ সভাপতি ছলমান আলি, গাঁওপ্ৰধান ৰুবুল আলী, প্ৰাক্তন শিক্ষক হেমেন্দ্ৰ গগৈ, গাভৰু পথাৰ আৰক্ষী তত্বাৱধায়ক বুবুল ৰাজবংশী, ৱাৰ্ড সদস্যা মহিমা বেগম, ৰিয়াধ আহমেদ, মতিউৰ ৰহমান, আব্দুল ছহিদ, ৰাচিব আহমেদ, ৰেজিব আলী, মুজিবুৰ ৰহমান, চেলিম আহমেদ, নাৱাজ আলী, আব্দুল হক, মুহিবুৰ হুছেইন ভাইটি, ৰচিদ আহমেদ, চুনাৰাই ঘাটোৱাৰ, ইৰছাদ আনচাৰী, লিয়াকত আলী, ডেনিয়েল আলী, তহিৰ উদ্দিন আহমেদ আদিকে ধৰি বহু গণ্য-মান্য লোক উপস্থিত থাকে।

# পুৰণিগুদামত পৰাগ কুমাৰ দাসৰ স্মৃতিচাৰণ অনুষ্ঠান

**ই-সংবাদ, পুৰণিগুদাম, ১৮ মে':** সমগ্ৰ অসমৰ লগতে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত আজি বিশিষ্ট সাংবাদিক তথা মানৱ অধিকাৰ সংগ্ৰাম সমিতি (মাছ)ৰ প্ৰতিষ্ঠাপক সচিবপ্ৰধান পৰাগ কুমাৰ দাসৰ ২৯ সংখ্যক মৃত্যুবাৰ্ষিকী পালন কৰা হয়। মানৱ অধিকাৰ সংগ্ৰাম সমিতি (মাছ)ৰ অন্যতম পুৰণিগুদাম আঞ্চলিক শাখাৰ উদ্যোগত অনুষ্ঠিত হোৱা পৰাগ স্মৃতিচাৰণ অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে মাছৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভানেত্ৰী জয়ন্তী দাসে। শাখাৰ সম্পাদক প্ৰতাপ দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পৰাগ কুমাৰ দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰফুল্ল কলিতাই আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ প্ৰাক্তন সম্পাদক দেৱজিৎ কলিতাই। ইয়াৰ পিছতেই বিশিষ্ট মানৱ অধিকাৰ কৰ্মী মহীকান্ত মুদৈ, প্ৰদীপ বৰা, ইমতাজ হুছেইন প্ৰমুখ্যে বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত ৰাষ্ট্ৰবাহিনী আৰু প্ৰতি বিপ্লৱী ঘাতকৰ হাতত ১৯৯৬ চনৰ ১৭ মে'ত গুৱাহাটীৰ ৰাজগড়ত দিন-দুপৰতে হত্যাৰ বলি হোৱা পৰাগ কুমাৰ দাসৰ হৃদয়বিদাৰক স্মৃতি সুঁৱৰি স্মৃতিচাৰণৰ এক অনুষ্ঠান ৰূপায়ণ কৰে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39





# পুৰণিগুদামত পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱস 'কলমৰ দিন' হিচাপে পালন

**ই-সংবাদ, পুৰণিগুদাম, ১৮ মে':** নগাঁও জিলাৰ পুৰণি সদৰ ঠাই পুৰণিগুদামত পুৰণিগুদাম ৰাজপথৰ গ্ৰন্থমেলাৰ উদ্যোগত আজি কলমৰ দিন উপলক্ষে সন্ত্ৰাসবাদ বিৰোধী কবিতা পাঠৰ আয়োজন কৰা হয়। সন্ত্ৰাসবাদীৰ গুলিত নিহত সাহসী সাংবাদিক পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱসত পুৰণিগুদামত সন্ত্ৰাস বিৰোধী কবিতা পাঠ আৰু এই দিনটি পৰাগ কুমাৰ দাসৰ আদৰ্শ জীয়াই ৰখাৰ বাবে 'কলমৰ দিন' পালন কৰে। পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতাৰ সঞ্চালনাত হোৱা অনুষ্ঠানটো পুৰণিগুদাম কবি সন্মিলনৰ সম্পাদক মন্টুল কুমাৰ শৰ্মাই আঁত ধৰে। সন্ত্ৰাসবাদ বিৰোধী কবিতা পাঠৰ অনুষ্ঠানত ৰাজপথৰ গ্ৰন্থমেলাৰ পৰিচালক শিশুবন্ধু দুলাল বৰাই ভাষণ প্ৰসংগত কয়, শৈশৱতে ককাৰ মুখত শুনা। যুদ্ধত সাধাৰণ দুখীয়া লোকে পোৱা দুখ-দুৰ্দশাৰ কাহিনী ককাগৰাকীয়ে গাঁৱে গাঁৱে গৈ গাই ফুৰিছিল। যুদ্ধ নালাগে আমাক।সন্ত্ৰাসবাদ নালাগে আমাক। ধনী লোকে কাজিয়া কৰে আৰু যুদ্ধ লগায় কিন্তু যুদ্ধ ক্ষেত্ৰলৈ নাযায়। তেতিয়া ককাগৰাকীক গাঁৱৰ গঞাই পাগল বুলিছিল, ভিক্ষাৰী বুলিছিল।আজিও এই অনুষ্ঠান আয়োজন কৰাৰ বাবে আমাক ঘৰে-বাহিৰে যুদ্ধ আৰু সন্ত্ৰাসবাদ সৃষ্টিকৰি থকা সকলে নিশ্চয় পাগল বুলি ক'ব। কওক তেওঁলোকে আমাক পাগল বুলি ক'লেও আমি কৈ থাকিম। বিশ্ববাসীৰে সম্পদ শিশুসকলৰ বাবে। আমাক যুদ্ধ নালাগে, যুদ্ধ কৰিবলৈ সন্ত্ৰাসবাদী সৃষ্টি নকৰিবা। পাৰা যদি মানুহ সৃষ্টি কৰা। আজিৰ এই সন্ত্ৰাসবাদ বিৰোধী কবিতা পাঠৰ অনুষ্ঠানত সমীক্ষক হিচাপে ত্ৰিদীপ লস্কৰ উপস্থিত আছিল। অনুষ্ঠানত কবিতা পাঠ কৰে সাহিত্যিক পেঞ্চনাৰ চন্দ্ৰ শইকীয়া, ভাৰতী বৰা, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, প্ৰবীণ কুমাৰ বৰা, কিশোৰ দাস, অশোকৰাম ভট্টাচাৰ্য, কমল চন্দ্ৰ শৰ্মা, ৰিন্টু দাস গোস্বামী, শেৱালি বৰুৱা শইকীয়া, অনু কোঁৱৰ সিংহ, প্ৰীতি চৌধুৰী,জয়ন্তী বৰা, অনুভৱ বৰা, সীমা দেৱী, দুলাল শৰ্মা, নিভাৰাণী শইকীয়া, ৰণজিৎ বৰা, প্ৰাণকৃষ্ণ ডেকা, মিন্টু বৰুৱা, চন্দন ফুকন, ইবাদক মোস্তাক হুছেইন, দ্বিজেন্দ্ৰ নাথ হাজৰিকাই।আজিৰ অনুষ্ঠানত মুকুতা ৰাজা, প্ৰফুল্ল বৰা, জেউতি হাজৰিকাই গীত পৰিবেশন কৰে।

# নামতি চাৰিআলিৰ সম্প্ৰীতি মেডিকেল ষ্টৰত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, গেলেকী, ১৮ মে':** কালি সন্ধিয়া নামতি চাৰিআলিৰ স্থিত সম্প্ৰীতি মেডিকেল ষ্ট'ৰত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় । ফাৰ্মাচীখনৰ স্বত্বাধিকাৰী নিখিল বৰুৱাৰ বিৰুদ্ধে হিমাংশু চুতীয়া নামৰ এজন মেডিচিন কোম্পানীৰ কৰ্মচাৰীক শাৰীৰিকভাৱে অপদস্থ কৰাৰ গুৰুত্বৰ অভিযোগ উঠিছে। ঘটনাৰ বিৱৰণী মতে কালি দিনৰ প্ৰায় ১২ বজাত সম্প্ৰীতি নামৰ ব্যক্তিগত মেডিকেল ষ্ট'ৰত চিকিৎসা প্ৰদান কৰা চিকিৎসক ডাঃ বিপুল বৰুৱাক লগ কৰিবলৈ আহিছিল এজন মেডিচিন কোম্পানীৰ কৰ্মচাৰী যুৱক হিমাংশু চুতীয়াই। কৰ্মচাৰী যুৱকজনে মেডিকেল ষ্ট'ৰখনলৈ আহি ডাঃ বিপুল বৰুৱাক নাপায়। তেতিয়া ফোনৰ যোগেৰে ডাঃ বিপুল বৰুৱাক মেডিচিন কোম্পানীৰ কৰ্মচাৰী যুৱক হিমাংশু চুতীয়াই এখন বিশেষ নথি যোগান ধৰিবলৈ অনুৰোধ কৰে। যুৱকজনে জনোৱা মতে তেতিয়া ফোনতে ডাঃ বিপুল বৰুৱাই তেওঁৰ চেম্বাৰত থকা সেই বিশেষ নথিখন লৈ ল'বলৈ অনুমতি দিয়ে। কাৰণ ডাঃ বিপুল বৰুৱাৰ লগত পূৰ্বৰ পৰাই চিনাকি আছিল যুৱকজনৰ সৈতে। যুৱকজনে এই কথা স্বত্বাধিকাৰ নিখিল বৰুৱাক সোধাত বিভিন্ন অশ্লীল গালি-গালাজ পৰাৰ লগতে নথি সংগ্ৰহ নকৰোতেই যুৱকজনক চোৰ আখ্যাৰ দিয়ে আৰু শাৰীৰিকভাৱে অপদস্থ কৰে। শাৰীৰিকভাৱে অপদস্থ কৰাৰ বাবে যুৱকজনে স্বত্বাধিকাৰী নিখিল বৰুৱাৰ বিৰুদ্ধে পৰৱৰ্তী সময়ত আমগুৰি থানাত এখন এজাহাৰ দাখিল কৰে। পৰৱৰ্তী সময়ত এই খবৰ বিয়পি পৰাত মেডিচিন কোম্পানীৰ কৰ্মচাৰীৰ সংস্থা চি, আৰ,ইউৰ কৰ্মী আহি নামতি চাৰিআলিস্থিত সম্প্ৰীতি মেডিকেল ষ্ট'ৰ ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰে। লগতে স্বত্বাধিকাৰী নিখিল বৰুৱাৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ শ্লʼগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ঘটনাস্থলীত আমগুৰি আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উল্লেখযোগ্য যে পূৰ্বেও এই মেডিকেল ষ্টৰখনৰ বিৰুদ্ধে নানা ধৰণৰ অভিযোগ উত্থাপিত হৈ আহিছে।

# উৰিয়ামঘাট প্ৰেছ ক্লাবৰ উদ্যোগত পৰাগ কুমাৰ দাসলৈ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, সৰুপথাৰ, ১৮ মে':** সৰুপথাৰ সম জিলাৰ অন্তৰ্গত উৰিয়ামঘাট প্ৰেছ ক্লাবৰ উদ্যোগত উৰিয়ামঘাটত প্ৰয়াত সাংবাদিক পৰাগ কুমাৰ দাসলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। এই উপলক্ষে উৰিয়ামঘাট আঞ্চলিক সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ খেলপথাৰস্থিত গণশিল্পী প্ৰয়াত ডঃ ভূপেন হাজৰিকাৰ আৱক্ষমূৰ্ত্তিৰ সন্মুখত সাংবাদিকগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোৰ আঁত ধৰে উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সম্পাদক ভূপেন শইকীয়াই। প্ৰেছ ক্লাবৰ সভাপতি প্ৰতাপ গগৈয়ে প্ৰয়াত সাংবাদিক সাংবাদিকগৰাকীৰ  জীৱনৰ ওপৰত আলোকপাত কৰি উঠি অহা প্ৰজন্মক তেখেতৰ কৰ্ম আৰু চিন্তা-চেতনাৰে আগবাঢ়ি যাবৰ বাবে আহ্বান জনায়।অনুষ্ঠানত ৰেংমা সীমান্ত হাইস্কুলৰ সহকাৰী শিক্ষক ছবিৰাম শইকীয়া, আটাছুৰ অনন্ত গগৈ,আছু নেতা বিকাশ বৰায়ো বক্তব্য ৰাখৰ লগতে অঞ্চলটোৰ ভালেসংখ্যক অনুষ্ঠানৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধি, প্ৰেছ ক্লাবৰ বিষয়ববীয়া-সদস্য উপস্থিত থাকে।

# পুৰণিগুদামত পৰাগ কুমাৰ দাসৰ স্মৃতিচাৰণ অনুষ্ঠান

**ই-সংবাদ, পুৰণিগুদাম, ১৮ মে':** সমগ্ৰ অসমৰ লগতে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত কালি বিশিষ্ট সাংবাদিক তথা মানৱ অধিকাৰ সংগ্ৰাম সমিতি (মাছ)ৰ প্ৰতিষ্ঠাপক সচিবপ্ৰধান পৰাগ কুমাৰ দাসৰ ২৯ সংখ্যক মৃত্যুবাৰ্ষিকী পালন কৰা হয়। মানৱ অধিকাৰ সংগ্ৰাম সমিতি (মাছ)ৰ অন্যতম পুৰণিগুদাম আঞ্চলিক শাখাৰ উদ্যোগত অনুষ্ঠিত হোৱা পৰাগ স্মৃতিচাৰণ অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে মাছৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভানেত্ৰী জয়ন্তী দাসে। শাখাৰ সম্পাদক প্ৰতাপ দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পৰাগ কুমাৰ দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰফুল্ল কলিতাই আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ প্ৰাক্তন সম্পাদক দেৱজিৎ কলিতাই। ইয়াৰ পিছতেই বিশিষ্ট মানৱ অধিকাৰ কৰ্মী মহীকান্ত মুদৈ, প্ৰদীপ বৰা, ইমতাজ হুছেইন প্ৰমুখ্যে বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত ৰাষ্ট্ৰবাহিনী আৰু প্ৰতি বিপ্লৱী ঘাতকৰ হাতত ১৯৯৬ চনৰ ১৭ মে'ত গুৱাহাটীৰ ৰাজগড়ত দিন-দুপৰতে হত্যাৰ বলি হোৱা পৰাগ কুমাৰ দাসৰ হৃদয়বিদাৰক স্মৃতি

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# বটদ্ৰৱাত বীৰ শ্বহীদ লীলাকান্ত কলিতাৰ মাতৃ ৰেৱতী কলিতাৰ দেহাৱসান

**ই-সংবাদ, বেবেজীয়া, ১৮ মে':** নগাঁও জিলাৰ বটদ্ৰৱাৰ ৰাষ্ট্ৰীয় বীৰ শ্বহীদ লীলাকান্ত কলিতাৰ মাতৃ ৰেৱতী কলিতাৰ শনিবাৰে নিজ বাসগৃহত দেহাৱসান ঘটে। বিগত কিছুবছৰ ধৰি শাৰীৰিক অসুস্থতাৰ হেতু চিকিৎসকৰ পৰামৰ্শমতে নিজ গৃহতে চিকিৎসা গ্ৰহণ কৰি থকা ৰেৱতী কলিতাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। ধৰ্মপ্ৰাণা, সৰ্বৱহী মহিলাগৰাকীৰ দেশপ্ৰেমী পুত্ৰ লীলাকান্ত কলিতা যোৱা ২০১০ চনৰ ৬ এপ্ৰিলত চত্তিশগড়ৰ ডান্টেৱাৰা জিলাৰ তাৰমেটলা নামৰ এখন ঘন জংঘলত সন্ত্ৰাসবাদীৰে হোৱা সংঘৰ্ষত সাহসেৰে যুঁজি দেশৰ হকে প্ৰাণ দি শ্বহীদ হৈছিল। বৰপুত্ৰৰ এনে অকাল মৃত্যুৰ পিছত মানসিকভাৱে ভাগি পৰা বয়োজ্যেষ্ঠ মহিলাগৰাকী পৰৱৰ্তী সময়ত শাৰীৰিকভাৱে অসুস্থ হৈ পৰিছিল। আনকি, বীৰ পুত্ৰ লীলাকান্ত কলিতাৰ মৃত্যুৰ পিছত আৰ্থিক দৈন্যৰ বাবে প্ৰয়োজনীয় চিকিৎসা মহিলাগৰাকীয়ে গ্ৰহণ কৰিব পৰা নাছিল বুলি জানিব পৰা গৈছে। সৎ, অমায়িক, মৰমিয়াল স্বভাৱৰ ৰেৱতী কলিতাৰ বিয়োগত বৃহত্তৰ বটদ্ৰৱা অঞ্চলত শোকৰ ছাঁ পৰাৰ বিপৰীতে স্থানীয় বিধায়ক ৰূপক শৰ্মা, বটদ্ৰৱা নাগৰিক মঞ্চ, বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপন সমিতি, বটদ্ৰৱা সাংবাদিক সন্থাকে প্ৰমুখ্য কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ প্ৰমোদ কলিতা, অনিল কলিতা, দুগৰাকী বোৱাৰী, তিনিগৰাকী জীয়ৰী, জোঁৱাই, নাতি নাতিনীসহ বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।

# বঢ়মপুৰ সমষ্টিৰ ২৭০টা ধৰ্মীয় অনুষ্ঠানলৈ বিধায়ক জিতু গোস্বামীৰ চেক

**ই-সংবাদ, পুৰণিগুদাম, ১৮ মে':** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ নগাঁৱৰ বাসভৱনত আজি অসম দৰ্শন আঁচনিৰ অধীনত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ নামঘৰ,মন্দিৰ তথা ধৰ্মীয় অনুষ্ঠানৰ উন্নয়নৰ কাৰণে চেক বিতৰণ কৰাৰ লগতে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা প্ৰায় শতাধিক লোকক চিকিৎসাৰ বাবে আৰ্থিক সাহাৰ্য্যৰ চেক বিতৰণ কৰে। জানিব পৰা মতে, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আজি নিজৰ বাসভৱনত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত খাটোৱাল শিৱ মন্দিৰ, খাটোৱাল নতুন নামঘৰ, বকুলতল কৃষ্ণ মন্দিৰ, কুৰুৱাবাহী ৰাভাচুক নামঘৰ, গেন্ধালী আমগুৰি শিৱ মন্দিৰ, গেন্ধালী আদৰ্শ গাঁৱৰ শিৱ মন্দিৰ, ব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰ, বৰঙাতলি দুৰ্গা মন্দিৰ, ভেলেউগুৰি শিৱ মন্দিৰ, পহুকটা শিৱ মন্দিৰ, আমনিগাঁও শিৱ মন্দিৰ, বাঘবৰালি মাজগাঁও নামঘৰ, চামগুৰি গ্ৰান্ট বৰনাম ঘৰ, মাজৰআটি সোমনাথ শিৱ মন্দিৰ, পুৰণিগুদাম দুৰ্গা মন্দিৰ, বিষয়াচুক বাসুদেৱ থানকে ধৰি সমষ্টিটোৰ প্ৰায় ২৭০ টা নামঘৰ, শিৱ মন্দিৰ তথা ধৰ্মীয় অনুষ্ঠানলৈ ৰাজ্য চৰকাৰে অসম দৰ্শন আঁচনিৰ অধীনত তিনি লাখ টকা আৰ্থিক সাহায্য প্ৰদান কৰিব। তাৰে প্ৰথম কিস্তিৰ ডেৰলাখ টকা চেক আজি বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে উক্ত ধৰ্মীয় অনুষ্ঠান সমূহৰ সভাপতি আৰু সম্পাদকসকলৰ হাতত অৰ্পণ কৰে। উক্ত অনুষ্ঠানতে বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা বঢ়মপুৰ সমষ্টিৰ বিভিন্ন অঞ্চলৰ প্ৰায় শতাধিক লোকক চিকিৎসাৰ বাবে এককালীন সাহায্যৰ চেক প্ৰদান কৰে বুলি জানিব পৰা গৈছে।

# পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ যোৰহাট জিলা সমিতিৰ সম্প্ৰসাৰণ

**ই-সংবাদ, মৰিয়নি, ১৮ মে':** যোৰহাট জিলাৰ নকছাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত যোৱা ১৭ মে' তাৰিখে যোৰহাট জিলা পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ এখনি কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। যোৰহাট জিলা পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি ইন্দ্ৰেশ্বৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হয়। পূৰ্বৰ সভাৰ সিদ্ধান্ত মৰ্মেই জিলা সমিতিৰ সম্প্ৰসাৰণৰ বাবেই সভাখনৰ আহ্বান কৰা হয়। সভাৰ সৰ্বসন্মত ক্ৰমে নবীন গগৈক মুখ্য সম্পাদকৰ দায়িত্ব দিয়া হয়। উল্লেখ্য যে ব্যক্তিগত কাৰণত পূৰ্বৰ সম্পাদকে পদত্যাগ কৰাৰ ফলত পদটি খালী হৈ আছিল। বিনোদ চাংমাই, পবিত্ৰ বুঢ়াগোহাঁই, ইন্দ্ৰেশ্বৰ পাত্ৰ আৰু সত্যজিত ফুকনক উপ-সভাপতিৰ দায়িত্ব প্ৰদান কৰে। ইয়াৰোপৰি তপন পাত্ৰ, দিগন্ত লাহন, কৈলাশ বৰা আৰু নগেন বৰুৱাক সহকাৰী সম্পাদক তথা ফটিক গগৈ, প্ৰনৱ বৰুৱা আৰু উমা নেওগক সাংগঠনিক সম্পাদক হিচাপে মনোনীত হয়। সভাত পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক লোকেন্দ্ৰ বুঢ়াগোহাঁই, বিজয় সন্দিকৈ, কেন্দ্ৰীয় সমিতিৰ ভাষা আৰু আলোচনী বিভাগৰ সদস্য অনুৰঞ্জন দুৱৰাৰ লগতে ভালেকেইজন কেন্দ্ৰীয় সমিতিৰ সদস্যৰ লগতে জিলা সমিতিৰ বিভিন্নজন উপস্থিত থাকে।

# বিশিষ্ট কবি, সাহিত্যিক, শিক্ষাবিদ, অৱসৰী অধ্যক্ষ সুশীল বৰাৰ দেহাৱসান

**ই-সংবাদ, বেবেজীয়া, ১৮ মে':** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত কুজিদাঁহৰ উলুবাৰী-বেজৰচুক গাঁৱৰ নিবাসী বিশিষ্ট শিক্ষাবিদ, কবি, সাহিত্যিক তথা সমাজসেৱী সুশীল বৰাৰ শনিবাৰে পুৱাৰ ভাগত নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ । ১৯৯৪ চনত কুজিদাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰা বৰাই ১৯৯২ চনত ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা লাভ কৰিছিল। তেওঁ প্ৰেছ ক্লাব বেবেজীয়াৰ প্ৰতিষ্ঠাপক সভাপতি আৰু কুজিদাঁহ আঞ্চলিক শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। কবি, সাহিত্যিক সুশীল বৰাই তৰংগিণী (১৯৯০ ), আকাশী গংগাৰ ঢৌ, কাঁচিয়লি ৰ'দৰ ৰেঙনি, আগলতি কলাপাত, গীতাঞ্জলি আদি বহু কবিতা, গীত আৰু গল্প সংকলন প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁ ১৯৭৭ চনত কুজিদাঁহত অনুষ্ঠিত হোৱা নগাঁও জিলা অংকীয়া নাট অভিবৰ্তনৰ স্মৃতিগ্ৰন্থখন সম্পাদনা কৰিছিল। এই স্মৃতিগ্ৰন্থখন অসমৰ বহু কেইজন প্ৰথিতযশা সাহিত্যকৰ লেখাই শুৱনি কৰিছিল। তদুপৰি 'স্বাধীনতা সংগ্ৰামত বৃহত্তৰ হাতীচোং মৌজা'কে ধৰি আন কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ তেওঁ লিখি থৈ গৈছে। ২০০৬ চনত ভাৰত চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ পৰা সাহিত্যিক ফেল'শ্বিপ, ২০১৭ চনত অসম চৰকাৰৰ সাহিত্যিক পেন্সন, ২০১৮ চনত 'ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় বঁটাকে ধৰি বহু সন্মান তেওঁ লাভ কৰিছিল। এই বিশিষ্ট ব্যক্তিজনৰ বিয়োগৰ বতৰা পোৱাৰ লগে লগে প্ৰেছ ক্লাব বেবেজীয়া, কুজিদাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়, হাতীচোং মহাবিদ্যালয়, শ্ৰীমন্ত শংকৰ চ'ৰা কলা পৰিষদ, কুজিদাঁহ যুৱীয়া নামঘৰ, কুজিদাঁহ শাখা সাহিত্য সভা, সদৌ অসম এলপাইন জনগোষ্ঠী পৰিষদ, নগাঁও কুইজ ফ'ৰাম, হাতীচোং মজলীয়া বিদ্যালয়, নগাঁও জিলা কবি সন্মিলন, জাজৰি প্ৰেছ ক্লাব, হাতীচোং তিলক সংঘ, কমাৰচুক পুঁৱতি সাংস্কৃতিক গোষ্ঠী, সোণাইপৰীয়া শাখা কবি সন্মিলনকে ধৰি বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াসকলৰ লগতে বহু সংখ্যক গুণমুগ্ধ বাসগৃহত উপস্থিত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা জনায়। তেওঁৰ মৃত্যুত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী, বিশিষ্ট সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকা, নিবন্ধকাৰ মোহিনীমোহন ডেকা, সু-সাহিত্যিক ভৱেশ মেধি, শিক্ষাবিদ জীৱনৰাম বৰুৱা, প্ৰদীপ শইকীয়া, কাৰুণ্য ভট্টাচাৰ্য, কৰবী নিগিৰা, শিল্পী ৰঞ্জন বেজবৰুৱা, সুলেখক শোনিতৰঞ্জন হাজৰিকা, জাজৰি প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত মুদৈ, প্ৰেছ ক্লাব বেবেজীয়াৰ সভাপতি সমীৰ হাজৰিকা, উপ-সভাপতি কল্যাণ কুমাৰ বৰা, সম্পাদক প্ৰাঞ্জল বৰদলৈ, কবি সঞ্জীৱ সাগৰ চৌধুৰী, কুইজ পৰিচালক চন্দ্ৰজিৎ দাস, শিল্পী তৰুণ শইকীয়া, কানু কন্দলিকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নী তথা অৱসৰী প্ৰধান শিক্ষয়িত্ৰী ফুল বৰা, পুত্ৰ-বোৱাৰী, দুগৰাকী জীয়ৰী, নাতি-নাতিনীকে ধৰি বহু আত্মীয়-কুটুম্বক ইহসংসাৰত এৰি যায়।

# গোলকগঞ্জত নিশা নিশা অভাৰলোড ডাম্পাৰৰ দৌৰাত্ম্য

**ই-সংবাদ, গোলকগঞ্জ, ১৮ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ মাজমজিয়াৰে নিশাৰ ভাগত অভাৰলোড শিল কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্যই সাধাৰণ ৰাইজৰ জীৱনৰ ওপৰত ভাবুকিৰ সৃষ্টি হৈছে। অভিযোগ মতে অভাৰলোড শিল কঢ়িওৱা ডাম্পাৰসমূহ কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰৰ পৰা তামাৰহাট পাগলাহাট হৈ আহি তামাৰহাট মোৰত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত উঠে। তাৰ পৰা পোনে পোনে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে নগৈ অবৈধ ভাবে গোলকগঞ্জ চহৰৰ মাজমজিয়াৰে সোনাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰলৈ যায়। নিশা হলে চহৰৰ মাজেৰে লানি নিছিগা শাৰী পাতে অভাৰলোড শিলৰ ডাম্পাৰে। যোৱানিশা এএছ-১৭চি ৭১৫১ নম্বৰৰ অভাৰলোড শিল কঢ়িওৱা ডাম্পাৰ এখন গোলকগঞ্জ চহৰৰ মাজত এএছ ০১ডি ০৭৬১ নম্বৰৰ মাৰুতি ছুইফট বাহনক খুন্দিয়ায়। অৱশ্যে দৈৱক্ৰমে ৰক্ষা পৰে চালকৰ আসনত থকা বাহনৰ মালিক। আৰক্ষীয়ে ডাম্পাৰখন জব্দ কৰে। অবৈধভাৱে চহৰৰ মাজমজিয়াৰে ডাম্পাৰৰ দৌৰাত্ম্যৰ বাবে কেইমাহ পূৰ্বে মেৰামতি কৰা পকী পথৰ ব্লেক টেপিং পুনৰ উৰলিব আৰম্ভ কৰিছে। তদুপৰি ব্লক মোৰ আৰু চিকিৎসালয়ৰ সন্মুখ ভাগত চিচি ব্লকো উঠি গৈছে। তৎসত্বেও কাণসাৰ নাই প্ৰশাসনৰ। ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহন আইন উলংঘন কৰিলে যি পৰিবহণ বিভাগে কুকুৰে কাঁইট নোখোৱাৰ দৰে জৰিমনা বিহিবলৈ জঁপিয়াই পৰে, সেই পৰিবহণ বিভাগেও দেখিও নেদেখাৰ ভাও ধৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# অসম-নাগালেণ্ডৰ সাংস্কৃতিক বিনিময় অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ১৮ মে':** নগালেণ্ডৰ ফ'ম পিপলছ কাউন্সিল আৰু লংলেং জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ ইয়ংলক ৰাজহুৱা খেলপথাৰত অসম নগালেণ্ড সাংস্কৃতিক বিনিময় শীৰ্ষক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। চুবুৰীয়া দুই ৰাজ্যৰ জনসাধাৰণৰ মাজত শান্তি-সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থত এই কাৰ্যসূচীৰ আয়োজন কৰা হয় নগালেণ্ডৰ লংলেং জিলা প্ৰশাসনৰ। এই অনুষ্ঠানত নাগালেণ্ড জিলা প্ৰশাসন আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ বহু কেইজন বিষয়া উপস্থিত থাকে। লগতে অসমৰ হৈ নাজিৰাৰ বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া নাগালেণ্ডৰ তামলু সমষ্টিৰ বিধায়ক বি বাংতিক ফম, লংলেং সমষ্টিৰ বিধায়ক এ ফংচি ফম অসমৰ বহু কেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই সাংস্কৃতিক বিনিময় কাৰ্যসূচীত অসমৰ হুঁচৰি, জেং বিহুৰ লগতে নাগালেণ্ডৰ বহুকেইটা সাংস্কৃতিক দলে নৃত্য প্ৰদৰ্শন কৰি উপস্থিত দুয়োখন ৰাজ্যৰ লোকক আপ্লুত কৰে। এই অনুষ্ঠানৰ জৰিয়তে অসম আৰু নগালেণ্ডৰ দুয়োখন ৰাজ্যৰ মাজত সম্বন্ধ দৃঢ় হ'ব বুলি আশা কৰিছে উদ্যোক্তাসকলে।

# নগাঁৱৰ ডিমৌত দুই অৱসৰী কৃতী শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, বেবেজীয়া, ১৮ মে':** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ডিমৌ চাৰিআলিস্থিত শালমৰা হাইস্কুলৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অমিয়া ডেকা আৰু ৰীতা হাজৰিকাক বিদায় সম্বৰ্ধনা জনোৱা হয়। তদনুযায়ী শিক্ষাবিদ মহেশ্বৰ দেৱগোস্বামীৰ সভাপতিত্বত বিদ্যালয়ৰ সভাগৃহত এখনি সভা অনুষ্ঠিত কৰা হয় । বিদ্যালয়ৰ প্ৰধান শিক্ষক খগেন মুক্তিয়াৰে উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰা সভাখনিত দুই কৃতী শিক্ষয়িত্ৰী অমিয়া ডেকা আৰু ৰীতা হাজৰিকাক শৰাই, গামোচা, জাপি, গ্ৰন্থৰ টোপোলা, ফুলৰ থোপা, সম্বৰ্ধনা পত্ৰ, অসমীয়া পৰম্পৰাগত সাজেৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক সুজিত বৰদলৈয়ে সামগ্ৰিকভাবে আঁত ধৰা সভাখনিত প্ৰাক্তন মন্ত্ৰী উমেশ চন্দ্ৰ দাস, বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি পদ্ম গোস্বামী, শিল্পী পেঞ্চনাৰ পৰাণ চন্দ্ৰ দাস আৰু বৰ্ষীয়ান সমাজকৰ্মী কেশৱ ৰাজাই সাৰুৱা ভাষণ প্ৰদান কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি দুই অৱসৰী শিক্ষয়িত্ৰীয়ে পাৰ কৰি অহা নিজৰ কৰ্মময় জীৱনৰ দিনবোৰৰ কথা স্মৰণ কৰি আবেগিক হৈ পৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত বিশিষ্ট সমাজকৰ্মী ভবেন্দ্ৰ বাগীশ, তিৰা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বকুল চন্দ্ৰ দেউৰী, সমাজকৰ্মী পূৰ্ণকান্ত বৰা, প্ৰফুল্ল বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক নিৰ্মল শইকীয়া, দুলু বৰুৱা, জ্যোতিপ্ৰসাদ ডেকা, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি তুলেন্দ্ৰ পাটৰ, পৰমানন্দ হাজৰিকা, পংকজ দাস, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জিনু ৰাজখোৱা, কনকলতা দেৱী, শালমৰা গাওঁ পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী ববিতা মেধি শৰ্মা, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সদস্য, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# তীব্ৰ চৰ্চা! চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ চকীত বহিব কোন

**ই-সংবাদ, পশ্চিম দৰং, ১৮ মে':** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়ত গঠনক লৈ পঞ্চায়তবাসীৰ মাজত উৎসুকতা বৃদ্ধি পাইছে। কংগ্ৰেছী গাঁও পঞ্চায়ত হিচাপে চিহ্নিত পঞ্চায়ত খনত এইবাৰ পূৰ্বৰ পৰম্পৰা ভংগ কৰি বিজেপিয়ে পঞ্চায়তখন দখল কৰি ইতিহাস সৃষ্টি কৰাৰ পিছত এতিয়া ৰাইজৰ মাজত উৎসুকতা মাথোঁ সভানেত্ৰীৰ চকীত বহিব কোন। মহিলাৰ বাবে সংৰক্ষিত সভানেত্ৰীৰ আসনত বিশেষ ভাবে পঞ্চায়তবাসী ৰাইজৰ মাজত চৰ্চিত হৈছে পিংকী কলিতাৰ নাম।২০১৩ চনত পঞ্চায়ত খনৰ ৫ নং কেন্দুগুৰি(ক) অংশৰ বিজেপি দলৰ ৱাৰ্ড সদস্যা হিচাপে নিৰ্বাচিত হৈ ৱাৰ্ডটোৰ উন্নয়ন বিশেষ ভাবে গুৰুত্ব দি ৰাইজক সন্তুষ্ট কৰাৰ পাছত পৰৱৰ্তী কাৰ্যকালত সদস্যা গৰাকীৰ স্বামী ভাস্কৰ কলিতাক বিজেপিৰ টিকটত ৱাৰ্ড সদস্য হিচাপে নিৰ্বাচিত কৰিছিল। ভাস্কৰ কলিতাই উল্লিখিত পঞ্চায়তখনৰ দহ ৱাৰ্ডৰ ভিতৰতে তেওঁৰ ৱাৰ্ডটোৰ ৰাস্তা-ঘাট, ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ উন্নয়ন সাধন কৰি চকুত লগা কৰি তোলে। যাৰ পিছত এইবেলি ৱাৰ্ডটোত মহিলাৰ বাবে সংৰক্ষিত আসনত পুনৰ ভাস্কৰ কলিতাৰ পত্নী পিংকী কলিতাক নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবঢ়াই দি ৩২৫ টা ভোটেৰে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীগৰাকীক ধৰাশায়ী কৰে। যাৰ পিছত এতিয়া নৱনিৰ্বাচিত পঞ্চায়ত সদস্যসকলৰ গৰিষ্ঠসংখ্যক সদস্যই পিংকী কলিতাক সভানেত্ৰী পদৰ অভিজ্ঞ তথা উপযুক্ত বুলি বিবেচনা কৰি সমৰ্থন দিয়াত পঞ্চায়তৰ সন্মানীয় সভানেত্ৰীৰ আসনখন লাভ কৰাটো প্ৰায় নিশ্চিত হৈ পৰা বুলি একাংশ লোকৰ মুখে প্ৰকাশ। আনহাতে বিজেপি দলৰ মহিলা মৰ্চাৰ প্ৰাক্তন সদস্যা হিচাপে দলীয় কাম কৰি সেৱা আগবঢ়োৱা পিংকী কলিতাৰ নাম পঞ্চায়ত খনৰ ৰাইজৰ মাজত বিশেষভাৱে চৰ্চা লাভ কৰিছে। অৱশ্যে এতিয়ালৈ বিভাগে এই লৈ আনুষ্ঠানিকভাৱে ৰাজহুৱা কৰা নাই। এই ক্ষেত্ৰত ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীৰ ওপৰতে সকলো নিৰ্ভৰ কৰিব বুলি প্ৰকাশ। উল্লেখ্য যে চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ পৰা এইবেলি নিৰ্বাচিত হোৱা ৱাৰ্ড সদস্যসকল হ'ল ক্ৰমে ১ নং ঘোপেলীত -ৰেকিবুদ্দিন আহমেদ, ২ নং নাওঁপোটাত- দুৰদুৰীয়াত -চহিৰুদ্দিন আহমেদ,৩ নং কুমাৰপাৰা-চমুখাদলত -চম্পক শৰ্মা, ৪ নং বাঘমাৰাত -চাহজাহান বেগম, ৫ নং কেন্দুগুৰিত (ক) পিংকী কলিতা, ৬ নং কেন্দুগুৰিত (খ) উৰ্মী ৰেখা শৰ্মা, ৭ নং হৰিপুৰত - ৰাজু ৰাজবংশী, ৮ গোৱালপাৰাত -চুমিয়াৰা ইয়াছমিন, ৯ নং বগাচলাত -আক্কেল আলী আৰু ১০ নং নাওঁদিঙা-চকৰমুখত- মেৰিনা বেগমে জয়লাভ কৰিবলৈ সক্ষম হৈছে।

# নলবাৰীত নিৰ্মীয়মাণ প্ৰকল্প পৰিদৰ্শন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ

**ই-সংবাদ, বাঁহজানী, ১৮ মে':** শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে নলবাৰী জিলাৰ নিৰ্মীয়মাণ বহুকেইটা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয় কেবিনেট মন্ত্ৰী তথা নলবাৰী জিলাৰ স্থানীয় বিধায়ক জয়ন্তমল্ল বৰুৱাই। বৰুৱাই কয় - মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৃষ্ঠাপোষকতাত বাস্তৱৰ দিশত ধাবিত নলবাৰীবাসীৰ সপোন স্বৰূপ এই প্ৰকল্পসমূহ সম্পূৰ্ণ হৈ উঠিলে নলবাৰীৰ আৰ্থ-সামাজিক ক্ষেত্ৰক ধৰি সৰ্বাংগীণ উন্নয়ন সম্ভৱপৰ হৈ উঠিব। শনিবাৰে পৰিদৰ্শন কৰা নলবাৰীৰ শংকৰদেৱ কলাকৃষ্টি বিকাশ কেন্দ্ৰ, (ঘগ্ৰাপাৰ), লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বাংলো, (ঘগ্ৰাপাৰ), ঘগ্ৰাপাৰ আদৰ্শ বিদ্যালয়ৰ আন্তঃগাৰ্থনি পৰিদৰ্শন, (ঘগ্ৰাপাৰ), ঘগ্ৰাপাৰ ৰে'লৰে অ'ভাৰব্ৰিজ পৰিদৰ্শন, (ঘগ্ৰাপাৰ), নলবাৰী অভিযান্ত্ৰিক মহাবিদ্যালয় পৰিদৰ্শন, (ঘগ্ৰাপাৰ), সংহত জিলা আয়ুক্তৰ কাৰ্যালয় গৃহ, (নলবাৰী গণেশ মন্দিৰৰ সমীপত), নতুন আৱৰ্ত ভৱন, (গণেশ মন্দিৰৰ সমীপত), প্ৰস্তাৱিত নলবাৰী লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বাংলো, (গণেশ মন্দিৰৰ সমীপত), জিলা ষ্টেডিয়াম, (সৰিয়হতলী), নলবাৰী ঔদ্যোগিক প্ৰশিক্ষণপ্ৰতিষ্ঠান (টাটা উৎকৃষ্টতাৰ কেন্দ্ৰ), (সৰিয়হতলী), নলবাৰী তাৰকাগৃহ, (সৰিয়হতলী), কুমাৰ ভাস্কৰ বৰ্মা, কলাক্ষেত্ৰ, (সৰিয়হতলী), ৰেলৰে অ'ভাৰব্ৰিজ, (বৰকুৰা), ১০০০ আসন বিশিষ্ট প্ৰেক্ষাগৃহ, গৰ্ডন বিদ্যালয়ৰ পুখুৰী, অত্যাধুনিক গৰ্ডন ক্ৰীড়া প্ৰকল্প, এপিডিচিএল উপকেন্দ্ৰ পৰিদৰ্শন, (গোপাল বজাৰ), নলবাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, প্ৰস্তাৱিত ব্লক টাৱাৰ স্থলী, ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সন্মুখৰ বজাৰ এলেকা পৰিদৰ্শন, নলবাৰী টাউন ৰোডসমূহৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা, কুমাৰ ভাস্কৰ বৰ্মাৰ প্ৰতিমূৰ্তি আৰু বড় মছজিদৰ ওচৰৰ পাৰ্কিং এলেকা পৰিদৰ্শন, নলবাৰী টাউন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সংহত স্বাস্থ্য ভৱন, নলবাৰী টাউন, টাটা কেঞ্চাৰ কেয়াৰ হস্পিতাল, (নলবাৰী টাউন) আদি পৰ্যবেক্ষণ কৰে।

# পশ্চিম যোৰহাটৰ প্ৰগতি মটৰ্ছত চুৰি

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৮ মে':** যোৰহাটৰ পশ্চিম দিশৰ পুলিবৰ থানাৰ এলেকাভুক্ত ৰাষ্ট্ৰীয় পথৰ কাষতে থকা টাটা গাড়ী বিক্ৰীৰ ডিলাৰ পুলিবৰৰ প্ৰগতি মটৰ্ছত যোৱা নিশা চুৰি কাণ্ড সংঘটিত হয়। তিনিজনীয়া চোৰৰ দল ডিলাৰটোত নিশা প্ৰৱেশ কৰি লকাৰ ভাঙি প্ৰায় ১০ লাখ টকাৰ লগতে ৫ লাখ টকাৰ সামগ্ৰী চোৰে লৈ উধাও হয় বুলি ডিলাৰটোৱে প্ৰকাশ কৰে। প্ৰগতি মটৰ্ছৰ চুৰিকাণ্ডৰ সন্দৰ্ভত চি চি টিভি কেমেৰাত বন্দী হয়। তিনিজনীয়া চোৰৰ দলটো ডিলাৰৰ পৰা পুৱতি নিশা ২.৪৪ বজাত ওলাই যোৱাৰ চি চি টিভি কেমেৰাত প্ৰতিফলিত হৈছে। চোৰৰ দলটোৱে গ্লাছ ভাঙি লকাৰ থকা কোঠালৈ সোমোৱাও চি চি টিভিত প্ৰতিফলিত হৈছে।

# বিটিআৰত পদুম ফুলিবইঃ ৰিদীপ কুমাৰ ডেকা



**ই-সংবাদ, মুছলপুৰ, ১৮ মে':** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপনাৰ্থে আজি বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী আনন্দপুৰত বিজেপি মুছলপুৰ মণ্ডলৰ উদ্যোগত এক সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। মুছলপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰিদীপ কুমাৰ ডেকাৰ সভাপতিত্বত আনন্দপুৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত সভাখনত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১২৫ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নলবাৰী আইন মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° গৌতম বৰ্মনে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যৎ জীৱনৰ বাবে পৰামৰ্শ আগবঢ়াই কেৰিয়াৰ কাউঞ্চেলিঙৰ ওপৰত ভাষণ ৰাখে। উক্ত অনুষ্ঠানৰ পাচত সাংবাদিকৰে হোৱা এক আহুতীয়া সাক্ষাৎকাৰত মুছলপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰিদীপ কুমাৰ ডেকাই আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে চৰকাৰ গঠন কৰাটো নিশ্চিত বুলি উল্লেখ কৰি কয় যে বিটিআৰত এইবাৰ পদুম ফুলিবই। ইফালে আগন্তুক নিৰ্বাচনত মুছলপুৰ পৰিষদীয় সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে তেওঁ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত ৰিদীপ ডেকাই কয় যে দলে মোক মুছলপুৰ মণ্ডলৰ সভাপতিৰ দায়িত্ব দিছে আৰু মই নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰিছো। যদি দলে মোক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে তেন্তে মই দলৰ স্বাৰ্থত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু আছো। উল্লেখ্য যে আজিৰ সভাত মুছলপুৰ মণ্ডল বিজেপিৰ বহু কাৰ্যকৰ্তা আৰু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক উপস্থিত আছিল।

# বৰপেটাৰোডৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত অচিনাক্ত বাহনৰ খুন্দাত মহিলা নিহত

**ই-সংবাদ, বৰপেটাৰোড, ১৮ মে':** বৰপেটাৰোডৰ সমীপৰ বালাভিতা জামতলৰ ২৭,নং ৰাষ্ট্ৰীয় ঘাই পথত নিশা অচিনাক্ত বাহনৰ খুন্দাত নিহত হয় এগৰাকী ৫০ উৰ্ধ্বৰ মহিলা।উদ্ধাৰ হোৱা মহিলা মৃতদেহটোৰ এতিয়ালৈকে পৰিচয় উদ্ধাৰ হোৱা নাই। ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত মহিলাগৰাকীৰ ছিন্ন-ভিন্ন অৱস্থাত পৰি থকা দেখি নিশা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি বৰপেটাৰোড আৰক্ষীক খবৰ দিয়াৰ পিছত বৰপেটাৰোড আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মৃত মহিলাগৰাকীৰ পিন্ধনত হালধীয়া ৰঙৰ দখনা পৰিহিত আছিল।নিশা কোনো অচিনাক্ত বাহনে খুন্দিয়াই নিহত কৰাৰ সন্দেহ কৰিছে বৰপেটাৰোড আৰক্ষীয়ে। ঘটনাস্থলীত বৰপেটাৰোড আৰক্ষীয়ে উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। মৃতদেহটো উদ্ধাৰ কৰি বৰপেটাৰোড আৰক্ষী থানালৈ লৈ আনে আৰক্ষীয়ে। পৰৱৰ্তী সময়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। বাতৰি লিখাৰ সময়লৈকে মহিলাগৰাকীৰ পৰিচয় উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে।

# হায়দৰাবাদৰ বেটাৰ ট্ৰেভিছ হেড ক'ৰ'নাত আক্ৰান্ত

**হায়দৰাবাদ, ১৮ মে':** লক্ষ্ণৌৰ বিৰুদ্ধে আই পি এলৰ খেল খেলিব নোৱাৰিব ট্ৰেভিছ হেডে। ক'ৰ'নাত আক্ৰান্ত হোৱাৰ বাবে তেওঁ সময়মতে দলত যোগদান কৰিব নোৱাৰিলে আৰু দেওবাৰে লক্ষ্ণৌ ভ্ৰমণো বাতিল কৰা হয়। হায়দৰাবাদৰ প্ৰশিক্ষক ডেনিয়েল ভেট্টৰীয়ে এই তথ্য নিশ্চিত কৰিছে। বৰ্তমান সমগ্ৰ বিশ্বতে ক'ৰ'না সংক্ৰমণৰ হাৰ অতি কম। মহামাৰীৰ সময়ত সংক্ৰমণ সাধাৰণ আছিল যদিও এতিয়া এনে খবৰে পুনৰ উদ্বেগ বিয়পাইছে। ভেট্টৰীয়ে কয় যে হেড কেনেদৰে ক'ৰ'না ভাইৰাছত আক্ৰান্ত হ'ল তাৰ তদন্ত চলি আছে। অৱশ্যে তেওঁক আইছ'লেশ্যনত ৰখা হৈছে নে দলৰ আন কোনো লোক আক্ৰান্ত হৈছে সেই সন্দৰ্ভত কোনো তথ্য নাই। অষ্ট্ৰেলিয়াৰ বেটছমেন ট্ৰেভিছ হেডে এতিয়াও হায়দৰাবাদ শিবিৰত যোগদান কৰা নাই। সোমবাৰে পুৱা তেওঁ যোগদান কৰাৰ সম্ভাৱনা আছে। যোৱাবাৰ ফাইনেলিষ্ট হোৱাৰ পাছতো এইবাৰ প্লে অফৰ দৌৰৰ পৰা বাহিৰ হ'ল হায়দৰাবাদ। লক্ষ্ণৌৰ বিৰুদ্ধে এই মেচখন মাথোঁ নিজৰ সন্মান ৰক্ষাৰ যুঁজ। কিন্তু শেষ মেচত হলেও হেডৰ অনুপস্থিতিয়ে দলৰ উদ্বেগ বৃদ্ধি কৰিছে।

# খগেন গগৈৰ স্মৃতিগ্ৰন্থ শ্ৰদ্ধাৰ্ঘ উন্মোচন

**ই-সংবাদ, ডিব্ৰুগড় ১৮ মে':** ডিব্ৰুগড় লাহোৱাল বকপৰা নিবাসী পঞ্চাছ দশকৰ সুদক্ষ ফুটবল খেলুৱৈ, সমাজ সেৱক তথা অৱসৰপ্ৰাপ্ত চাহ বাগিচা কৰ্মচাৰী খগেন চন্দ্ৰ গগৈৰ ধৰ্মীয় ৰীতি নীতি পৰম্পৰাৰে নিজা বাসগৃহত আদ্যশ্ৰাদ্ধ আজি অনুষ্ঠিত হয়। মঞ্জিমা গগৈ দাসে সম্পাদনা কৰা শ্ৰদ্ধাৰ্ঘ উন্মোচন কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতি শিক্ষক, সাহিত্যিক পেঞ্চনাৰ গন্ধেশ্বৰ শইকীয়াই সাংবাদিক যাদৱ গগৈয়ে আঁতধৰা অনুষ্ঠানটোত উন্মোচক গন্ধেশ্বৰ শইকীয়াই খগেন চন্দ্ৰ গগৈৰ কৰ্ম, জীৱন আৰু আদৰ্শ সম্পৰ্কে কোৱাৰ লগতে স্মৃতিগ্ৰন্থবোৰ সাহিত্যৰ এটা ভাগ কৰি অধ্যয়ন আৰু গৱেষণাৰ বাবে গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে উন্মোচনী অনুষ্ঠানত শিক্ষক হীৰা মেচ, গোলাপ গগৈকে প্ৰমুখ্যে কৰি পৰিয়াল বৰ্গ আৰু বহু সংখ্যক লোক উপস্থিত থাকে।



আইপিএল ২০২৫: পঞ্জাৱ কিংছৰ বিৰুদ্ধে উইকেট দখলৰ পিছত চেলিব্ৰেশ্যন ৰাজস্থান ৰয়েলছৰ ৰিয়ান পৰাগৰ

## ঘৰুৱা খেলপথাৰত দুৰ্দান্ত প্ৰদৰ্শন ১৯ অনুৰ্ধ্ব ভাৰতীয় দলৰ

# ইটানগৰত বাংলাদেশক পৰাভূত কৰি এছএএএফ ১৯ অনুৰ্ধ্বত বিজয় লাভ

**ইটানগৰ, ১৮ মে':** ফাইনেল এখন চাপৰ যুঁজ, আৰু সেই যুঁজ যেতিয়া ভাৰত আৰু বাংলাদেশৰ দৰে দুই তীব্ৰ প্ৰতিদ্বন্দ্বী দলৰ মাজত হয়, তেতিয়া শিখৰত উপনীত হয় উত্তেজনা। দেওবাৰে সন্ধিয়া অৰুণাচল প্ৰদেশৰ ইটানগৰৰ গোল্ডেন জুবিলী ষ্টেডিয়ামত এই চৰম উত্তেজনাৰ সাক্ষী হ'ল হাজাৰ হাজাৰ দৰ্শক। ৰোমাঞ্চকৰ ফাইনেলত বাংলাদেশক টাইব্ৰেকাৰত পৰাস্ত কৰি ভাৰতে পুনৰ দখল কৰে এছ এ এফ এফৰ ১৯ বছৰ অনুৰ্ধ চেম্পিয়নশ্বিপৰ ট্ৰফী। ঘৰুৱা ক্ষেত্ৰত ভাৰতে এক সুন্দৰ আৰম্ভণি কৰে। খেলখনৰ দ্বিতীয় মিনিটত অধিনায়ক চিংগামায়ুম ছামিৰ ফ্ৰী কিকেৰে ব্লু টাইগাৰছে ১-০ গ'লত অগ্ৰগতি লাভ কৰে। ভাৰতে আৰম্ভণিৰে পৰা গতিশীল আৰু সু-পৰিকল্পিত খেলেৰে বাংলাদেশক হেঁচাত ৰাখিছিল। ১৬ মিনিটত বাওঁফালৰ পৰা ওমাং ডোডামৰ ড্ৰাইভিং আক্ৰমণে ডিফেন্সক কাৰ্যতঃ ধৰাশায়ী কৰে। অৱশ্যে সেই যাত্ৰাত বাংলাদেশৰ গ'লৰক্ষক ইছমাইল হোছেইনে এটা বৃহৎ ছেভ কৰি দলটোক ৰক্ষা কৰে। যদিও প্ৰথমাৰ্ধত আৰু কোনো গ'ল নাছিল, তথাপিও বিৰতিৰ সময়ত ভাৰতে ১-০ গ'লত অগ্ৰগতি লাভ কৰে। কিন্তু দ্বিতীয়াৰ্ধত প্ৰত্যাৱৰ্তন ঘটে বাংলাদেশৰ। ৬১ মিনিটত মহম্মদ জয় আহমেদৰ গ'লেৰে খেলখন সমতা স্থাপন কৰে। অৱশ্যে এটা গ'ল দিও ভাৰতৰ আত্মবিশ্বাস হেৰুৱাব পৰা নাছিল। বৰঞ্চ প্ৰতিটো মুহূৰ্ততে লক্ষ্যৰ বাবে হাহাকাৰ হৈ পৰে। যোৱা ৫ মিনিটত ভাৰতে কমেও দুটা গ'ল দিয়াৰ সুযোগ সৃষ্টি কৰিছিল। যদিহে ৯৪ মিনিটত গ'ল লাইনৰ পৰা বলটো ক্লিয়াৰ নহ'লহেঁতেন তেন্তে সেই সময়তে মেচখন ঠিক হৈ গ'লহেঁতেন। ৰেগুলেচন টাইমৰ শেষত মেচখন ১-১ গ'লত সমতাত থকাৰ সময়তে টাইব্ৰেকাৰত ফাইনেলৰ ভাগ্য নিৰ্ণয় কৰা হয়। তাত বাংলাদেশে প্ৰথম তিনিওটা শ্বটতে গ'ল দিয়ে। অৱশ্যে চতুৰ্থটো শ্বট পোষ্টৰ ওপৰেৰে যায় আৰু পঞ্চমটো শ্বট ৰক্ষা কৰে ভাৰতীয় গ'লৰক্ষক সুৰজ সিঙে। যদিও ভাৰতে দ্বিতীয়টো শ্বট মিছ কৰিছিল, তথাপিও বাকী চাৰিটা শ্বটত গ'ল দি মেচখনলৈ উভতি আহি ৪-৩ গ'লত জয়লাভ কৰে আৰু এছএএফ চেম্পিয়নশ্বিপৰ বিজয়ৰ মুকুট পৰিধান কৰিবলৈ সক্ষম হয়।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি